www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

তুমি তপা হোৱাৰ পাছত জীৱনে তোমাক যিখন ফণি উপহাৰ দিয়ে, তাকেই অভিজ্ঞতা বুলি কোৱা হয়। — জুডিফ ষ্টার্ন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২০৪ | বুধবাৰ | ১ অক্টোবৰ, ২০২৫ চন | ১৫ আহিন, ১৯৪৭ শক | VOL - 6 | NO.- 204 | Wednesday | 1st October, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

■ তাপ বিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণস্থলত শোকাৱহ দুৰ্ঘটনা ■

# চেন্নাইত নিৰ্মাণৰত অট্টালিকা খহি অসমৰ ৯ জন শ্ৰমিকৰ মৃত্যু

## নিহত ৪ শ্ৰমিকৰ ঘৰ কাৰ্বি আংলঙত, ৫ জন হোজাইৰ



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ ছেপ্টেম্বৰ ঃ উত্তৰ চেন্নাইৰ এননোৰত অৱস্থিত এটা তাপ বিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণস্থলত সংঘটিত এক ভয়াৱহ দুৰ্ঘটনাত অসমৰ ৯জন শ্ৰমিকৰ মৃত্যু হৈছে। নিৰ্মাণাধীন এটা তোৰণ খহি পৰাৰ ফলত এই মৰ্মান্তিক ঘটনা সংঘটিত হৈছে। দুৰ্ঘটনাত আন কেইবাজন শ্ৰমিক গুৰুতৰভাৱে আহত হৈছে, আৰু তেওঁলোকক চেন্নাইৰ ষ্টেনলি চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। » ৬ পৃষ্ঠাত

শীৰ্ষ ১০ত আছে অসম; মধ্যপ্ৰদেশ শীৰ্ষত

## দেশত ভয়াৱহভাৱে বৃদ্ধি শিশুৰ বিৰুদ্ধে অপৰাধৰ সংখ্যা



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ ছেপ্টেম্বৰ ঃ নেশ্যনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰো (NCRB)ৰ শেহতীয়া প্ৰতিবেদনত শিশুৰ বিৰুদ্ধে অপৰাধৰ ভয়াৱহ বৃদ্ধিৰ তথ্য পোহৰলৈ আহিছে। ২০২৩ চনত দেশজুৰি শিশুৰ বিৰুদ্ধে » ৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ মৃত্যুৰ স্বচ্ছ তদন্তৰ দাবীৰে প্ৰধানমন্ত্ৰীলৈ গৌৰৱ গগৈৰ পত্ৰ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ওচৰলৈ এখন পত্ৰ প্ৰেৰণ কৰি জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ জৰুৰী আৰু স্বচ্ছ তদন্তৰ দাবী জনাইছে। পত্ৰত তেওঁ » ৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে তিনিজনীয়া ন্যায়িক আয়োগ গঠনৰ দাবী মহাসংঘৰ

নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ ছেপ্টেম্বৰ ঃ জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ স্বচ্ছ তদন্তৰ দাবীত অসম সন্মিলিত মহাসংঘই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ ওচৰত তিনিজনীয়া ন্যায়িক তদন্ত আয়োগ গঠনৰ আহ্বান জনাইছে। মহাসংঘৰ মতে, অসমৰ খিলঞ্জীয়া জনগোষ্ঠী » ৬ পৃষ্ঠাত

ক্ষিপ্ৰ গতিত জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত

## ১০ ঘণ্টা জেৰা জুবিন গাৰ্গৰ ভাতৃ সন্দীপন গাৰ্গক



নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ ছেপ্টেম্বৰ ঃ জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ অংশ হিচাপে অসম আৰক্ষীৰ চি আই ডি শাখাৰ কাৰ্যালয়ত মঙলবাৰে হাজিৰ হয় জুবিনৰ ভাতৃ তথা » ৬ পৃষ্ঠাত

ভাৰত-ভূটান সম্পৰ্কত নতুন মাইলৰ খুঁটি

## ৪,০৩৩ কোটি টকাৰ ৰে'ল প্ৰকল্পৰ ঘোষণা

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ ছেপ্টেম্বৰ ঃ ভাৰত আৰু ভূটানৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কক দৃঢ় কৰাৰ লক্ষ্যৰে এখন গুৰুত্বপূৰ্ণ ৰে'ল প্ৰকল্পৰ ঘোষণা কৰা হৈছে। কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু বৈদেশিক সচিব বিক্ৰম মিস্ৰীৰ যৌথ ঘোষণা অনুসৰি, » ৬ পৃষ্ঠাত

৮ আৰু ১৩ অক্টোবৰত তিনিচুকীয়া আৰু ডিব্ৰুগড়ত প্ৰতিবাদ

## চাহ জনগোষ্ঠীৰ বিশাল গণ সমাৱেশে কপাব উজনি অসম

নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ ছেপ্টেম্বৰ ঃ উজনি অসমৰ চাহ বাগিচাৰ শ্ৰমিকসকল জনজাতিৰ মৰ্যাদা, ভূমিৰ অধিকাৰ আৰু শ্ৰম আইন অনুসৰি ন্যূনতম মজুৰিৰ দাবীত বিশাল গণ সমাৱেশৰ বাবে প্ৰস্তুতি গ্ৰহণ কৰিছে। এই সমাৱেশ তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত অনুষ্ঠিত হ'ব। জানিব » ৬ পৃষ্ঠাত

## আইনক নিজৰ পথত কাম কৰিবলৈ দিয়ক ঃ গৰিমা শইকীয়া গাৰ্গ

নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ ছেপ্টেম্বৰ ঃ প্ৰয়াত সংগীতশিল্পী জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে তেওঁৰ অনুৰাগী তথা শুভাকাংক্ষীসকলক আইন হাতত তুলি নল'বলৈ » ৬ পৃষ্ঠাত



কাছাৰ আৰক্ষীৰ তৎপৰতা

## শিলচৰত ৯ কোটি টকাৰ নিচাজাতীয় টেবলেট জব্দ



ষ্টাফ ৰিপৰ্টাৰ, শিলচৰ, ৩০ ছেপ্টেম্বৰ ঃ কাছাৰ জিলা আৰক্ষীৰ নিচাৰ বিৰুদ্ধে অভিযান অব্যাহত থকাৰ মাজতে শিলচৰত সফল অভিযানৰ জৰিয়তে বিপুল পৰিমাণৰ » ৬ পৃষ্ঠাত

ভাৰতীয় ন্যায় ব্যৱস্থাৰ প্ৰত্যাহ্বান

## বিচাৰাধীন গোচৰ হ্ৰাসৰ বাবে বিশেষজ্ঞৰ জৰুৰী পদক্ষেপৰ আহ্বান

ডিজিটেল বাৰ্তা, অসম বাৰ্তা, ৩০ ছেপ্টেম্বৰ ঃ ভাৰতৰ ন্যায় ব্যৱস্থা বিচাৰাধীন গোচৰৰ বিপুল সংখ্যাৰ বোজাত জৰ্জৰিত। ১ ছেপ্টেম্বৰ » ৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰাইজৰ দলৰ




ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ অসমৰ জনপ্ৰিয় সংগীতশিল্পী তথা যুৱ সমাজৰ মুখপাত্ৰ জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ ১১ দিন পাৰ হোৱাৰ পাছতো মূল অভিযুক্তসকলক গ্ৰেপ্তাৰ কৰাত চৰকাৰৰ ব্যৰ্থতাৰ অভিযোগ উত্থাপন কৰি ৰাইজৰ » ৬ পৃষ্ঠাত




চেৰাপুঞ্জী অঞ্চলৰ উন্নয়নৰ বাবে ২৬০ কোটি টকা আবণ্টন

## পৰ্যটকৰ বাবে বহু ভাষিক টোল ফ্ৰী নম্বৰ আৰু ৱেবচাইট মুকলি মেঘালয় চৰকাৰৰ



ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩০ ছেপ্টেম্বৰ ঃ মেঘালয় চৰকাৰে পৰ্যটকৰ সুবিধাৰ্থে দেশত প্ৰথমবাৰৰ বাবে বহু ভাষিক টোল ফ্ৰী নম্বৰ আৰু ৱেবচাইট মুকলি কৰিছে। মেঘালয়লৈ আহিব বিচৰা পৰ্যটকসকলে » ৬ পৃষ্ঠাত

বিহাৰত ব্যাপক বিসংগতি

## ৮০ হাজাৰ মুছলমান ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ অভিযোগ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ ছেপ্টেম্বৰ ঃ বিহাৰৰ পূব চম্পাৰণ জিলাৰ নেপাল সীমান্তৰ সান্নিধ্যত » ৬ পৃষ্ঠাত

## মহিলী বিশ্বকাপৰ প্ৰথমখন মেচতেই বৰ্ষাপাৰাত ইতিহাস ৰচি ভাৰতীয় দলৰ বৃহৎ জয়

### শ্ৰীলংকাক ৫৯ ৰানত পৰাস্ত

নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ ছেপ্টেম্বৰ ঃ অসমৰ ক্ৰীড়া ইতিহাসত নতুন অধ্যায় যোগ হৈছে। প্ৰথমবাৰৰ বাবে অসমৰ মাটিত অনুষ্ঠিত হৈছে আইচিচি মহিলা বিশ্বকাপৰ মেচ। গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামে » ৬ পৃষ্ঠাত



জয় বৰুৱা, অংগৰাগ পাপন মহন্ত, শ্ৰেয়া ঘোষালেৰ গীতৰ মাধ্যমেৰে শ্ৰদ্ধা



## আই চি চি মহিলা বিশ্বকাপৰ উদ্বোধনী মেচত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ অসমৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত আই চি চি মহিলা এদিনীয়া বিশ্বকাপৰ উদ্বোধনী অনুষ্ঠানত জনপ্ৰিয় সংগীতশিল্পী » ৬ পৃষ্ঠাত

কৃষকসকলক আঁচনি ৰূপায়ণ কৰাৰ প্ৰতিশ্ৰুতি

## বিদ্যাপুৰত কেএচি'ৰ অধ্যক্ষৰ আৱণ্টিত পুঁজিৰে স্প্ৰে মেচিন বিতৰণ




**অসম বাৰ্তা, বাসুগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ উদ্যোগত বিদ্যাপুৰত আজি কৃষক সকলক স্প্ৰে মেচিন বিতৰণৰ আচনি ৰূপায়ণৰ কাৰ্যসুচী অনুষ্ঠিত কৰা হয়। কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ অন্তৰ্গত বঙাইগাঁও জিলাৰ বিদ্যাপুৰ ব্লকৰ অন্তৰ্গত প্ৰায় শতাধিক খেতিয়ক সকলক এই স্প্ৰে মেচিন প্ৰদান কৰে কে এ চিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন আৰু ই, এম, কৰ্মেশ্বৰ ৰায়ে। উল্লেখযোগ্য আজি বিদ্যাপুৰ মহিলা সমিতিৰ কাৰ্যালয়ত কে, এ, চি, ৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে খেতিয়কসকলক উদ্দেশ্যি গুৰুত্বপূৰ্ণ বক্তব্য দিয়ে লগতে কোচৰাজবংশী কৃষক ৰাইজক খেতিৰ প্ৰতি অধিক লাভবান হ'বলৈ আহ্বান জনায়। কে এ চি'ৰ ই, এম, কৰ্মেশ্বৰ ৰায়ে আমাৰ গাওঁবিলাকত কৃষিকাম বিলাক কমি যোৱাৰ বাবে বাহিৰৰ ঔসধ দিয়া শাক-পাচলিকে ধৰি বিভিন্ন খাদ্যবোৰ খোৱাৰ বাবে বিভিন্ন বেমাৰ-আজাৰে দেখা দিছে বুলি কয়। সেয়ে প্ৰতিখন গাঁৱৰ খালি হৈ পৰি থকা খেতি মাটিবোৰত কৃষি কামৰ প্ৰতি গুৰুত্বদিবলৈ আহ্বান জনায় কে এ চিৰ ই এম কৰ্মেশ্বৰ ৰায়ে। লগতে আগন্তুক দিনত জৈৱিক পদ্ধতিৰে কেনেদৰে কৃষক সকলে উন্নতমানৰ খেতি কৰিব লাগে তাৰ বাবে কৃষি বিভাগৰ পৰা সুবিধাবোৰ লাভ কৰাৰ বাবে আচনিসমূহ কৃষকসকলে পোৱাৰ ব্যৱস্থা কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে অধ্যক্ষ হিতেশ্বৰ বৰ্মন আৰু ই এম কৰ্মেশ্বৰ বৰ্মনে। আজি কে এ চি এ প্ৰদান কৰা এই আঁচনিৰ কাৰ্যসুচীত উপস্থিত থকা স্থানীয় অৱসৰ প্ৰাপ্ত শিক্ষক ফলিন্দ্ৰ সৰকাৰে এই বিদ্যাপুৰ অঞ্চলত প্ৰথমবাৰৰ বাবে কৃষক সকলক স্প্ৰে মেচিন দিয়া অধ্যক্ষ গৰাকীক ধন্যবাদ জনায় আৰু স্থানীয় কৃষকসকলক উৎসাহেৰে খেতি কৰিবলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানত উপস্থিত থকা স্থানীয় নিৰাৱন দত্তবৰুৱা, বংকিম সৰকাৰ, পৰেশ বৰ্মন, পৱিত্ৰ কুমাৰ বৰুৱা, শিৱ নাৰায়ণ দেৱ'ৰ লগতে আক্ৰাছুৰ উপ সভাপতি হিৰন্য পাটগিৰীৰ, বঙাইগাঁৱৰ সমাজ সেৱক সঞ্জিত বৰ্মন, ভূদেৱ ভুষণ সিংহলৈ ধন্যবাদ জনায় বিদ্যাপুৰ অঞ্চলৰ সমাজ সেৱক কৃষ্ণ চৌধুৰীয়ে।

অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মহাপ্ৰয়াণে ম্লান পেলাইছে আনন্দ উৎসৱত

## নগাঁৱত দুৰ্গা বন্দনাৰে মুখৰ পৰিৱেশ

### নগাঁৱৰ শতাধিক মণ্ডপত মহিমৰ্দিনীৰ পূজা আৰম্ভ



**নগাঁৱৰ পৰা দ্বীপেন শইকীয়া, অসম বাৰ্তা, ২৮ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে নগাঁও জিলাতো শাৰদীয় দুৰ্গা পূজা উপলক্ষে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মহাপ্ৰয়াণে ম্লান পেলাইছে যদিও নগাঁওবাসীয়ে আধ্যাত্মিক পৰিৱেশত পূজা উদ্‌যাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। চহৰখনৰ ব্যৱসায় প্ৰতিষ্ঠানত বিশেষকৈ কাপোৰৰ বিপণীত গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে। অনলাইন ব্যৱসায়ৰ বাবে একাংশ ব্যৱসায়ী এতিয়া কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে। এনে পৰিস্থিতিৰ মাজতে এইবাৰ নগাঁও জিলাত তিনি শতাধিক পূজা মণ্ডপত পূজা উদযাপিত হ'ব। তদুপৰি জিলাখনৰ ২৫ খনৰো অধিক চাহ বাগিচাত উদ্যাপিত হ'ব দুৰ্গা পূজা। অকল নগাঁও চহৰত শতাধিক মণ্ডপত দুৰ্গা পূজা অনুষ্ঠিত কৰা হৈছে। দুৰ্গা পূজালৈ মাজত মাথোঁ এটা দিন বাকী থকা অৱস্থাত চহৰখনৰ সকলো পূজা মণ্ডপ আটকধুনীয়াকৈ সজাই-পৰাই তুলিছে। নগাঁও চহৰৰ দুখন পূজা সমিতিয়ে ইতিমধ্যে ১৫১ বছৰৰ অধিক কাল অতিক্ৰম কৰিছে। এই দুই পূজা হ'ল চহৰখনৰ খ্ৰীষ্টানপট্টিৰ বেলতলাৰ জানকী নাথ সেন পৰিয়ালৰ ১৭৬ সংখ্যক দুৰ্গা পূজা আৰু উত্তৰ হয়বৰগাঁৱৰ বীণাপাণি পূজা সমিতিৰ ১৫৬ সংখ্যক দুৰ্গা পূজা। চহৰখনৰ বাংগালী সন্মিলনীৰ উদ্যোগত ১৩২ সংখ্যক দুৰ্গা পূজা, আমোলাপট্টি পূজা উৎসৱ সমিতিৰ উদ্যোগত ১৩০ সংখ্যক দুৰ্গা পূজা, ফৌজদাৰীপট্টি সৰ্বজনীন দুৰ্গা পূজা উৎসৱ সমিতিৰ উদ্যোগত ১২৮ সংখ্যক দুৰ্গা পূজা, পানীগাঁও কালীবাৰী দুৰ্গা পূজা সমিতিৰ ১০৪ সংখ্যক দুৰ্গা পূজা অনুষ্ঠিত হ'ব। আনহাতে হিন্দুস্তানপট্টি সৰ্বজনীন ঠাকুৰবাৰী দুৰ্গা পূজা সমিতিৰ ৯৬ সংখ্যক, হয়বৰগাঁও বাংগালী পূজাবাৰী সমিতিৰ ৯৩ সংখ্যক, নগাঁও পুলিচ ৰিজাৰ্ভ দুৰ্গা পূজা সমিতিৰ ৯৩ সংখ্যক, এন এফ ৰে'লৱে পূজা সমিতিৰ ৮৫ সংখ্যক, ছামাদ্দাৰপট্টি সৰ্বজনীন পূজা সমিতিৰ ৭৮ সংখ্যক, হয়বৰগাঁও ৰে'লৱে সৰ্বজনীন কালী মন্দিৰত ৭৭ সংখ্যক, কলংপাৰৰ নেপালী মন্দিৰ সৰ্বজনীন পূজা সমিতিৰ ৭৩ সংখ্যক, বিবেকানন্দ পল্লী শাৰদোৎসৱ সমিতিৰ ৭১ সংখ্যক দুৰ্গা পূজা অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলিছে। ঠিক একেদৰে চহৰখনৰ শান্তিপুৰ যুৱক সমিতিৰ ৬৬ সংখ্যক, দক্ষিণ হয়বৰগাঁও নাট্য সমিতিৰ ৬৬ সংখ্যক, ইটানগৰ পূজা সমিতিৰ ৬৪ সংখ্যক, চকীটুপ সৰ্বজনীন দুৰ্গা পূজা সমিতিৰ ৬৪ সংখ্যক, চীনাপট্টি ছোটহয়বৰ সৰ্বজনীন দুৰ্গা পূজা সমিতিৰ ৬৪ সংখ্যক, শ্ৰী কৃষ্ণাশ্ৰম দুৰ্গা পূজা সমিতিৰ ৬০ সংখ্যক, পানীগাঁও দুৰ্গা মন্দিৰ পূজা সমিতিৰ ৬০ সংখ্যক, শাস্ত্ৰী নগৰ পূজা সমিতিৰ ৫৯ সংখ্যক, ডিমৰুগুৰি সৰ্বজনীন দুৰ্গা পূজাৰ ৫৯ সংখ্যক, জ্যোতি ফ্লাৱাৰ মিলৰ ৫৮ সংখ্যক আৰু হয়বৰগাঁও বিজয়ী সংঘৰ ৫৮ সংখ্যক দুৰ্গা পূজাৰো ব্যাপক প্ৰস্তুতি চলিছে। শ্ৰীমন্ত শংকৰ মিছন পথ আই টি আই দুৰ্গা পূজা নতুন বজাৰ দুৰ্গা পূজা সমিতি, নাজিৰাজান, শনি মন্দিৰ পথ, খ্ৰীষ্টানপট্টি, লক্ষ্মীনগৰ, মৰিকলং, পানীগাঁও ছয় আলি, লাওখোৱা ৰোড তেলীয়াগাঁও আদিতো দুৰ্গা পূজা অনুষ্ঠিত হ'ব। কেইবাখনো দুৰ্গা পূজা সমিতিয়ে ৰাইজক আকৰ্ষণ কৰিবৰ বাবে অত্যাধুনিক কাৰুকাৰ্য, চমৎকাৰিতা, আলোকসজ্জা আদিৰ ব্যৱস্থা গ্ৰহণ কৰিছে। চহৰখনৰ অন্যতম পুৰণি দুৰ্গা পূজা সমিতিয়ে নতুন আৰ্হিত পূজা মণ্ডপ নিৰ্মাণ কৰিছে। নগাঁও বাংগালী পূজা সমিতিয়ে সিন্ধু পৰা লুইতলৈ 'কেঁচা মাটিৰ গোন্ধ' দৃশ্যাংশৰ লগতে বিভিন্ন দৃশ্যমান বিষয়েৰে পূজা মণ্ডপ নিৰ্মাণ কৰাৰ বিপৰীতে ছামাদ্দাৰপট্টি পূজা সমিতিয়ে প্ৰকৃতি বিষয়ক, ৰাজস্থানী পূজা সমিতিয়ে নতুন দিল্লীৰ ইন্দিয়া গেট আৰু লালকিল্লা আৰ্হিত পূজা মণ্ডপ নিৰ্মাণ কৰিছে। শনি মন্দিৰ পথ দুৰ্গা পূজা সমিতিয়ে ব্যতিক্ৰমি নিৰ্মাণ কৰিছে। উল্লেখ্য যে অসমীয়াৰ হিয়াৰ আমঠুস্বৰূপ জুবিন গাৰ্গৰ মহাপ্ৰয়াণত ৰাইজ শোক বিহবল হৈ থকাৰ বাবেই দুৰ্গা পূজাৰ আনন্দ উল্লাস বহুখিনি ম্লান পৰিছে।

তাংখুতুলী এফচি চূড়ান্ত বিজয়ী

## কছাৰীতলত ধনেশ্বাৰ ৰাভা সোঁৱৰণী ফুটবল প্ৰতিযোগিতা

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৮ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ কছাৰীতল অৰুণ জ্যোতি সংঘৰ উদ্যোগত আজি অনুষ্ঠিত সংবাদিক ধনেশ্বাৰ ৰাভা সোঁৱৰণী ফুটবল প্ৰতিযোগিতাত তাংখুতুলী এফচিয়ে ৩ -১ গ'লৰ ব্যৱধানত আৱনাই এফ চিক পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। টংলা ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ বড়াই উদ্বোধন কৰা চূড়ান্ত খেলখনত বিকাশ শৰণীয়াই বৰুণ বড়ো, মৃদুল নাৰ্জাৰী আৰু বিনন্দ ৰাভাৰ সহযোগত খেলখন পৰিচালনা কৰে। কছাৰীতল অৰুণ জ্যোতি সংঘৰ সম্পাদক নিপম ৰাভাই আঁত ধৰা বিজয়ী আৰু বিজেতা দলক ট্ৰফীসহ নগদ ধন প্ৰদান কৰা অনুষ্ঠানত জ্যেষ্ঠ নাগৰিক দণ্ডীৰাম ৰাভা, গাঁওবুঢ়া গণেশ ৰাভা, শিল্পী কমলেশ্বৰ ৰাভা, ধনেশ্বৰ ৰাভাৰ ভ্ৰাতৃ বিপুল ৰাভা উপস্থিত থাকে।

সাংস্কৃতিক সন্ধিয়াৰ কাৰ্য্যসূচী বাতিল

## ধৰ্মধ্বজা উত্তোলনেৰে শুভাৰম্ভ বকোৰ সাৰ্বজনীন দুৰ্গা পূজা

**অসম বাৰ্তা, বকো, ২৮ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱ বিগত বছৰবোৰৰ দৰে এই বৰ্ষও কামৰূপ জিলাৰ বকো সৰ্বজনীন পূজা উদ্‌যাপন সমিতিৰ উদ্যোগত আয়োজন কৰা হৈছে। বকো সৰ্বজনীন দুৰ্গোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি বৃটিছ ঠাকুৰীয়া আৰু সাধাৰণ সম্পাদক সঞ্জীৱ কুমাৰে জনোৱা অনুসৰি এই বেলি ৭৬ সংখ্যক বৰ্ষৰ পূজা আয়োজন কৰা হৈছে। ইফালে আজি সভাপতি বৃটিছ ঠাকুৰীয়াৰ জৰিয়তে ধৰ্মধ্বজা উত্তোলন কৰি পূজাৰ পাঁচদিনীয়া বিস্তৃত কাৰ্য্যক্ৰমণিকা শুভাৰম্ভ কৰে। পূজা উপ সমিতিৰ সভাপতি গৌৰাংগ চৌধুৰীয়ে আত ধৰা অনুষ্ঠানত ধৰ্মীয় আধ্যাত্মিক ৰীতি-নীতিৰে মাংগলিক নিয়মেৰে ধৰ্মধ্বজা উত্তোলন কৰা হয়। ইয়াৰ পিছতে যথা ৰীতি-নীতিৰে পূজা অৰ্চনা শুভাৰম্ভ কৰা হয়। পূজাৰ সকলো কাৰ্য্যসুচীতে ৰাইজৰ সহায় সহযোগ কামনা কৰিছে সাধাৰণ সম্পাদক সঞ্জীৱ কুমাৰে। আনহাতে পূজাৰ সময়ত সকলো সাংস্কৃতিক অনুষ্ঠান বাতিল কৰা হৈছে বুলি জানিব দিয়ে আয়োজক সমিতিয়ে। উল্লেখ্য যে; বৃহত্তৰ অঞ্চলটোৰ অতি পুৰণি আৰু ইতিহাস প্ৰসিদ্ধ ধৰ্মশালা স্থান বকো সৰ্বজনীন দূৰ্গোৎসৱৰ সকলো কাৰ্য্যক্ৰমণিকাত ৰাইজৰ সহায় সহযোগ কামনা কৰিছে উদ্যোক্তা মণ্ডলীয়ে।

## বিটিচি নিৰ্বাচনত বাক্সাত বিপিএফৰ ৩ ইউ পি পি এলৰ ২ আৰু বিজেপিৰ ১ খনকৈ আসন লাভ

**অসম বাৰ্তা, বাগানপাৰা, ২৮ ছেপ্টেম্বৰ ঃ** বহু জল্পনা-কল্পনাৰ অন্তত সমাপ্ত হ'ল বিটিচি নিৰ্বাচন। হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিলে। বিটিচি নিৰ্বাচনত বাক্সা জিলাত ছয়টা সমষ্টিত বিপিএফে তিনি খন, ইউপিপিএলে দুখন আৰু বিজেপিয়ে এখন আসন লাভ কৰে। প্ৰাপ্ত তথ্য অনুসৰি ২০ নং মথনগুৰি সমষ্টিৰ পৰা বিপিএফৰ বেগম আখতাৰা আহমেদে ২৪৭৭৫টা লাভ কৰি জয়ী হয়। দ্বিতীয় স্থানত থকা বিজেপিৰ গৌতম দাসে লাভ কৰে ২০০০০টা ভোট। ২১ নং শালবাৰী সমষ্টিত বিপিএফৰ জয়ন্ত গয়াৰীয়ে২৯৪৭৪টা ভোট লাভ কৰি জয়ী হোৱাৰ বিপৰীতে জয় মুছাহাৰীয়ে লাভ কৰে ১৬০৭৭টা ভোট। ২২ নং ককলাবাৰী সমষ্টিত ইউ পি পি এলৰ মণ্টু বড়োৱে ১৯০০৯টা ভোট লাভ কৰি জয়ী হয়। দ্বিতীয় স্থানত থকা ৰমেন মদাহিয়ে লাভ কৰে ১৮০২৬টা ভোট। ২৩ নং দিহিৰা সমষ্টিত বিপিএফৰ আগাষ্টুছ টিগ্গা ১৭৭৯৫টা ভোট পাই জয়ী হোৱাৰ বিপৰীতে মানস প্ৰতীম কলিতাই ১৭৪৪৩ ভোট পায়। ২৪ নং মুছলপুৰ সমষ্টিত ইউ পি এলৰ ৰাকেশ ব্ৰহ্ম ই২৩৯০৪টা ভোট লাভ কৰি জয়ী হয়। দ্বিতীয় অনচুমৈ খুংগুৰ বড়োৱে পাই, ২২২৯২টা ভোট। ২৫ নং বাগানপাৰা পৰিষদীয় সমষ্টিত বিজেপিৰ ৰেখাৰাণী দাস বড়োৱে ২২১৫০টা ভোট লাভ কৰি জয়ী হয়। দ্বিতীয় স্থানত থকা ইউ পি পি এলৰ কাতিৰাম বড়োৱে ২১১১২টা ভোট লাভ কৰে। এইবাৰ বিপিএফে ২৮ খন, ইউ পি পি এলে ৭ আৰু বিজেপিয়ে ৫খন আসন লাভ কৰিবলৈও সক্ষম হৈছে।

## আন্তৰ্জাতিক বৃদ্ধ ব্যক্তিসকলৰ দিৱস উপলক্ষে দৰ্শিনী ফাউণ্ডেশ্যনৰ বিশেষ উদ্যোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ** ১ অক্টোবৰত উদ্‌যাপন কৰিব লগীয়া আন্তৰ্জাতিক বয়োজ্যেষ্ঠ দিৱস উপলক্ষে দৰ্শিনী ফাউণ্ডেশ্যনে ডিব্ৰুগড় আৰু ধেমাজিত সপ্তাহজুৰি বিশেষ কাৰ্যসূচী হাতত লৈছে। এই উদ্যোগৰ লক্ষ্য হৈছে সমাজত বয়োজ্যেষ্ঠ সকলৰ অমূল্য অৱদানক সন্মান জনোৱাৰ লগতে তেওঁলোকে সন্মুখীন হোৱা বহুমুখী সমস্যাৰ বিষয়ে সজাগতা বৃদ্ধি কৰা। কাৰ্যসূচীত থাকিব- বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু ঔষধ বিতৰণ, বিভিন্ন ঠাইত বৃক্ষৰোপণ অভিযান আৰ্থিকভাৱে পিছপৰা বৃদ্ধসকললৈ কাপোৰ বিতৰণ নন্দিনী কাউন্সিলিং কেন্দ্ৰৰ উদ্যোগত পৰামৰ্শ সেৱা প্ৰদান আদি। ইয়াৰ উপৰিও, দৰ্শিনী ফাউণ্ডেশ্যনে বৃদ্ধ নাগৰিকসকলৰ বাবে চৰকাৰৰ বিভিন্ন আঁচনি আৰু পেঞ্চনৰ সুবিধা সম্বন্ধে সজাগতা সৃষ্টি কৰিব। কাৰ্যসূচী অনুযায়ী ১ অক্টোবৰৰ পৰা সপ্তাহজোৰা কাৰ্যসূচী পালন কৰা হ'ব। ধেমাজি আৰু ডিব্ৰুগড়ৰ যোগাযোগ: ৮০১১১২৮৭১১ ই-মেইলঃ darshinifoundation22@gmail.com দৰ্শিনী ফাউণ্ডেশ্যনে জনসাধাৰণক এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি সমাজৰ বয়োজ্যেষ্ঠ নাগৰিকসকলক সহায়-সহযোগ আগবঢ়াবলৈ আহ্বান জনাইছে।

## মৰিগাঁৱত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি মধ্য অসম জনগোষ্ঠীয় সমন্বয়ৰক্ষী সমিতিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰব জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি আজি মধ্য অসম জনগোষ্ঠীয় সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত মৰিগাঁও চহৰৰ পদুম পুখুৰীৰ পাৰত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত মহান শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন, পুষ্পাঞ্জলি তৰ্পণ, বন্তি প্ৰজ্বলন আৰু মহানায়ক গৰাকীৰ কালজয়ী গীতেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোৰ আঁত ধৰে সদৌ তিৱা ছাত্ৰ সন্থাৰ সভাপতি তথা মধ্য অসম জনগোষ্ঠীয় সমন্বয়ৰক্ষী সমিতিৰ মুখ্য সমন্বয়ক চেনিৰাম মালাঙে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত অংশগ্ৰহণ কৰি জুবিন গাৰ্গৰ বৰ্ণময় জীৱন আৰু বিশাল কৰ্মৰাজিক সশ্ৰদ্ধ স্মৰণ কৰি বক্তব্য আগবঢ়ায় প্ৰাক্তন আলফা ঐক্য মঞ্চৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি ৰহিন্দ্ৰ নাৰায়ন ডেকা, কাৰ্যকৰী সভাপতি দুস্মন্ত নাথ, যুটীয়া সম্পাদক সৌৰভ আলী, কাৰ্যালয় সম্পাদক ইন্দ্ৰ ৰাজা, সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী সমিতিৰ সভাপতি ৰাজেন ডেকা, সদৌ অসম কৃষক সংঘৰ সভাপতি তুলসী ডেকা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য পুৰ্নানন্দ শইকীয়া, বীৰ লাচিত সেনা অসমৰ জিলা সাধাৰণ সম্পাদক দীপমণি হীৰা, মৰিগাঁও নগৰ ব্যৱসায়ী সমাজৰ সভাপতি হৰিদেৱ নাথ, সম্পাদক ইফটিকাৰ হুচেইন, ট্ৰাইবেল বেল্ট ব্লক এণ্ড লেণ্ড প্ৰটেকশ্যন কমিতিৰ সভাপতি বিশ্বদেৱ বড়োকে ধৰি বহু গণ্যমান্য ব্যক্তি আৰু জুবিন গাৰ্গৰ বহুকেইজন অনুৰাগীয়ে। ইপিনে জাতীয় সংগঠন কেইটাৰ নেতা কেইগৰাকীয়ে অনুষ্ঠানটোতে মহান শিল্পী গৰাকীৰ অকাল মৃত্যুৰ পিছত তেওঁৰ সহধৰ্মিনীয়ে স্বামীৰ অস্বাভাৱিক মৃত্যুৰ ক্ষেত্ৰত ন্যায়ৰ বাবে এজাহাৰ দাখিল কৰা কাৰ্যক সকলোৱে একেমুখে আদৰণি জনায়। আনহাতে চিংগাপুৰ ফেষ্টিভেলত মৃত্যুবৰণ কৰা জুবিন গাৰ্গৰ মৃত্যুৰ সঠিক তথ্য ৰাজ্য চৰকাৰে আজিও অসমবাসীৰ আগত ডাঙি ধৰিব নোৱাৰাৰ বাবে ক্ষোভ প্ৰকাশ কৰে। গণশিল্পী গৰাকীৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা দুবাৰকৈ কৰা হৈছিল যদিও ইয়াৰ প্ৰতিবেদন ৰাজহুৱাকৈ প্ৰকাশ কৰিব নোৱাৰা কাৰ্যত চৰকাৰী পক্ষৰ ৰহস্য নিহিত থকা বুলি সন্দেহ প্ৰকাশ কৰে। তদুপৰি অসমৰ প্ৰতি গৰাকী ব্যক্তিৰ মুখে-মুখে প্ৰকাশ পোৱা চিংগাপুৰ ফেষ্টিভেলৰ সেই অপৰাধীকেইজনক আদ্যপি কৰায়ত্ত কৰিব নোৱাৰাটো অসম চৰকাৰৰ চৰম গাফিলতি আৰু দুৰ্বলতা বুলি অভিহিত কৰে। অপৰাধী কেইটাক অতি শীঘ্ৰে কৰায়ত্ত কৰি কঠোৰতম শাস্তি বিহিবলৈ নেতা কেইগৰাকীয়ে ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনায়।

## ১ অক্টোবৰত যোৰহাটত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, সৰ্বধৰ্মীয় প্ৰাৰ্থনা

প্ৰত্যক্ষ কৰিব পাৰিব এল ই ডি স্ক্ৰীণত

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৮ ছেপ্টেম্বৰ ঃ** ছিংগাপুৰত সাগৰত সাঁতুৰি থাকোঁতেই অকালতে, আকস্মিক আৰু সন্দেহজনকভাৱে ১৯ ছেপ্টেম্বৰত মৃত্যু বৰণ কৰা আপোন শিল্পী জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ পৰিয়ালে মৃত্যুৰ ১১ দিনত গুৱাহাটীৰ বাসগৃহত অনুষ্ঠিত কৰিলে। শিল্পীজনৰ বংশ-পৰিয়ালৰ লগতে শিল্পী জীৱনৰ আৰম্ভণি কৰা স্থান যোৰহাটত মৃত্যুৰ ১৩ দিনৰ দিনা অৰ্থাৎ ১ অক্টোবৰত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে সৰ্বধৰ্ম প্ৰাৰ্থনা, গায়ন-বায়ন, দিহানাম পৰিৱেশন, চিত্ৰ অংকন আদি কাৰ্যসূচী যোৰহাট জিলা প্ৰশাসনৰ সহযোগত ৰাইজে অনুষ্ঠিত কৰিবলৈ ৪৮ জনীয়া সমিতিৰ লগতে বহুকেইখন উপ-সমিতি গঠন কৰি ব্যাপক প্ৰস্তুতি চলাইছে। সেই উদ্দেশ্যে ৩০ ছেপ্টেম্বৰত গুৱাহাটীৰ পৰা শিল্পীজনৰ অস্থি কঢ়িয়াই আনি যোৰহাট ষ্টেডিয়ামত ৰখা হ'ব আৰু সেই স্থানতে ১ অক্টোবৰৰ পুৱা ৮ বজাৰ পৰা কাৰ্যসূচী আৰম্ভ হ'ব। সৰ্বধৰ্মীয় প্ৰাৰ্থনাৰ পাছতে প্ৰায় ২ হেজাৰ ভকত-বৈষ্ণৱে নাম-প্ৰসংগ কৰিব। এশজোৰা গায়ন-বায়ন পৰিৱেশন কৰাৰ পাছতে পাঁচশৰো অধিক লোকে দিহানাম গাব। ইফালে, শিল্পীজনৰ অস্থি ভস্ম থকা স্থানত আগ্ৰহী লোকসকলে কেৱল ফুল দি শ্ৰদ্ধা জ্ঞাপন কৰিব। বৈদিক অনুষ্ঠান, মৎস স্পৰ্শত কেৱল শিল্পীজনৰ পৰিয়ালৰ লোকেহে ভাগ ল'ব পাৰিব। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ কাৰ্যালয়ৰ সন্মুখেৰে জনসাধাৰণে অনুষ্ঠান স্থলীলৈ প্ৰৱেশ কৰিব আৰু পৃথক পথেৰে ওলাই আহিব লাগিব। জ্যেষ্ঠ নাগৰিকসকলৰ বাবে পৃথক পথৰ ব্যৱস্থা কৰিছে। পৰ্যাপ্ত খোৱাপানী আৰু প্ৰস্ৰাৱাগাৰৰ ব্যৱস্থা কৰাৰ লগতে ৪০খন বিছনাযুক্ত এখন অস্থায়ী চিকিৎসালয়ো প্ৰতিষ্ঠা কৰিব। যান-বাহন নিয়ন্ত্ৰণৰ লগতে পাৰ্কিঙৰ ব্যৱস্থা আৰক্ষীয়ে কৰিব। ৰাজ্যখনৰ বহু প্ৰতিষ্ঠিত শিল্পীয়ে জুবিন গাৰ্গৰ ছবি অংকন কৰি থকাৰ লগতে তেওঁৰ ৰচিত গীত বজাই থকা হ'ব। সমগ্ৰ অনুষ্ঠানটো এল ই ডি স্ক্ৰীনত অনুষ্ঠানস্থলীৰ লগতে যোৰহাট মহানগৰৰ বহু স্থানত প্ৰত্যক্ষ কৰি থাকিব পাৰিব। যোৰহাটত আজি এই কথা ঘোষণা কৰে জিলা আয়ুক্ত জয় শিৱানীৰ লগতে প্ৰচাৰ উপ-সমিতিখনৰ বিষয়ববীয়াসকলে। কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, বিধায়ক ৰূপজ্যোতি কুৰ্মী, প্ৰাক্তন বিধায়ক বিস্মিতা গগৈ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰ, সমিতিখনৰ বিষয়ববীয়াসকল উপস্থিত আছিল। সমিতিখনত জিলা প্ৰশাসনৰ লগতে বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলকো অন্তৰ্ভুক্ত কৰি লৈছে। ১ অক্টোবৰত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে ভালেকেইজন মন্ত্ৰী, বিধায়ক, শিল্পীজনৰ পৰিয়ালৰ লোক, আত্মীয় আৰু শুভাকাংক্ষীসকলেও অংশগ্ৰহণ কৰিব। অস্থি ভস্ম তিনিদিন যোৰহাট ষ্টেডিয়ামত শ্ৰদ্ধাঞ্জলিৰ বাবে ৰখাৰ পাছতে সমাধি নিৰ্মাণ স্থলীলৈ নি'ব আৰু ব্ৰহ্মপুত্ৰতো বিসৰ্জন দিব। অৱশ্যে সমাধি নিৰ্মাণস্থলীৰ স্থান বৰ্তমানো থিৰাং হোৱা নাই।

## হাজী আনফৰ আলী মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অসম ছাত্ৰ পৰিষদৰ বৃহৎ সফলতা

**অসম বাৰ্তা, ডবকা, ২৮ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ ডবকা অঞ্চলৰ উচ্চ শিক্ষাৰ নক্ষত্ৰ স্বৰূপ ঐতিহ্যমণ্ডিত হাজী আনফৰ আলি মহাবিদ্যালয়ত যোৱা ২৭ চেপ্টেম্বৰত হৈ যোৱা ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অসম ছাত্ৰ পৰিষদৰ ৫জন প্ৰাৰ্থীয়ে জয় লাভ কৰে। এই জয় যাত্ৰাত অসম ছাত্ৰ পৰিষদৰ সভাপতি স্বৰমুদুৰ ৰহমান চৌধুৰীয়ে জানিব দিয়ে যে এই জয় অকল অসম ছাত্ৰ পৰিষদৰে নহয় এই জয় আনফৰীয়ানৰ জয় আৰু তেওঁ প্ৰতিজন প্ৰাৰ্থীক আন্তৰিক শুভেচ্ছা জনোৱাৰ লগতে অসম গণ পৰিষদৰ জিলা সমিতিৰ সভাপতি আলহাজ মহাম্মদ আলী, অসম গণ পৰিষদ বিন্নাকান্দি বিধান পৰিষদৰ উপ-সভাপতি আহমেদ হুছেইন, অসম কৃষক পৰিষদৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক আবুল হুছেইন, অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক জালাল উদ্দিন, তৃণমূল কংগ্ৰেছৰ ৰিজৱান আহমেদে যি সহায় সহযোগিতা আগবঢ়াইছে তেখেত সকল আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে হাজী আনফৰ আলী কলেজ গোটৰ ৰিয়াজ উদ্দিন, ছাবিৰ আহমেদ চৌধুৰী, নজমুল হুছেইন, নাজিম উদ্দিন, মাৰুফুল হুছেইন, শ্বামিম আহমেদ, ছাজিদ আহমেদ, ফিৰদৌছ আলম, আব্দুল্লাহ মনছুৰ, ওৱাৰিচ আহমেদ, মাবৰুৰ ৰহমান, আফৰুজ আলী বৰভুএগ, জাহাংগিৰ নাইন, ফাহিম আহমেদ, চোহাইব আহমেদ, ৰাহুল হক, আশ্ৰৰাফুল আলম, শ্বাহিন আকতাৰ, ৰুমিনা বেগম, ছিদ্দিকা বেগম, চুলতানা বেগম, ছানাজ বেগম, ৰুমিনা বেগম, শ্বাহিন আকতাৰ, মসুমা ফাৰুক, ৰাজমিনা বেগম লস্কৰ, ছুমাইয়া ইয়েছমিন চৌধুৰী, জেনিফা বেগম, উমামা অম্বিয়া সিদ্দিকা, জাৰিনা বুলবুলক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। এইবাৰ জিলা সমিতিৰ সভাপতি স্বৰমুদুৰ ৰহমান চৌধুৰীৰ নেতৃত্বত ২০২৫-২৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতিৰ পদত ৰৌজহান ৰাজা চৌধুৰী, সাধাৰণ সম্পাদকৰ পদত ৰমিজ উদ্দিন লস্কৰ, সহকাৰী সাধাৰণ সম্পাদক আবুল খায়েৰ, সাংস্কৃতিক সম্পাদক ছোৰজ আকতাৰ, ক্ৰীড়া সম্পাদক ৰেহান উদ্দিনকে প্ৰমুখ্যে কৰি মুঠ পাচঁটা পদতে অসম ছাত্ৰ পৰিষদ দলৰ প্ৰাৰ্থীৰ বৃহৎ জয়লাভ হয়। তৃণমূল কংগ্ৰেছ দলৰ ভাতৃ সংগঠন তৃণমূল কংগ্ৰেছৰ ছাত্ৰ পৰিষদৰ ৫জন প্ৰাৰ্থী জয়ী হয়। এ, বি, ভি, পি ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ তিনিজন প্ৰাৰ্থী জয়ী হয়। এ, আই, ইউ, ডি, এফ দলৰ ভাতৃ সংগঠন ইউ, ডি, এচ, এফ দলৰ এজনো প্ৰাৰ্থী জয়ী হ'ব নোৱাৰিলে। মুঠ আসন আছিল ১৩ খন।

## বিশ্বৰ সকলো প্ৰান্তৰ অসমীয়াৰ অনলাইনৰ অংশগ্ৰহণেৰে ডিব্ৰুগড়ত 'স্নেহবন্ধন'ৰ উদ্যোগত জনতাৰ শিল্পী জুবিন গাৰ্গক স্মৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ** সমগ্ৰ বিশ্বৰ বিভিন্ন প্ৰান্তত থকা প্ৰৱাসী অসমীয়াসকলৰ অন্যতম সংগঠন 'স্নেহবন্ধন'ৰ উদ্যোগত জনতাৰ শিল্পী, মাটিৰ মানুহ আৰু সমাজৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। স্নেহবন্ধনৰ সাধাৰণ সম্পাদক ড° শশীকান্ত শইকীয়াই আৰম্ভণিতে সকলোকে পৰিচয় কৰাই দিয়ে। অনুষ্ঠানটোৰ আঁত ধৰে বিশিষ্ট কবি বিতু মণি ফুকনে। গুগুলমিটৰ জৰিয়তে অনলাইন মাধ্যমত অনুষ্ঠিত হোৱা অনুষ্ঠানত স্নেহবন্ধনৰ সভানেত্ৰী গ্ৰেট বৃটেইনস্থিত মঞ্জিৰা চৌধুৰীয়েজুবিন গাৰ্গৰ কৰ্ম, সমাজৰ প্ৰতি দায়িত্ব আৰু নতুন প্ৰজন্মৰ আদৰ্শ বুলি উল্লেখ কৰি কয়-জুবিন গাৰ্গ অবিহনে এতিয়া অসমীয়া সমাজ এক প্ৰকাৰ শূন্য হৈ পৰিল। সমগ্ৰ পৃথিৱীৰ গৰিষ্ঠসংখ্যক দেশতে জনপ্ৰিয় জুবিন গাৰ্গক এতিয়া কেৱল স্মৰণকৰি থাকিলেই নহ'ব, তেওঁৰ আদৰ্শ, চিন্তা আৰু দৰ্শন জীয়াই ৰাখিবলৈ সকলো অসমীয়াই চেষ্টা কৰিব লাগিব। নতুন জুবিন গাৰ্গ সৃষ্টি কৰিবলৈও অসমীয়াই চেষ্টা কৰিব লাগিব বুলিও তেওঁ কয়। অনুষ্ঠানত উপস্থিত থাকি স্নেহবন্ধনৰ উপ-সভাপতি স্কটলেণ্ডস্থিত নিৰলা বৰুৱাই কয়— প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ জনপ্ৰিয়তা মূলধন নাছিল, জুবিনে মানুহক ভালপাইছিল, মানুহৰ হকে কাম কৰিছিল। তেওঁ কয় —জুবিনে প্ৰত্যেকটো গীততে মানুহৰ এক নতুন দিনৰ বতৰা দি গৈছিল, যাৰপৰা মানুহে বহু নতুন কথা শিকিব পাৰে। জাৰ্মানীস্থিত প্ৰৱাসী অসমীয়া শ্ৰীমন্ত ভূঞাই কয়— জুবিনৰ সংগীত কেৱল এটা মেলডী নহয়, জুবিনৰ কণ্ঠই কঢ়িয়াই লৈ গৈছিল বহু সুগন্ধি আৰু অসমৰ সুগন্ধি আমি জুবিনৰ গানৰ মাজত পাইছিলোঁ। জুবিনে একেবাৰে অজ্ঞ জনৰ পৰা অনভিজ্ঞজনৰ মনত সাজ বহুৱাই গৈছে। প্ৰয়াত জুবিন গাৰ্গৰ অনবদ্য অৱদানসমূহ প্ৰকৃতভাৱে সংৰক্ষণ কৰাৰ কথা অৱগত কৰে লগতে জুবিনৰ গীতৰ ওপৰত গৱেষণাৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। স্নেহবন্ধনৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতাই অনুষ্ঠানত উপস্থিত থাকি কয়— এজন মানুহৰ মাজত ইমানখিনি গুণ থকাটো ইমান সহজ কথা নহয়। তেওঁৰ প্ৰতিভাই আমাক চিৰজীৱন অনুপ্ৰাণিত কৰিব। স্নেহবন্ধনৰ সহকাৰী সম্পাদক দক্ষিণ আফ্ৰিকাস্থিত ড° মুকুট গোঁহয়ে কয়— প্ৰকৃত জুবিন গাৰ্গক আমি আচলতে চিনি নাপালো। অসমৰ মহান ব্যক্তিজনক আমি ভৱিষ্যতে জীয়াই ৰাখিব লাগিব। কানৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° চুলতানা হাজৰিকাই কয়— জুবিনে যি কৰি গ'ল সেইয়া অনন্য। জুবিনে যি দেখুৱাই গ'ল তাক আমি চিৰদিন জীৱনত জীয়াই ৰাখিব লাগিব। শেষত শলাগ জ্ঞাপন কৰে ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি যাদৱ গগৈয়ে।

## অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উজলিল মৰিগাঁৱৰ অম্লানজ্যোতি ডেকা

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ সদ্য ঘোষিত ফলাফলত মৰিগাঁৱৰ অম্লানজ্যোতি ডেকাই সুখ্যাতিৰে উত্তীৰ্ণ হৈ মৰিগাঁও চহৰৰ লগতে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। যোৱা ২৬ চেপ্টেম্বৰত ঘোষিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ ফলাফল অনুসৰি অম্লানজ্যোতি ডেকাই কৃষি বিভাগৰ কৃষি উন্নয়ন বিষয়া হিচাপে সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। তেওঁ এই পৰীক্ষাত ১৫৭ সংখ্যক স্থান লাভ কৰিছে। অম্লানজ্যোতি হৈছে মৰিগাঁৱৰ বিশিষ্ট সমাজকৰ্মী অজিত ডেকা আৰু ৰেখামনি ডেকাৰ জ্যেষ্ঠ পুত্ৰ। তেওঁৰ এই সাফল্যই মৰিগাঁও জিলাবাসীক গৌৰৱান্বিত কৰি তুলিছে। উল্লেখ্য যে অম্লানজ্যোতিয়ে মৰিগাঁও শংকৰদেৱ বিদ্যা নিকেতনত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি ৰামেশ্বৰী সংঘ বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। পৰৱৰ্তী সময়ত নগাঁৱৰ কনচেপ্ট একাডেমীৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ উত্তৰাখণ্ডৰ শ্ৰীনগৰৰ পৰা স্নাতক ডিগ্ৰী গ্ৰহণ কৰিছিল। এক আছুতীয়া সাক্ষাৎকাৰত তেওঁ কয় যে - একাগ্ৰতা, কঠোৰ পৰিশ্ৰম আৰু দৃঢ় ইচ্ছাশক্তিৰ বলত যিকোনো লক্ষ্যত উপনীত হ'ব পাৰি। অম্লানজ্যোতাৰ এই সফলতা জিলাখনৰ ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলৰ বাবেও এক অনুপ্ৰেৰণা হৈ পৰিব। তেওঁৰ এই সফলতাত মৰিগাঁৱৰ বহু দল-সংগঠন আৰু বিভিন্নজনে শুভেচ্ছা জ্ঞাপন কৰিছে।

পশ্চিম যোৰহাটৰ ২৯ স্থানত দুৰ্গোৎসৱ আৰম্ভ

## শিল্পী জুবিন গাৰ্গ, ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি শ্ৰদ্ধাঞ্জলিৰ ব্যৱস্থা

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৮ ছেপ্টেম্বৰ ঃ** মহালয়াৰ দিনা দুৰ্গোৎসৱৰ নৱৰাত্ৰি ব্ৰতেৰে আৰম্ভ হোৱাৰ পাছত আজি পশ্চিম যোৰহাটৰ ২৯ স্থানত পুৱা ৯-১৬ ৰ পৰা ১০-৪২ বজাৰ ভিতৰত দেৱীৰ ষষ্ঠ্যাদি কল্পাৰম্ভ, ষষ্ঠী বিহিত পূজা, সন্ধিয়া আমন্ত্ৰণ কৰা হয়। অঞ্চলটোত ৰাজহুৱাভাৱে তৰাজান, পুলিবৰ নৱোদয়, মিলন, ঢাপকটা, পকীমুৰি, ঢাপকটা-লহপহীয়া, টিলিকিআম, দহোটীয়া ঔম, পকামুৰা চাৰিআলি, ম'হবন্ধা তিনিআলি, চাংচোৱা তিনিআলি, কাঠনিবাৰী (১), কাঠনিবাৰী (২), শ'লমৰা, ঢেঁকৰগঢ়া, মগলুখাত, ধনখুলৈ, নামদেউৰীত আৰু চাহ শ্ৰমিকসকলে সৰুচৰাই, লহপহীয়া, পুৰণিমাটি, চাংচোৱা, ম'হবন্ধা, গটঙা, কমাৰবন্ধা, চামগুৰি, বাঁহবাৰী, চকলানীত দুৰ্গোৎসৱ আৰম্ভ কৰিছে। ইয়াৰে ভালেকেইখন দুৰ্গোৎসৱ সমিতিয়ে চৰকাৰৰ পৰা দহ হেজাৰকৈ টকা অনুদান হিচাপে লাভ কৰিছে। বিগত বৰ্ষসমূহত বহুকেইখন দুৰ্গোৎসৱে সাংস্কৃতিক অনুষ্ঠান, ভাওনা, কথাছবি প্ৰদৰ্শন আদি অনুষ্ঠিত কৰি আহিছিল যদিও এইবছৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আকস্মিক আৰু অনাকাংক্ষিত মৃত্যুৰ বাবে সাংস্কৃতিক অনুষ্ঠান বাতিল কৰিছে। সেইদৰে বাতিল কৰিছে প্ৰতিযোগিতাসমূহো। কেৱল আধ্যাত্মিক কাৰ্যসূচীৰে চৰকাৰী নীতি-নিৰ্দেশনাৰ ভিত্তিত পালন কৰিব দুৰ্গোৎসৱ। পূৰ্বৰ পৰম্পৰাৰে বাতৰি কাগজেৰে প্ৰতিমা নিৰ্মাণ কৰি অধিবক্তা অঞ্জন তামুলীয়ে এই বছৰো দুৰ্গোৎসৱ পালনৰ আয়োজন কৰিছে কাঠনিবাৰী নিজা বাসগৃহত। বিগত বৰ্ষসমূহত নিজেই প্ৰতিমা নিৰ্মাণ কৰি দুৰ্গোৎসৱ পালন কৰি অহাৰ দৰে এইবছৰো লোকসকলে আজি ঢেঁকৰগঢ়াত প্ৰতিষ্ঠা কৰিলে প্ৰতিমা। প্ৰতিখন পূজা মণ্ডপতে শিল্পী জুবিন গাৰ্গ আৰু জন্ম-শতবৰ্ষৰ বাবে ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি শ্ৰদ্ধাঞ্জলি জনাব বুলিও সমিতিসমূহে উল্লেখ কৰিছে। সাধাৰণভাৱে সজা মণ্ডপসমূহত ৰং-ৰহস্যৰ পৰিৱৰ্তে নিয়মমাফিক অনুষ্ঠান আৰু চৰকাৰী নীতি-নিৰ্দেশনাৰ ভিত্তিত অনুষ্ঠিত কৰিবলগীয়া অঞ্চলটোৰ ২৯ স্থানৰ দুৰ্গোৎসৱ পালন সমিতিসমূহে দৰ্শনাৰ্থীসকলৰ উপস্থিতি কামনা কৰিছে।

# ৫ অক্টোবৰত জাতীয় জনগোষ্ঠীয় ঐক্যমঞ্চ, ডিব্ৰুগড়ৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত জুবিন গাৰ্গৰ সৰ্বধৰ্মীয় ৰাজহুৱা আদ্যশ্ৰাদ্ধ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ** অসমৰ ৰাইজৰ অতি আদৰৰ-হেঁপাহৰ তথা প্ৰাণৰ শিল্পী, অসমীয়া জাতিৰ স্বাভিমান, প্ৰতিটো জাতীয় সমস্যাতে মাত মাতি অহা গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, অভিনেতা, বোলছবি পৰিচালক, প্ৰযোজক, চিত্ৰনাট্যকাৰ, কবি, লেখক, প্ৰকৃতিপ্ৰেমী তথা মানৱ দৰদী জুবিন গাৰ্গ ১৯ আগষ্ট তাৰিখে সুদূৰ ছিংগাপুৰত মৃত্যুক সাৱতি ল'লে। তেখেতৰ মৃত্যুৰ সংবাদ পোৱাৰ লগে লগে অসমৰ লগতে বিশ্বৰ বিভিন্ন দেশত সিঁচৰতি হৈ থকা অসংখ্য গুণমুগ্ধই শোকত ম্ৰিয়মাণ হৈ পৰে। মৃত্যু দিনৰ পৰা সম্পূৰ্ণৰূপে পাঁচটা দিন সমগ্ৰ অসমৰ ৰাইজে স্বতঃস্ফূৰ্তভাৱে বন্ধ পালন কৰে আৰু সকলোৱে তেখেতৰ শিল্পী সত্তাৰ জীৱন আদৰ্শক সন্মান কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। যোৱা ২৩ ছেপ্টেম্বৰত গুৱাহাটীৰ সোণাপুৰত তেখেতৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। মুঠতে মৃত্যু দিনৰ পৰা অন্ত্যেষ্টিক্ৰিয়া হোৱালৈকে আটাইকেইদিন সমগ্ৰ অসমৰ মানুহে জনতাৰ শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জনাবলৈ গুৱাহাটীত ভীৰ কৰে। যাৰ ফলত সমগ্ৰ বিশ্বতে সংগীত শিল্পীগৰাকীৰ শেষ যাত্ৰাত অংশগ্ৰহণ কৰা মানুহৰ সংখ্যা দ্বিতীয় সৰ্বাধিক আৰু এচিয়াৰ ভিতৰত প্ৰথম হিচাপে পৰিগণিত হয়। এইক্ষেত্ৰত ডিব্ৰুগড়ৰ দল-সংগঠন তথা জাতি-জনগোষ্ঠী, ধৰ্ম নিৰ্বিশেষে ৰাইজৰ অংশগ্ৰহণ মন কৰিবলগীয়া। সেয়েহে জাতি-ধৰ্মৰ সংকীৰ্ণতাক কোনোদিন প্ৰশ্ৰয় নিদিয়া জনতাৰ শিল্পীগৰাকীক 'জাতীয়-জনগোষ্ঠীয় ঐক্যমঞ্চ, ডিব্ৰুগড়'ৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত অহা ৫ অক্টোবৰত ডিব্ৰুগড়ৰ চৌকিডিঙী খেল পথাৰত 'সৰ্বধৰ্মীয় ৰাজহুৱা আদ্যশ্ৰাদ্ধ'ৰ আয়োজন কৰা হৈছে। সকলো জাতি-জনগোষ্ঠী তথা সকলো ধৰ্মাৱলম্বী মানুহে আন্তৰিকতাৰে আৰু সক্ৰিয়তাৰে অংশগ্ৰহণ কৰিব লগা এই আদ্যশ্ৰাদ্ধলৈ সাদৰেৰে আমন্ত্ৰণ জনাইছে উদ্যোক্তাৰ হৈ ৰানাৰঞ্জন গগৈয়ে।

# কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী জীৱেশ ৰায়ে সাক্ষাৎ কৰিলে গৰিমা গাৰ্গক

## জুবিন গাৰ্গে পৰিৱেশন কৰা ৰাজবংশী ভাষাৰ গীতসমূহ সংৰক্ষণৰ প্ৰতিশ্ৰুতি

**অসম বাৰ্তা, লেংটিছিঙা, ২৮ ছেপ্টেম্বৰ ঃ** প্ৰয়াত জুবিন গাৰ্গৰ মৃত্যুতে সমগ্ৰ অসমৰ লগতে উত্তৰ-পূব ভাৰত শোকাহত। জনপ্ৰিয় শিল্পীগৰাকীৰ অকাল মৃত্যুৱে সমাজৰ সকলো ক্ষেত্ৰতে এক শূন্যতা সৃষ্টি কৰিছে। এই পৰিপ্ৰেক্ষিতত আজি বিয়লি কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ এটি সঁজাতি দলে গুৱাহাটীস্থিত জুবিন গাৰ্গৰ বাসগৃহত উপস্থিত হৈ জুবিন গাৰ্গৰ সহধৰ্মিনী গৰিমা গাৰ্গ আৰু শোকাহত পৰিয়ালবৰ্গৰ সৈতে সাক্ষাৎ কৰে। কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পৰিষদ জীৱেশ ৰায়ৰ নেতৃত্বত যোৱা দলে পৰিয়ালটোক গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰত জুবিন গাৰ্গে দিয়া অৱদানৰ কথা স্মৰণ কৰে। সজাতে দলটোত কাৰ্যবাহী সদস্য অতুল ৰায়, সুধীৰ ৰায়, উত্তম প্ৰধানী, সবিতা সিংহ আৰু পৰিষদৰ প্ৰধান সচিব দ্বীপন বৰ্মনো উপস্থিত আছিল। উল্লেখযোগ্য যে, সংগীতজগতৰ হাৰ্টথ্ৰৱ শিল্পীগৰাকীৰ মৃত্যুত ইতিমধ্যে কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যালয়ত এক শ্ৰদ্ধাঞ্জলি সভাৰো আয়োজন কৰা হৈছিল। আজিৰ এই সাক্ষাৎকালত মুখ্য কাৰ্যবাহী পৰিষদ জীৱেশ ৰায়ে গৰিমা গাৰ্গক আশ্বাস প্ৰদান কৰে যে জুবিন গাৰ্গে ৰাজবংশী ভাষাত পৰিৱেশন কৰা সকলো গীত বিশেষভাৱে সংৰক্ষণ আৰু নথিভুক্ত কৰা হ'ব। জীৱেশ ৰায়ে লগতে কয় যে- "জুবিন দাৰ গীত ৰাজবংশী সমাজৰো সাংস্কৃতিক সম্পদ। তেওঁ গোৱা প্ৰতিটো ৰাজবংশী গীত জনসাধাৰণৰ অন্তৰত অমৰ হৈ থাকিব। পৰিষদৰ পৰা আমি বিশেষ পদক্ষেপ লৈ এই গীতবোৰ সংৰক্ষণ, তথ্যভাণ্ডাৰত অন্তৰ্ভুক্ত আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰিম।"

# ডিব্ৰুগড়ত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ ৩১ জনীয়া নতুন সমিতি গঠন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ** যোৱা ২৭ ছেপ্টেম্বৰত 'ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহ ময়দান প্ৰেক্ষাগৃহ'ত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত সমিতিৰ শতাধিক লোকৰ উপস্থিতিত ডিব্ৰুগড় মহানগৰীৰ বিভিন্ন এলেকাৰ পৰা অহা গৰিয়া-মৰিয়া- জলহা জনগোষ্ঠীৰ উদ্যমী যুৱক সকলক জড়িত কৰি ইক্ৰাম আলিক সভাপতি, ইজাজ আহমেদক কাৰ্যকৰী সভাপতি আৰু আমিৰুল হুছেইনক সম্পাদক হিচাবে লৈ এখনি ৩১ জনীয়া শক্তিশালী সমিতি গঠন কৰা হয়। সভাত গৰিয়া- মৰিয়া-জলহা জনগোষ্ঠীৰ ৩৫ গৰাকী যুৱকে পৰিষদত যোগদান কৰে। নৱগঠিত মহানগৰ সমিতিখনক সাংবিধানিক শপত বাক্য পাঠ কৰোৱায় জিলা সমিতিৰ কাৰ্যকৰী সভাপতি নৌছাদ আলি আহমদে। জিলা সমিতিৰ সম্পাদক ইয়াকুব আলিয়ে আঁতধৰা আৰু সভাপতি ৰহিমুল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনিত বিশেষ নিমন্ত্ৰিত অতিথি হিচাপে চৌকত লতিফক সম্বৰ্দ্ধনা জনোৱাৰ লগতে জিলা সমিতিৰ মুখ্য উপদেষ্টাৰ বাবে তেওঁক মনোনীত কৰা হয়। সভাত কেন্দ্ৰীয় সমিতিৰ সহ-সম্পাদক তথা প্ৰতিনিধি ৰুবুল আলিও বক্তব্য ৰাখে। এই সভাত জিলা সমিতিৰ উপ সভাপতিদ্বয় ক্ৰমে কমৰুজ জামান, আলহজ নৱাব আজিজুল হক, জিলা কোষাধ্যক্ষ ৰুবুল আহমেদ, জ্যেষ্ঠ সহ-সম্পাদক আব্দুল হাদি, জিলা সাংগঠনিক সম্পাদকদ্বয় ক্ৰমে ইউনুচ আলি আহমেদ, নাজিম উদ্দিন আহমেদ আদিকে প্ৰমুখ্য কৰি জিলা সমিতিৰ অন্যান্য বিষয়ববীয়া উপস্থিত থাকি আগন্তুক সভাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰি সকলোৱে সহায়-সহযোগ নতুন সমিতিয়ে কামনা কৰিছে।

# মাধৱদেৱ ফাউণ্ডেশ্যনৰ বঁটা প্ৰদান-গ্ৰন্থ উন্মোচন অনুষ্ঠান

**অসম বাৰ্তা, নিমাতীঘাট, ৩০ ছেপ্টেম্বৰ ঃ** যোৰহাটৰ মহাপুৰুষ মাধৱদেৱ ফাউণ্ডেশ্যনৰ উদ্যোগত আজি কাছৰগড়ালত সুন্দৰ হাজৰিকা সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠান আৰু গ্ৰন্থ উন্মোচন হয়। ফাউণ্ডেশ্যনৰ সভাপতি প্ৰদীপ চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৰাতুল বৰুৱাই প্ৰণয়ন কৰা বিশ্বপ্ৰভু শ্ৰী কৃষ্ণৰ অৱতাৰ, লীলা আৰু অৰ্জুন ভঞ্জন উন্মোচন কৰি অসম সাহিত্য সভাৰ প্ৰধান সচিব অশোক সেনাপতিয়ে মাধৱদেৱ ফাউণ্ডেশ্যনে গ্ৰহণ কৰা কাৰ্যসূচীৰ প্ৰশংসা কৰে। ফাউণ্ডেশ্যনৰ সম্পাদক ৰাতুল বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বক্তব্য প্ৰদান কৰি অসম সাহিত্য সভাৰ ধনভঁৰালী মণিৰাম লাহনে মহাপুৰুষ মাধৱদেৱক শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ দৰে অনুষ্ঠানেও গুৰুত্ব প্ৰদান নাইকৰা বুলি আক্ষেপ প্ৰকাশ কৰে। প্ৰতাপ হাজৰিকাই ঘোষা পাঠেৰে আৰম্ভ কৰা সভাত অধিবক্তা ৰবীন চন্দ্ৰ বৰাই বক্তব্য প্ৰদান কৰে। প্ৰয়াত সুন্দৰ হাজৰিকাৰ বাসগৃহত অনুষ্ঠিত সভাত অৰ্জুন ভঞ্জন যাত্ৰা গ্ৰন্থ বিষয়ত অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাত শ্ৰেষ্ঠ স্থান লাভ কৰা তেজপুৰ গহপুৰৰ ছাত্ৰী এনি ভূঞাক দহ হাজাৰ টকাৰ ধনাদেশ আৰু মানপত্ৰ প্ৰদান কৰে। লৱণ, লক্ষণ, গৌৰী, অৱনি, লোহিত হাজৰিকাই পিতৃৰ সোঁৱৰণত আগ বঢ়োৱা বঁটা প্ৰদান অনুষ্ঠানত অৱসৰপ্ৰাপ্ত অধ্যাপক অৰ্পণ বৰুৱা প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে।

**নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ মুকালমুৱা আৰক্ষী থানাৰ নিচেই কাষৰ পৰা চোৰে লৈ গ'ল এখন ই-ৰিস্কা**

# বৰক্ষেত্ৰীত চোৰে নাকত ধৰি চাকত ঘূৰাইছে আৰক্ষীক

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৮ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ মুকালমুৱা আৰক্ষী থানাৰ নিচেই কাষৰ পৰা চোৰে লৈ গ'ল এখন ই-ৰিস্কা। বৰক্ষেত্ৰীত এতিয়া চোৰে নাকত ধৰি চাকত ঘূৰাইছে অসম চৰকাৰৰ স্মাৰ্ট আৰক্ষীক। উল্লেখ্য যে ২ নং জয়সাগৰৰ আবেদুৰ ৰহমান নামৰ যুৱক এজনৰ YC যাত্ৰী কোম্পানীৰ ৰঙা ৰঙৰ ই-ৰিস্কা এখন চুৰি হোৱাত হাহাকাৰ লাগিছে পৰিয়ালটোৰ। চুৰি হোৱা ই-ৰিস্কা খনৰ নম্বৰ হৈছে AS14 ER 6310 মুকালমুৱা আৰক্ষী থানাৰ নিচেই কাষৰ বৰফৰ ফেক্টৰীৰ পিছফালে ই- ৰিস্কাখন থৈ যাত্ৰীৰ সৈতে চক্ৰধৰ ডেকা সোঁৱৰণী ফুটবল খেলৰ ফাইনেল খেল চাবলৈ গৈছিল ই ৰিস্কা চালক আবেদুৰ ৰহমান নামৰ যুৱকজনে। খেল চলি থকাৰ সময়ত আবেলি ৪.১৭ বজাত সংঘটিত হয় এই চুৰিকাণ্ডৰ। ইতিমধ্যে চুৰি হোৱা সমগ্ৰ ঘটনা চি চি কেমেৰাত বন্দী হৈছে বুলি জনাইছে পৰিয়ালৰ লোকে। হালধীয়া ৰঙৰ স্পৰ্টিং পৰিহিত চোৰজন মুকালমুৱা সাপ্তাহিক বজাৰৰ ৰাস্তাৰে যোৱা সমগ্ৰ ঘটনা ইতিমধ্যে চি চি কেমেৰাত আবদ্ধ হৈছে। ঘটনা সংক্ৰান্তত পৰিয়ালৰ লোকে মুকালমুৱা আৰক্ষী থানাত উক্ত দিনা অৰ্থাৎ ২৭ ছেপ্টেম্বৰৰ নিশা এজাহাৰ দাখিল কৰিছে যদিও এতিয়াও সন্ধান লাভ কৰা নাই ই-ৰিস্কাখনৰ সৈতে চোৰটোৰ। এই চুৰিকাণ্ডৰ ঘটনা পোহৰলৈ অহাৰ পিছতে সমগ্ৰ বৰক্ষেত্ৰী অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। কোনো সদাশয় লোকে ই-ৰিস্কাখনৰ সন্ধান লাভ কৰিলে মুকালমুৱা আৰক্ষী থানাত যোগাযোগ কৰাৰ লগতে ৮৬৩৮২৭৯১১৬ নম্বৰত পৰিয়ালৰ লোকেৰে যোগাযোগ কৰিব পাৰিব। উল্লেখ্য যে বৰক্ষেত্ৰীৰ ২ নং জয়সাগৰৰ খৈবাৰ আলী আৰু ছানৰূপী খাতুনৰ কনিষ্ঠ পুত্ৰ আবেদুৰ ৰহমানৰ উপাৰ্জনৰ একমাত্ৰ আহিলা ই-ৰিস্কাখন চুৰি হোৱাত হাহাকাৰ লাগিছে যুৱকজনৰ পৰিয়ালটোত। পিছে চুৰি হোৱা ই-ৰিস্কাৰ সৈতে চোৰৰ সন্ধান উলিয়াবলৈ সক্ষম হ'বনে মুকালমুৱা আৰক্ষীয়ে?

## পূজাৰ আনন্দৰ মাজত নগাঁৱত চুৰি

**অসম বাৰ্তা, বঢ়মপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** নগাঁৱত দুৰ্গাপূজাৰ আনন্দৰ মাজতে নগাঁৱত অঘটন। ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰে চলালে চাফাই অভিযান। এই বাৰ নগাঁৱৰ বৰভেটি গৰীয়া গাঁৱৰ হিমা বেগম নামৰ মহিলা গৰাকীৰ ঘৰত চোৰে চলাই চাফাই অভিযান। ঘৰৰ গ্ৰীল ভাঙি ভিতৰত প্ৰবেশ কৰি বিভিন্ন সামগ্ৰী লণ্ড-ভণ্ড কৰাৰ লগতে পাছ লাখ টকা মূল্যৰ সোণৰ অলংকাৰ আৰু ১০ হাজাৰ নগদ ধন লৈ উধাও হয় চুৰৰ দল। ঘটনা সন্দৰ্ভত ভুক্তভোগী মহিলা গৰকীয়ে নগাঁও হয়বৰগাঁও আৰক্ষী চকীত এজাহাৰ দাখিল কৰে।

# কচুৱাত পকী পথৰ দুৰৱস্থা

## জহি-খহি যোৱা মাধৱপাৰা লংজাপ সংযোগী পথৰ মেৰামতিৰ দাবী ৰাইজৰ

**অসম বাৰ্তা, কচুৱা, ৩০ ছেপ্টেম্বৰ ঃ** ৬১ নং ৰহা বিধান সভা সমষ্টিৰ অন্তৰ্গত কচুৱাৰ মাধৱপাৰাৰ পৰা লংজাপ সংযোগী পকী পথটোৰ কেইবা ঠাইত জহি খহি যোৱাৰ লগতে বহু ঠাইত ডাবি যোৱাত সম্প্ৰতি পথটো যাতায়তৰ অনপোযোগী হোৱা পৰিলক্ষিত হৈছে। জানিব পৰা মতে মাধৱপাৰাৰ পৰা লংজাপ বজাৰ সংযোগী যোৱা প্ৰায় ৭ কিলোমিটাৰ অতি গুৰুত্বপূৰ্ণ পথছোৱা জহি-খহি যোৱাত পথছোৱাৰে মাল টনা বাহন, মটৰ চাইকেল সমূহ চলাচল কৰিব নোৱাৰাত জন-গণৰ উপৰি ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, কৃষক সকল যাতায়তৰ নৰক যন্ত্ৰণা ভুগীব লগাত পৰিছে। বিশেষকৈ যোৱা কিছুদিন পূৰ্বে বৰপানী নদীৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত উক্ত পথটোৰ ওপৰেদি ঠায়ে ঠায়ে পানী বাগৰি যোৱাত পথছোৱা জহি-খহি গৈছিল। যাৰ বাবে যাতায়তৰ ক্ষেত্ৰত বৰ্তমান যমৰ যন্ত্ৰণাত ভুগিব লগা হৈছে ৰাইজৰ। সেয়ে পথটো অতি শীঘ্ৰেই পুনৰ মেৰামতি কৰাৰ ব্যৱস্থা কৰি দিবলৈ বিভাগীয় কৰ্তৃপক্ষ আৰু ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসক ৰাইজে দাবী জনাইছে।

# পথালিপাহাৰ দিলিপপুৰত "জুবিন গাৰ্গৰ নাহৰৰ গাঁও" শীৰ্ষক বৃক্ষৰোপণ কাৰ্যসূচী



**অসম বাৰ্তা, বান্দৰদেৱা, ৩০ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ আজি মহাসপ্তমী পূজা। এইবাৰ জুবিনবিহীন ৰাজ্যবাসীৰ বাবে শাৰদীয় পূজা একেবাৰে স্তিমিত। সেয়েহে আজিৰ দিনটোত লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বিহপুৰীয়া সমষ্টিৰ পথালিপাহাৰ পঞ্চায়তৰ অন্তৰ্গত দিলিপুৰস্থিত কৃষি সেৱা আৰু সংসাধন কেন্দ্ৰত "সেউজদ্বীপ ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী"ৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত "জুবিন গাৰ্গৰ নাহৰৰ গাওঁ" শীৰ্ষক বৃক্ষৰোপণ কাৰ্যসূচী হাতত লয়। কোম্পানীটোৱে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই প্ৰায় ১০০ জোপা নাহৰ পুলি ৰোপণ কৰা পৰিকল্পনা কৰে। আজিৰ অনুষ্ঠানটোৰ আৰম্ভণিতে পথালিপাহাৰৰ বিশিষ্ট সমাজকৰ্মী তথা শিক্ষক ক্ৰমে বিশ্বেশ্বৰ দত্ত আৰু দিলীপ দত্তই হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে ১০০ জোপা নাহৰ পুলি ৰোপণত ৰাইজৰ উপৰিও মুখ্য ৰোপক হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে, বকুল বৰা, ললিত শইকীয়া আৰু কেশৱ শইকীয়াই। সেউজদ্বীপ ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীৰ বাবুল খাৰঘৰীয়া, জয়ৰাম ঠেঙাল, তোলন বসুমতাৰী, অনুপম বৰা আৰু ধনটি ভূঞা আদি বিষয়ববীয়া সকল উপস্থিত থকা পৰিলক্ষিত হয়।

**চিত্ৰাংকণ প্ৰতিযোগিতাত শতাধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ**

# পুৰণিগুদাম প্ৰেছ ক্লাবৰ শাৰদীয় শিশু গ্ৰন্থমেলা আৰম্ভ

**বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি**

**অসম বাৰ্তা, পুৰণিগুদাম, ৩০ ছেপ্টেম্বৰ ঃ** আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে পুৰণিগুদাম প্ৰেছ ক্লাবৰ উদ্যোগত আৰম্ভ হৈছে শাৰদীয় শিশু গ্ৰন্থমেলা। "পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক" শীৰ্ষক বাণীৰে ১৯৯৬ চনৰ পৰা অনুষ্ঠিত হৈ অহা শাৰদীয় পুৰণিগুদাম শিশু গ্ৰন্থমেলাখনি আজি পুৱা পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হয়। পুৰণিগুদাম প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি তপন কটকীয়ে আৰু শিশু গ্ৰন্থমেলাৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি হেমন্ত শইকীয়াই। ইয়াৰ পাছতে বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত পুৰণিগুদাম প্ৰেছ ক্লাবৰ সমূহ কৰ্মকৰ্তাই সহযোগ কৰে। ইফালে, পুৰণিগুদাম প্ৰেছ ক্লাবৰ প্ৰয়াত সাংবাদিক জয়ন্ত ভূঞা, দিগন্ত ভূঞা, নীলাভ জ্যোতি হাজৰিকা আৰু ধনটি হীৰাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে প্ৰেছ ক্লাবৰ সদস্যসকলৰ লগতে নাট্যকৰ্মী পূৰ্ণানন্দ বাৰিক, খগেন কুমাৰ গায়ন আৰু প্ৰেছ ক্লাবৰ সমূহ কৰ্মকৰ্তাই। ইয়াৰ পাছতে গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা গগন তালুকদাৰে। দুপৰীয়া ১১ বজাৰ পৰা "সকলোৱে পাব পুৰস্কাৰ" শীৰ্ষক চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ তত্ত্বাৱধায়ক হিচাপে উপস্থিত থাকে চিত্ৰশিল্পী প্ৰাণজিৎ চাংমাই আৰু শুভাশীষ পঞ্চানন। এই চিত্ৰাংকণ প্ৰতিযোগিতাত নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগে সহযোগিতা আগবঢ়ায়। স্বচ্ছতাৰ সজাগতাৰ ওপৰত বিভাগটোৱে পুৰণিগুদাম প্ৰেছ ক্লাবৰ লগত সহযোগিতা কৰে। চিত্ৰাংকণ প্ৰতিযোগিতাৰ "ক" শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ক্ৰমে দ্বিৰাশ্ৰী বৰা, পৰিণীতা বৰা আৰু শৰ্মিষ্ঠা শইকীয়া। "খ" শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ক্ৰমে প্ৰজ্ঞান জ্যোতি বৰা, নীহাৰিকা হাজৈ আৰু মাধুৰ্য্য তামুলী। "গ" শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ক্ৰমে অভিজ্ঞান কৌশিক বৰা, ধৃতিৰাজ শাণ্ডিল্য আৰু চিন্ময়ী শৰ্মাই। চিত্ৰাংকণ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলোকে পুৰস্কাৰ হিচাপে গ্ৰন্থ আৰু প্ৰমাণপত্ৰ প্ৰদান কৰে পুৰণিগুদাম প্ৰেছ ক্লাবে। ইফালে, প্ৰতিটো শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰা সকলক একোটাকৈ গঁড়ৰ প্ৰতীক, জুবিন গাৰ্গৰ গীতৰ ওপৰত একোখনকৈ গ্ৰন্থ প্ৰদান কৰাৰ লগতে মানপত্ৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, বিগত বৰ্ষৰ দৰে বহুকেইটা উল্লেখযোগ্য কাৰ্যসূচীৰে এইবাৰ গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছিল। কিন্তু অসমীয়াৰ হিয়াৰ আমঠু বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যু হোৱা বাবে সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰি প্ৰয়াত শিল্পীগৰাকীক লৈ কেইবাটাও কাৰ্যসূচী নিৰ্ধাৰণ কৰিছে পুৰণিগুদাম প্ৰেছ ক্লাবে। অহা কালিলৈ গ্ৰন্থমেলাৰ বাকৰিত "জুবিন গাৰ্গ আৰু গ্ৰন্থ" শীৰ্ষক এক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। এই আলোচনা চক্ৰত পুৰণিগুদামৰ শিল্পী, সাহিত্যিক, ব্যৱসায়িকে ধৰি পুৰণিগুদামৰ নৱপ্ৰজন্ম আৰু পুৰণিগুদামৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। শাৰদীয় শিশু গ্ৰন্থমেলাৰ সকলো কাৰ্যসূচীত পুৰণিগুদামবাসীৰ সহায় সহযোগিতা কামনা কৰিছে পুৰণিগুদাম প্ৰেছ ক্লাবে।

# আমেৰিকাৰ মেচিগানতো জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি নিবেদন



**অসম বাৰ্তা, নগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক দেহাৱসানে পৃথিৱীৰ বিভিন্ন প্ৰান্তত বসবাস কৰা প্ৰতিজন অসমীয়াৰ জীৱনক গভীৰভাৱে প্ৰভাৱিত কৰিছে। শিল্পী গৰাকীৰ বিদেহী আত্মাক শ্ৰদ্ধাঞ্জলি জনাই তথা মহান শিল্পী গৰাকীৰ স্মৃতিত যোৱা ২৭ ছেপ্টেম্বৰতো আমেৰিকাৰ মিচিগান ৰাজ্যৰ অসমীয়া বাসিন্দা সকলে 'অসমীয়া মিচিগান সংস্থা' (AAMI)-ৰ বেনাৰত এখন ৰাজহুৱা উদ্যানত এক শোক সভাৰ আয়োজন কৰে। এই অনুষ্ঠানৰ পৃষ্ঠপোষকতা কৰে লোভা হাজৰিকা আৰু মহেশ চিৰলাই। অনুষ্ঠানটো সঞ্চালনা কৰে চিৰঞ্জিত বৰদলৈয়ে। তেওঁ জুবিন গাৰ্গৰ জীৱন, শিল্পযাত্ৰা আৰু অৱদানৰ ওপৰত বিস্তৃতভাৱে বক্তব্য প্ৰদান কৰে, লগতে সংস্কৃত শ্লোক আৰু অসমীয়া প্ৰাৰ্থনাৰ জৰিয়তে শিল্পী গৰাকী লৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁক অনুষ্ঠানটি নিয়াৰিকৈ চলায় নিয়াত আশাপূৰ্ণা শৰ্মা আৰু অংশুমান গোস্বামীয়ে সহায় কৰে। তাৰ পাছত, সুদীপ্ত মুখাৰ্জীয়ে ভজন আৰু অসমীয়া কীৰ্তন-ঘোষা গাই জুবিন দাক স্মৰণ কৰে। উদীয়মান কণ্ঠশিল্পী পৰশ প্ৰতিম বৰুৱাই জুবিন গাৰ্গৰ কেইবাটাও জনপ্ৰিয় গীত গাই সকলোকে আৱেগিক কৰি তোলে। পল্লৱ ডেকা, অঞ্জৰী দত্ত আৰু ধাৰা বৰুৱা গোস্বামীয়েও কেইটিমান জুবিন গাৰ্গৰ জনপ্ৰিয় গীত পৰিৱেশন কৰে। তেওঁলোকৰ লগত বিশাল শৰ্মা আৰু বিতোপন শইকীয়াই বাদ্যযন্ত্ৰ সংগত কৰে। মিচিগান ভ্ৰমণৰত নগাঁও জিলাৰ ৰহাৰ দিপ্তী দেৱী শৰ্মাই জুবিন গাৰ্গৰ ওপৰত স্ব-ৰচিত এটি কবিতা আবৃত্তি কৰে আৰু কিছু কথা সদৰি কৰে। লগতে, অসমৰ এগৰাকী খ্যাতনামা সংগীতজ্ঞ, গায়ক, সুৰকাৰ, গীতিকাৰ, চলচ্চিত্ৰ নিৰ্মাতা আৰু সংগীত প্ৰযোজক মানস ৰবীনে ভিডিঅ' বাৰ্তা প্ৰেৰণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। পেচাদাৰী গায়ক আৰু সংগীত পৰিচালক ফাৰিদ হুছেইনে জুবিন গাৰ্গৰ "মায়াবিনী" গীতত কণ্ঠদান কৰি শোকসভাত অংশগ্ৰহণ কৰে। কানাডা নিবাসী মৃদুশ্যাম তালুকদাৰৰ মেণ্ডোলিনত বাদন কৰা জুবিন গাৰ্গৰ জনপ্ৰিয় গীতৰ তালে তালে উপস্থিত দৰ্শকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ অন্তত, উপস্থিত সকলোজনে একেলগে গায় "মায়াবিনী" শীৰ্ষক জনপ্ৰিয় গীতটো। প্ৰতিজন ব্যক্তিৰ অশ্ৰুসিক্ত নয়ন আৰু থুকাথুকি মাতে গোটেই পৰিৱেশটোকে আৱেগিক কৰি তুলিছিল। তেওঁলোকৰ হৃদয়ে যেন চিঞৰি চিঞৰি কৈছিল - "মৰমৰ জুবিনদা তোমাৰ গীতৰ মাজেৰে তুমি আমাৰ হৃদয়ত চিৰকাল চিৰন্তন অমৰ হৈ থাকিবা।"

# অভয়াপুৰীৰ ৰাজ পৰিয়ালৰ দুৰ্গা পূজাত ছাগলী বলিৰে সম্পন্ন সপ্তমী পূজা

## গান্ধী ময়দানৰ পূজাস্থলীত শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাৰ্থে মনোৰঞ্জনৰ অনুষ্ঠান বাতিল

**অসম বাৰ্তা, অভয়াপুৰী, ৩০ ছেপ্টেম্বৰ ঃ** সাংস্কৃতিক ক্ষেত্ৰখনেৰে নহয়, মানৱীয় প্ৰমূল্যবোধৰ অধিকাৰী জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধৰ দিনটোত সকলো লোক শোক বিহ্বল হৈ থকাৰ সময়তে বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাৰ অন্তৰ্গত পূজা মণ্ডপত অনুষ্ঠিত হৈছে দেৱী বন্দনা। কালি বেলবোধন আমন্ত্ৰণেৰে দুৰ্গা দেৱীক ষষ্ঠীৰ পাটত অধিষ্ঠিত কৰাৰ পাচত আজি সপ্তমী পূজা অনুষ্ঠিত হয়। অভয়াপুৰী ৰাজ পৰিয়ালৰ দুৰ্গা পূজাত দেৱী বন্দনাৰ সমান্তৰালকৈ ছাগলী বলিৰে সম্পন্ন কৰে সপ্তমী পূজা। কাইলৈও অষ্টমী পূজা উপলক্ষে দুৰ্গা মন্দিৰ আৰু কালী মন্দিৰত কেবাটাও ছাগলী বলি দিয়াৰ লগতে নৱমী, দশমীতো ছাগলী বলি দিয়া কাৰ্য অব্যাহত থাকিব। দুৰ্গা দেৱীৰ সমান্তৰালকৈ কুলদেৱী, অভয়া, মনসা দেৱীৰো পূজা অব্যাহত ৰাখিব। উল্লেখ্য যে, ১৮৯৭ চনৰ বৰভুইকপৰ পাছত ডুমুৰীয়াৰ পৰা অভয়াপুৰীলৈ বিজনীৰ ৰাজ-ইষ্টেটৰ ৰাজধানী স্থানান্তৰিত কৰাৰ পাচৰে পৰা ৰাজ পৰিয়ালৰ পৃষ্ঠপোষকতাত অভয়াপুৰীত দুৰ্গা পূজা অনুষ্ঠিত কৰি আহিছে। ইয়াৰ সমান্তৰালকৈ নাতিদূৰৈৰ গান্ধী ময়দানতো ৬৯ সংখ্যক দুৰ্গাপূজা আৰু মেলা অনুষ্ঠিত হৈছে। গান্ধী ময়দানত ইতিমধ্যে বিভিন্ন স্থানৰ পৰা অসংখ্য ব্যৱসায়ীয়ে নিজৰ-নিজৰ বিপনীসমূহ সজাই-পৰাই তোলা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, পূজা পৰিচালনা সমিতিয়ে বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰিছিল যদিও শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই পূজাৰ লগত সংগতি নথকা সকলো অনুষ্ঠান বাতিল কৰে। ইয়াৰ বিপৰীতে জুবিনৰ প্ৰতিচ্ছবি স্থাপন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য যঁছাৰ ব্যৱস্থা কৰে। তেনেদৰে সমজিলাৰ অধীনস্থ উত্তৰ শালমাৰা, অভয়াপুৰীৰ অষ্টম অসম আৰক্ষী বাহিনী চৌহদ, শিৱপুৰ, যোগীঘোপা, চলন্তাপাৰা, মালেগড়ৰ গোবিন্দপুৰ, গান্ধীবস্তি, মোৱামাৰী, কচুদোলা, সৃষ্টিৰপাৰ, আমগুৰি, লেংটিছিঙা, সৃজনগ্ৰামৰ বৰঘোলা, দৰকিনামাৰী, কীৰ্তনপাৰা, গোলাপাৰা দ্বিতীয় খণ্ড আদি অঞ্চলতো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

## ডুমডুমাত জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৩০ ছেপ্টেম্বৰ ঃ** 'বৃহত্তৰ অসমীয়া যুৱ মঞ্চ'ৰ ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত তথা ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সহযোগত 'জনতাৰ শিল্পী' জুবিন গাৰ্গৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে অহা ১ অক্টোবৰ, বুধবাৰে ডুমডুমা শাখা সাহিত্য সভা ভৱন প্ৰাংগণত ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাতিপুৱা ৯-০০ বজাৰ পৰা নাম প্ৰসংগ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত হ'ব। এই ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ প্ৰতিটো কাৰ্যসূচীত সকলোৱে উপস্থিতি আৰু সহযোগিতা উদ্যোক্তা সকলে কামনা কৰিছে।

**শংকৰ শিৰোমণি দিহা নাম দল শ্ৰেষ্ঠ**

# প্ৰাইজমানি দিহা নাম প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, আমগুৰি, ৩০ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ জাঁজী হাঁহচৰাৰ অগ্ৰগামী চেমনীয়া দিহানাম দলৰ উদ্যোগত যোৱা ২৭ ছেপ্তেম্বৰত অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিক প্ৰাইজমানি দিহা নাম প্ৰতিযোগিতাত শিৱসাগৰৰ শংকৰ শিৰোমণি দিহানাম দলে প্ৰথম স্থান লাভ কৰিছে। জাঁজী হাঁহচৰা পূৰেৰুণ কৃষ্টি সমাজ প্ৰেক্ষাগৃহত আয়োজিত এই প্ৰতিযোগিতাত ১৫ টাতকৈও অধিক প্ৰতিযোগী দলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত কালুগাঁৱৰ সত্যসন্ধ্যা দিহা নাম আৰু যোৰহাটৰ হৰিপ্ৰিয়া শিল্পী সমাজে যুটীয়াভাৱে দ্বিতীয় স্থান, দুলীয়াজানৰ কপৌ ফুল শিল্পী সমাজ আৰু হাতীঘুলি শিল্পী সমাজে যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰে। আনহাতে হৰিপ্ৰিয়া শিল্পী সমাজে শ্ৰেষ্ঠ খোল বাদক, হাঁহচৰাৰ মণিকাঞ্চন দিহা নামৰ দলে শ্ৰেষ্ঠ নাগাৰা বাদক আৰু কালুগাঁৱৰ সত্যসন্ধ্যা দিহা নামৰ দলে শ্ৰেষ্ঠ নামতিৰ সন্মান লাভ কৰে।

# চৰাইবাহীত জুবিন গাৰ্গৰ স্মৃতিত 'ইউকেলিপ্টাছৰ দৰে ওখ হ'ব খোজো মই' কাব্যগ্ৰন্থ উন্মোচন

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** আজি অসমীয়াৰ এটা সত্তা হেৰাই যোৱা ১১ দিন হ'ল। অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ। আজিৰ এই আদ্যশ্ৰাদ্ধৰ দিনটোতে মৰিগাঁও জিলাৰ বৃহত্তৰ চৰাইবাহীত শিল্পী জনাক শ্ৰদ্ধা জনাই এখন কাব্যগ্ৰন্থ উন্মোচন কৰা হয়। চৰাইবাহী মহাবিদ্যালয়ৰ অধক্ষ্য ড° কমল চন্দ্ৰ নাথৰ সম্পাদনাত আৰু তেখেতৰ বাসগৃহত আজি শিল্পী জনাৰ এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। চৰাইবাহী মহাবিদ্যালয়ৰ অধক্ষ্য ড° কমল চন্দ্ৰ নাথে আঁত ধৰা অনুষ্ঠানটিত চৰাইবাহী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা ড° নাজমা বেগম, বিশিষ্ট লেখিকা মৃণালিনী দেৱী, লেখক নিখিল ৰঞ্জন গোস্বামীৰ লগতে কেবাগৰাকী লেখক, লেখিকা উপস্থিত থকা এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত প্ৰকাশিত 'ইউকেলিপ্টাছ দৰে ওখ হ'ব খোজো মই' শীৰ্ষক কাব্যগ্ৰন্থ উন্মোচন কৰে মৰিগাঁৱৰ বিশিষ্ট লেখক জনাৰ্দন শৰ্মাই। উল্লেখ যে কাব্যগ্ৰন্থ খনৰ সম্পাদক তথা চৰাইবাহী মহাবিদ্যালয় অধক্ষ্য ড° কমল চন্দ্ৰ নাথে প্ৰাণৰ শিল্পী গৰাকীৰ স্মৃতিত এইখনেই মৰিগাঁও জিলাৰ ভিতৰতে প্ৰথমখন গ্ৰন্থ বুলি উল্লেখ কৰে।

# ৰূপহীহাটত ৰাইজৰ ৰোষত ছাগলী চোৰ

**অসম বাৰ্তা, ৰূপহীহাট, ৩০ ছেপ্টেম্বৰ ঃ** ৰূপহীহাটৰ কাঞ্চনপুৰত ৰাইজৰ ৰোষত পৰে এটা ছাগলী চোৰ। আজি পুৱাৰ ভাগত এএছ-০২-বিচি-৬৯৬৬ নম্বৰৰ টেম্পু এখনৰে আহিছিল ছাগলী চোৰ দুটা। চোৰ দুটাই কাঞ্চনপুৰৰ ফাইজুৰ ৰহমানৰ এটা ছাগলী চুৰি কৰি টেম্পুত উঠোৱাৰ সময়তে স্থানীয় দুগৰাকী মহিলাই প্ৰত্যক্ষ কৰি হুৱা-দুৱা লগাই। যাৰ বাবে ছাগলী চোৰ দুটাই তীব্ৰ গতিৰে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। মহিলা দুগৰাকীৰ হুৱাদুৱা দেখি স্থানীয় যুৱক দুজনে বাইকেৰে চোৰৰ টেম্পুৰ পিছে পিছে খেদি ছাইফুল ইছলাম নামৰ চোৰটোক আটক কৰে আৰু এটা চোৰ ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ৰাইজৰ ৰোষত পৰা ছাইফুল ইছলাম নামৰ চোৰটোৰ ঘৰ ছোট ৰূপহীত। ৰাইজে চোৰটোক ৰছীৰে বান্ধি উত্তম মাধ্যম সুধাই ৰূপহীহাট আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ চোৰটোক আটক কৰাৰ লগতে টেম্পুখন জব্দ কৰে। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত চোৰটোক জেৰা অব্যাহত ৰাখিছে।

## সম্পাদকীয়

# এক নিৰ্মম বাস্তৱ

নেশ্যনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ' (NCRB)ৰ শেহতীয়া প্ৰতিবেদনখনে আমাৰ দেশৰ ভৱিষ্যত প্ৰজন্মৰ ওপৰত নামি অহা বিপদৰ এক ভয়াৱহ আৰু মাৰাত্মক ছবি আমাৰ সন্মুখত উপস্থাপন কৰিছে। ২০২৩ চনত শিশুৰ বিৰুদ্ধে অপৰাধৰ ১, ৭৭, ৩৩৫টা গোচৰ পঞ্জীয়ন হোৱাটো কোনো কম সংখ্যা নহয়, ই হৈছে আমাৰ সমাজৰ নৈতিক আৰু মানৱীয় ভেঁটি ফাট মেলাৰ এক কৰুণ আৰু ভয়ংকৰ প্ৰমাণ। বিশেষকৈ অসমত ৮৪.২ শতাংশৰ এই উদ্বেগজনক বৃদ্ধিয়ে আমাৰ শিশুসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত থকা ব্যৰ্থতাৰ এক কঠোৰ বাস্তৱতাৰ সৈতে আমাক আবদ্ধ কৰিছে। এই প্ৰতিবেদনে এটা স্পষ্ট সংকেত দিছে যে শিশুৰ বিৰুদ্ধৰ অপৰাধ এতিয়া এক ৰাষ্ট্ৰীয় সংকটত ৰূপান্তৰিত হৈছে। এই প্ৰতিবেদনৰ আটাইতকৈ ব্যথিত কৰা দিশটো হ'ল ভুক্তভোগী শিশুসকলৰ বয়সৰ তালিকা। ছয় বছৰৰ তলৰ ৭৬২জন, ছয়ৰ পৰা বাৰ বছৰৰ ৩,২২৯জন—এই সংখ্যাবোৰে আমাৰ সমাজৰ আটাইতকৈ অসহায় আৰু সৰল শ্ৰেণীটোৰ প্ৰতি হোৱা নৃশংসতাৰ মাত্ৰা কেনে গভীৰ, সেয়া দেখুৱাইছে। ধৰ্ষণৰ দৰে পাশৱিক অপৰাধৰ বেছিভাগ ক্ষেত্ৰতে ছোৱালী শিশুহে ভুক্তভোগী হোৱাটোৱে আমাৰ লিংগভিত্তিক হিংসাৰ সৈতে জড়িত এক গভীৰ ৰোগৰ ইংগিত দাঙি ধৰে। ৰাজ্যবোৰৰ তালিকাত মধ্যপ্ৰদেশ শীৰ্ষস্থানত থাকিলেও অসমৰ স্থান আৰু বৃদ্ধিৰ হাৰ (৮৪.২ শতাংশ) আমাৰ বাবে বিশেষভাৱে উদ্বেগৰ কাৰণ। এই তথ্যই আমাৰ ৰাজ্যৰ আইন-শৃংখলা আৰু শিশু সুৰক্ষা ব্যৱস্থাৰ ওপৰত এক গুৰুত্বপূৰ্ণ প্ৰশ্নবোধক চিহ্ন দাঙি ধৰে। সাধাৰণ মানুহে এই তথ্য শুনি নিশ্চয় ভাবিবলৈ বাধ্য হয়—কিয় আমাৰ ৰাজ্যত এইদৰে শিশুৰ বিৰুদ্ধে অপৰাধ বাঢ়ি গৈছে? শিশু সুৰক্ষাৰ বাবে গঠন কৰা সকলোবোৰ সংস্থা, আইন-কানুনবোৰ কিয় ইমান নিৰ্ধাৰিতভাৱে ব্যৰ্থ হ'বলৈ ধৰিছে? আনহাতে, চাৰ্জশ্বিট দাখিল কৰাৰ হাৰৰ ক্ষেত্ৰত থকা ব্যাপক অসমতাৰ কথাও এই প্ৰতিবেদনে উল্লেখ কৰিছে। তামিলনাডু আৰু অন্ধ্ৰপ্ৰদেশত ৯০ শতাংশৰো অধিক চাৰ্জশ্বিট দাখিল কৰা হৈছে, কিন্তু দিল্লী (৩১.৭ শতাংশ) আৰু হাৰিয়ানা (৩৯.৬ শতাংশ)ৰ দৰে ৰাজ্যত এই হাৰ অতিহীন। এই তথ্যই এটা কথাকে প্ৰমাণ কৰে যে, অপৰাধ পঞ্জীয়ন কৰাটোৱে কেৱল প্ৰথম পদক্ষেপ মাত্ৰ। ন্যায় যেতিয়া বিলম্বিত হয়, তেতিয়া অপৰাধীসকল উৎসাহিত হয় আৰু ভুক্তভোগীসকলৰ ওপৰত অন্যায়ৰ পুনৰাবৃত্তি হয়। সাধাৰণ নাগৰিকৰ মনত এইক্ষেত্ৰত নানা ধৰণৰ সংশয়ে ঠাই পায়— গোচৰ ৰুজু কৰাটোৱেই নেকি চৰম লক্ষ্য? অপৰাধীসকলক শাস্তি পোৱালৈকে ৰাজ্যই কিয় দায়বদ্ধ নহয়? শিশু ভুক্তভোগীসকলক ন্যায় প্ৰদান কৰিবলৈ কিয় এনে ধীৰ গতিৰ কাৰ্য্যক্ৰম? শিশু অপহৰণৰ ৭৯, ৮৮৪টা আৰু POCSO আইনৰ অধীনত ৬৭, ৬৯৪টা গোচৰে এই দুৰ্ভাগ্যজনক সত্যকে প্ৰতিফলিত কৰে যে, শিশুসকলৰ বিৰুদ্ধে হোৱা অপৰাধবোৰৰ এটা ডাঙৰ অংশ সংঘটিত হয় শিশুক স্পৰ্শকাতৰতাৰ সৈতে জড়িত। ইয়াৰ উপৰিও, বাল্যবিবাহ নিষেধাজ্ঞা আইন আৰু শিশুশ্ৰম (নিষেধাজ্ঞা আৰু নিয়ন্ত্ৰণ) আইনৰ অধীনত ৰুজু হোৱা গোচৰবোৰে আমাৰ সমাজত শিশুৰ অধিকাৰৰ প্ৰতি থকা উদাসীনতাৰ ফালেও আঙুলি টানে। সাধাৰণ মানুহৰ দৃষ্টিভংগীৰ পৰা চাবলৈ গ'লে, এই প্ৰতিবেদনখনে এক ভয় আৰু অসহায়ত্বৰ সৃষ্টি কৰিছে। পিতৃ-মাতৃসকল আজিকালি নিজৰ সন্তানক স্কুললৈ পঠিয়াওতে, বা খেলিবলৈ ওলাই যাওঁতে এক অদৃশ্য ভয়ৰ সৈতে জীৱন-যাপন কৰিবলৈ বাধ্য হৈছে। সমাজখন সন্দেহ আৰু ভয়ৰ এনে এটা বাটঘৰত ৰূপান্তৰিত হৈছে য'ত প্ৰত্যেক অচিনাকি মুখেই সম্ভাব্য বিপদ হিচাপে চিনাক্ত হয়। এই পৰিস্থিতিয়ে মানুহৰ মনত অসংখ্য প্ৰশ্নৰ সৃষ্টি কৰিছে—আমি আমাৰ শিশুসকলক নিৰাপদে ৰাখিবলৈ কি কৰিব পাৰো? এই দ্ৰুতগতিত বদলি হোৱা সামাজিক মূল্যবোধবোৰৰ বাবে আমিয়েই নেকি দায়ী? শিশুৰ বিৰুদ্ধে অপৰাধ ৰোধ কৰিবলৈ ৰাজ্য চৰকাৰে গঠন কৰা বিভিন্ন আয়োগ, নীতিসমূহ কিয় ফলপ্ৰসূ হ'ব পৰা নাই? এই প্ৰতিবেদনৰ পৰা এটা স্পষ্ট ধাৰণা পোৱা যায় যে, শিশু সুৰক্ষা এতিয়া কেৱল আইনী সক্ৰিয়তাৰ ওপৰত নিৰ্ভৰশীল নহয়, ইয়াৰ বাবে এক সুদূৰপ্ৰসাৰী সামাজিক আন্দোলনৰ প্ৰয়োজন। সামগ্ৰিকভাৱে ক'বলৈ গ'লে, শিশুৰ বিৰুদ্ধে অপৰাধৰ এই ভয়াৱহ বৃদ্ধিয়ে আমাৰ জাতিৰ বিবেকক জগোৱাৰ লগতে এখন সুৰক্ষিত, সুস্থ আৰু উন্নত ভৱিষ্যত গঢ়ি তোলাৰ আমাৰ সক্ষমতাকো প্ৰশ্নৰ সন্মুখীন কৰিছে। শিশুৰ বিৰুদ্ধে অপৰাধ ৰোধ কৰাটো কেৱল চৰকাৰ, পুলিচ বা ন্যায়িক সংস্থাৰ দায়িত্ব নহয়, ই হৈছে প্ৰতিগৰাকী নাগৰিকৰ নৈতিক দায়িত্ব। শিশুৰ এটা নিৰাপদ আৰু সুৰক্ষিত পৰিৱেশ সৃষ্টি কৰাটো আমাৰ সন্মিলিত প্ৰচেষ্টাৰে হে সম্ভৱ। শিশুৰ বিৰুদ্ধে হোৱা এই নিৰ্য্যাতন ৰোধ কৰিবলৈ হ'লে আমাক এতিয়াই সক্ৰিয় হ'ব লাগিব, নহ'লে আমাৰ ভৱিষ্যত প্ৰজন্মক এক নিৰাপদ আশ্ৰয়দাতা হিচাপে গঢ়ি তুলিবলৈ আমাৰ এই সমাজ, এই ৰাষ্ট্ৰই সম্পূৰ্ণৰূপে ব্যৰ্থ হ'ব।

**জুবিনে মৃত্যুকো মন খুচি হৈ নিজস্বভাৱে আকোৱালি ল'লে, কোনো অপূৰ্ণতা বা আক্ষেপ নাই। এই কাম সাধাৰণ মানুহৰ বাবে অসম্ভৱ, সম্ভৱ কেৱল অতিমানৱৰ বাবেহে।যাক আমি ভগৱান বা মহাপুৰুষ বুলি ভাবোঁ। গতিকে, ভাৱি চাওকচোন জুবিন মানুহ আছিল জানো, নিশ্চয় নাছিল, আছিল অতি মানৱ, মহাপুৰুষ বা ভগৱান নহ'লেও ভগৱানৰে অংশ বিশেষ। কেৱল মাত্ৰ দুকুৰি বাৰটা বছৰৰ জীৱন কালতে জুবিনে নিজৰ দেশৰ চাৰি সীমাৰ ভিতৰতে নহয়, দেশৰ চাৰিসীমাৰ পৰিধি ভাঙি বিশ্বত নিজৰ জনপ্ৰিয়তা অৰ্জ্জন কৰিবলৈ সক্ষম হৈছিল।**

# জুবিন গাৰ্গ মানুহ নে ভগৱান!

### প্ৰমোদ দোৱনীয়া

হঠাতে হেৰাল কেনিনো মোৰ চোতালৰে জোনাক.....

সঁচাকৈয়ে, হঠাৎ হেৰাই গ'ল চোতালৰ আগৰ ফট্‌পটীয়াকৈ জিলিকি থকা জোনাকৰ পোহৰ ভাগ। অনাকাংক্ষিতভাৱে ক'ৰ পৰা জানো আহি এচপৰা কলীয়া ডাৱৰে সেই জোনাকখিনি কাঢ়ি লৈ গ'ল। গোটেইখন অন্ধকাৰ হৈ পৰিল অসমীয়াৰ চোতাল। জোনাক নোহোৱা হোৱাৰ দুখতে কান্দিলে চোতালৰ আগৰ দুবৰীয়েও।

'জুবিন' শব্দৰ অৰ্থ বিচাৰি অসমীয়া ভাষাৰ দাপোন স্বৰূপ 'হেমকোষ'ৰ পৃষ্ঠা লুটিয়াই চালো নাই নেপালো। আধুনিক অসমীয়া শব্দকোষখনতো বিচাৰিলো কিন্তু বিমুখ হ'লো। এনেদৰেই আন কেইবাখনো অভিধানত বিচাৰিলো নাই নেপালো। 'জুবিন' শব্দটোৰ অৰ্থ বিচৰাৰ কাৰণ এটাই, স্বৰূপাৰ্থত অসমীয়া মানুহে ল'ৰা বা ছোৱালীৰ নাম সদায়ে অৰ্থবহ ৰাখে। যেনে—কেশৱ, গোপাল,গোলাপ, কমল, সাগৰ, কলীয়া, মহেশ্বৰ, নৰেশ্বৰ আদি, আজিকালিৰ কথা বেলেগ। সেই দৃষ্টিভঙ্গীৰে চাবলৈ গ'লে জুবিন নামৰো অৰ্থ অসমীয়া অভিধানত থাকিব লাগিছিল, কিন্তু নাই। গতিকে হতাশ হ'লো। পাছে, কোনোবা এটা টিভি চেনেলৰ সাক্ষ্যাংকাৰত জুবিনে নিজেই কৈছিল বোলে —জুবিন এটা উৰ্দ্দু নে ফাৰ্চী শব্দ। ইয়াৰ অৰ্থ হ'ল—আটাইতকৈ ওখ। আকাশ চুম্বী। গগন চুম্বী। তীক্ষ্মধী। গতিকে, অসমীয়া অভিধানত বা ভাষাত ইয়াৰ অৰ্থ বিচাৰি কেনেকৈ পাম । আন এক সুত্ৰমতে জুবিন হ'ল ফাৰ্চী শব্দ। ইয়াৰ শব্দৰ অৰ্থ হ'ল তৰোৱাল, অৰ্থাৎ তীক্ষ্মধী অস্ত্ৰ। গতিকে, তীক্ষ্মধাৰ অস্ত্ৰৰ নিচিনাকৈ দুদিনমাত্ৰ মানুহৰ লগত নিজৰ খেলা দেখুৱাই গগনচুম্বী আকাশৰ নীলাৰ লগতে মিলি গ'ল জুবিন। কোনোবা কবিৰ ভাষাত—'ভাগি গ'ল বীণখনি চিগি গ'ল তাঁৰ, ৰৈ গ'ল মাথো অমীয়া ঝংকাৰ।' নিশ্চয়, এতিয়া জুবিন নোহোৱা দেশখনত মানুহে কেৱল হিয়াঢাকুৰি কান্দি আৰু কান্দিছে।

ক'ৰবাত পঢ়িছিলো—প্ৰথমতে প্ৰয়াত জংকী বৰঠাকুৰৰ লগত জুবিনেকোনোবা দিনা তবলা সংগত কৰিছিল আৰু কোনোবা দিনা গীতাৰ বা কীবোৰ্ড বজাইছিল। তাৰ পিছত শুনিছিলোঁ বোলে জুবিনে হেনো গায়ক জিতুল সোনোৱালৰ লগত কিবোৰ্ড বজাইছিল। তাহানি যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ এটি সংগীতানুষ্ঠানত জংকীয়েই জুবিনক গান গোৱাৰ সুবিধা কৰি দিছিল যদিও অনুষ্ঠানটিৰ কৰ্মকতাসকলৰ্ব কোনোৱেই এই কাম ভাল পোৱা নাছিল। কাৰণ, জুবিন আছিল বহেমিয়ান স্বভাৱৰ জধলা-মধলা পোছাক পৰিধান কৰা এটা কাৰো লগতে নিমিলা অপৰিপাতি, বিশৃংখল ল'ৰা । শেষত যেনিবা জুবিনৰ সহপাঠী বৰ্তমানৰ ভাৰত চৰকাৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী মাননীয় পবিত্ৰ মাৰ্ঘেৰিটা আৰু কেইজনমান ফেনৰ কৃপাত দুলিয়াজানত জুবিনে এটি সংগীতানুষ্ঠান কৰাৰ সুবিধা পাইছিল বহুতো ঘাত-প্ৰতিঘাত আৰু জ্বালা-যান্ত্ৰনাৰ পিছত। য'ত তেওঁ পৰিবেশন কৰিছিল অতিকৈ মনোগ্ৰাহী, হৃদয়স্পৰ্শী গীত 'মায়া মাথো মায়া '। আধ্যাত্মিকতাভৰা এই গীতটিতে প্ৰকাশ পাইছিল জুবিন কোন। সেইয়াই আছিল আৰম্ভণি। তাৰ পিছত আৰু জুবিনে পিছলৈ চাবলগীয়া হোৱা নাছিল। দি গৈছিল এটাৰ পিছত এটা হৃদয়স্পৰ্শী সকলোৰে মন-প্ৰণ পল্লৱিত কৰা গান, অসমীয়াৰ লগতে বিশ্ববাসীক। ইখনৰ পিছত দি গ'ল সিখন ভাল কথাছবি। সেইয়ে হয়তো তেওঁ কৈছিল 'মই কাঞ্চনজংঘা। মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই। মই সুবিশাল আকাশ।'

ফেচবুকৰ এক তথ্যমতে ভাৰতৰ দহজন বিশিষ্ট সংগীত শিল্পীয়ে গোৱা সৰ্বমুঠ গীতৰ সংখ্যা হ'ল—(১) আশা ভোশলে—১২০০০ গীত মুঠ ২০ টা ভাষাত। (২) কিশোৰ কুমাৰ —সৰ্বমুঠ ২৯০৫ টা গীত। (৩) মান্না দে —সৰ্বমুঠ ৩৫০০ গীত। (৪) হৰিহৰণ সৰ্বমুঠ—১৫০০০ টা গীত , দহটা ভাষাত। (৫) উদিত নাৰায়ণ সৰ্বমুঠ -২৫০০০ টা গীত সৰ্বমুঠ ৩৬ টা ভাষাত। (৬) কুমাৰ চানু সৰ্বমুঠ — ১৮০০০ ৰ পৰা ২০০০০ টা গীত, মুঠ ২২ টা ভাষাত। ৭) শ্ৰেয়া ঘোসাল সৰ্বমুঠ —৩০০০ টা গীত। ২০ টা ভাষাত। (৮) চনুনিগিম সৰ্বমুঠ ৬০০০ টা গীত, মুঠ ৩২ টা ভাষাত (৯) আলকা য়াগনিক ২০০০০টা গীত। কিন্তু সকলোকে পিছত থৈ আমাৰ অতিকৈ মৰমৰ, শ্ৰদ্ধাৰ জুবিন গাৰ্গে এই পৰ্যন্ত গাইছে সৰ্বমুঠ ৩৮০০০ টা গীত, ৪০ টা ভাষাত। বিভিন্ন সুত্ৰ পৰা পোৱা তথ্যমতে পেছাদাৰীভাৱে গীত গাবলৈ আৰম্ভ কৰিছিল ১৯৯০ চনৰ পৰা । সেই হিচাপত তেওঁ নোহোৱা হোৱা সময়লৈকে গীত গাইছিল, তেওঁ নিজে কোৱা মতে ৪০০০০ টা। সেই হিচাপত তেওঁ বছৰত প্ৰায় ১১৪২ টা গীতত কণ্ঠ নিগৰাইছিল আৰু প্ৰতিটো গীতেই শ্ৰোতাৰ হৃদয় চুই গৈছিল। কাৰণ, প্ৰতিটো গীতেই তেওঁ প্ৰাণ ঢালি গাইছিল। তেওঁ কৈছিল কাম কৰি যাবা বন্ধু , ফলাফল আশা নকৰিবা। কাম নকৰা মানুহ মই ভাল নাপাওঁ। এটা প'দকাষ্ট সাক্ষ্যাংকাৰত মাননীয়া ৰীতা চৌধুৰী বাইদেউৰে কৰা এটি প্ৰশ্নৰ উত্তৰত জুবিন গাৰ্গে নিজেই কৈছিল আজিৰ দিনত মোৰ প্ৰিয় গীত হ'ল —'ৰৈ ৰৈ বিনালে' বুলি। তেখেতে জুবিনক কৈছিল অলপ সংযত হ'বলৈ। তাৰ উত্তৰত জুবিনে কৈছিল হয়— 'মই সংযত হ'বলৈ বহুতো চেষ্টা কৰিছো, পৰা নাই আৰু নোৱাৰিম, এইক্ষেত্ৰত মোৰ পত্নী গৰীমায়ো কম কষ্ট বা বুজনি মোক দিয়া নাই। পাছে, ওঁহো অসম্ভৱ। মই যেনে আছো তেনেকৈয়ে থাকিবলৈ দিয়ক, নহ'লে মই মৰি যাম, মোৰ কণ্ঠ ৰুদ্ধ হৈ যাব।' সেই কাৰণেই হয়তো উটনুৰা জুবিন গাৰ্গে তেখেতৰ বন্ধুকসলক কৈছিল যে—এদিন মই নোহোৱা হৈ যাম, তেতিয়া তহঁতি মোৰ 'মায়াবিনি' গীতটো গাবি, তাতেই মোক বিচাৰি পাবি। আজি যি ঠাইত শিল্পীগৰাকীৰ অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ল সেই ঠাইতে হেনো এদিন উজনি অসমৰ কোনোবা ঠাইত সংগীত পৰিবেশন কৰি আহি ভাগৰুৱা জুবিনে ক্ষন্তেক জিৰণি লৈছিল। কি সংযোগ চাওকচোন। কাকতালীয় নে দৈৱাৎ(?) সেই ঠায়ে হ'ল আজি তথা ভৱিষ্যতৰ বাবে জুবিনৰ স্থায়ী ঠিকনা।

এইখিনিতে আৰু এটা কথা কৈ যাওঁ যে অকালতে নৰলোক এৰিথৈ যোৱা শিল্পী কেৱল জুবিনেই নহয় । বাকীসকল আছিল— বিশ্ববিখ্যাত পপ চিংগাৰ মাইকেল জেকচন। তেখেতে নৰনাট সামৰিছিল পঞ্চাশ বছৰ বয়সত। ভাৰতৰ দৰদী কণ্ঠৰ গায়ক মহম্মদ ৰফিয়ে নৰনাট সামৰিছিল মাত্ৰ ৫৫ বছৰ বয়সতে। মানুহৰ অন্তৰ জয় কৰা গায়ক মুকেশ চন্দ্ৰ মাথুৰে নশ্বৰদেহা ত্যাগ কৰিছিল কেৱল তেপন্ন বছৰ বয়সত। তদুপৰি, আমাৰ মৰমৰ কিশোৰ কুমাৰে আঠাৱন্ন বছৰ বয়সতে নৰ দেহা সামৰিছিল। কুকিল কণ্ঠী গায়িকা লতামংগেশকাৰ আৰু আমাৰ শ্ৰদ্ধাৰ সুধাকণ্ঠ ভুপেনদাৰ কথা বেলেগ। তেওঁলোক দুয়ো গৰাকী চাৰিকুৰিতকৈয়ো অধিক বছৰ কাল জীয়াই আছিল।

বন্ধুসকল শিল্পী জুবিন গাৰ্গৰ সৃষ্টিবিলাকলৈ মন কৰকচোন —তেখেতৰ প্ৰতিটো গীতেই আধ্যাত্মিকতাৰে ভৰা। যেনে—আন্ধাৰ, পোহৰ, জোনাক, মায়া, মায়াবিনি , বাঃ কি চমৎকাৰ। কি আচৰিত। জুবিনে য'তেই হাত দিছিল তাতেই সোণ বৰষিছিল—কি আধুনিক গীত, কি বৰগীত, কি বিহুগীত, কি টোকাৰীগীত, কি দিহানাম সকলো বিলাকেই প্ৰাণ পাই উঠিছিল, জুবিনে হাত দিয়াৰ পিছতেই। অন্যথা, সকলো হেৰাবলৈ ধৰিছিল। আমাৰ নিচিনা এজন সাধাৰণ মানুহৰ কাৰণে এইবিলাক ইমান হৃদয়স্পৰ্শীকৈ গোৱা সম্ভৱ নহয়। লগতে, তেওঁৰ নিজা সৃষ্টি বিলাকো ইমনেই মাদকতা ভৰা, আধ্যাত্মিকতাভৰা সেইবিলাক আনৰ বাবে সম্ভৱ নহয়। সম্ভৱ হৈছিল কেৱল জুবিনৰ কাৰণে। কিয় বা ভাৱিলে আচৰিত লাগে, ঠতমৎ খাওঁ। যেন জুবিনৰ জন্ম হোৱা নাছিল, হৈছিল আবিৰ্ভাৱ। জুবিনৰ কথা মনলৈ আহিলেই মনত পৰে মহাভাৰতৰ সেই মহান শ্লোকটিলৈ —

'যদা যদাহি ধৰ্মস্য গ্লানিৰ ভৱতি ভাৰত, অভ্যুথানম অধৰ্মস্য তদাত্মনম সৃজামহম।

পৰিত্ৰাণায় সাধুনাং বিনাশায় স্ব-দুস্কৃতাম, ধৰ্মসংস্থাপনাথায় সম্ভৱামি যুগে যুগে।।'

অৰ্থাৎ পৃথিৱীত যেতিয়া ধৰ্মৰ গ্লানি হয়, সেই ধৰ্মৰ উদ্ধাৰৰ কাৰণে, সাধুসকলৰ সুৰক্ষাৰ কাৰণে, পাপীসকলৰ বিনাশৰ কাৰণে আৰু পৃথিৱীত সত্য ধৰ্ম পুনৰ প্ৰতিস্থাৰ কাৰণে যুগে যুগে মই জন্ম গ্ৰহণ কৰোঁ।

এইয়া ভগৱানে নিজ মুখে কোৱা কথা।


আকৌ চাওক—গীতাত স্বয়ং ভগৱানে কৈছে—

'অজোহপি সন্মব্যয়াত্মা ভূতানাম্মী স্বৰোহপিচন। প্ৰকৃতিং সমাধিষ্ঠায় সম্ভৱাম্যাত্মমায়য়া।।' অৰ্থাৎ—মোৰ জন্ম নাই , আকাৰো নাই। গোটেই জগতৰ ঈশ্বৰ মই । হ'লেও, আন জীৱৰ নিচিনাকৈ মই মোৰ আত্মমায়াৰে প্ৰকৃতিত জন্ম গ্ৰহণ কৰোঁ।



কথা বিলাক ভাৱি চালে এনে লাগে যেন এই সকলো বিলাক গুণ আমাৰ সকলোৰে প্ৰাণৰ শিল্পী সদ্য প্ৰয়াত জুবিন গাৰ্গৰ বেলিকা অলপ হ'লেও নেখাটেনে বাৰু? তেওঁৰ গান বিলাক শুনিলে এনে নেলাগেনে যেন —তেওঁ সকলো জানিছিল, বুজিছিল আৰু আগতীয়াকৈ গম পাইছিল। অৰ্থাৎ তেওঁ তেওঁৰ মৃত্যুৰ বাতৰিও আগতেই পাইছিল। সেই কাৰণেই হয়তো লিখিছিল, গাইছিল নেকি গৰীমাক লৈ— ' মই মৰিলেও অকলশৰীয়া নোহোৱা তুমি। ৰাইজলৈ বুলি গাইছিল —'মায়া মাথো মায়া' বুলি আৰু শেষত গাইছিল 'মায়াবিনি'আৰু কৈছিল মই মৰিলেও মোক বিচাৰি পাবা 'মায়াবিনি' গীতটোত আৰু বহুতো কথা'। সকলোবিলাক ইয়াত আলোচনা কৰা সম্ভৱ নহয়।

গুৰুজনাৰ বৰগীত— 'পাৰে পৰি হৰি কৰোঁহো কাতৰি প্ৰাণ ৰাখবি মোৰ... কিমান সুন্দৰ কৈ প্ৰাণঢালি গাইছিল জুবিনে। গাইছিল বৰগীত হিচাপে 'কৃষ্ণ এক দেৱ দুখ হাৰি...' কাকুতি ঘোষাফাকি । ইমান প্ৰাণ সুন্দৰকৈ প্ৰাণ ঢালি সাৱলিল ভাৱে গাইছিল যে সকলোৰে হিয়া শাঁত পৰি গৈছিল, গৈছে আৰু গৈ থাকিব। এই বৰগীতটি আৰু কাকুতি ঘোষাফাকি আন বহুতেই গাইছে কিন্তু জুবিনৰ দৰে হৃদয়স্পৰ্শী নহয় বা নেলাগে। গতিকে, জুবিনক জানো নৰমনিচৰ ভাষাৰে, চিন্তাৰে, জ্ঞানেৰে ঢুকি পাব পাৰি, নিশ্চয় নোৱাৰি(?)হয়! জুবিন আছিল অহৌ বলিয়া মানুহ কাৰণ, স্বয়ং নৰৰূপী ভগৱান কৃষ্ণৰ নিচিনাকৈয়ে জুবিনৰ কি শিশুকাল, কি যৌৱনকাল কি মৃত্যুকাল সকলোচোন আশ্চৈৰ্য ভৰা। অহৈতুকি কৰ্মেৰে ভৰা। জুবিনে হেনো জন্মৰ ছমাহতেই খোজ কঢ়া আৰম্ভ কৰিছিল। আচৰিত নহয়নে(?) বিষাক্ত সাপো হাততলৈ খেলিছিল । গছৰ চৰাই-চিৰিকাটি আপোনা-আপোনি আহি জুবিনৰ গাত পৰি খেলিছিল। বাটে-পথে আঘাত প্ৰাপ্ত কোনো জীৱ-জন্তু দেখিলে তুলি আনি জুবিনে চিকিৎসা কৰি পুনৰ এৰি দিছিল, প্ৰকৃতিৰ বুকুত মুক্তমনে জীয়াই থাকিবলৈ । মানুহ দেখিলে দূৰতে সাত-জাপ মৰা বান্দৰে জুবিনক ভগৱান জ্ঞান কৰি তেৰাৰ মৃত্যুত চকুলো টুকিছিল। পোহনীয়া গৰু-ছাগলী, জীৱ-জন্তুৰ কথা নকলোৱেই বা। সিদিনা টিভিৰ পৰ্দাত দেখিলো জুবিনে তুলি আনি চিকিৎসা কৰি আৰোগ্য কৰা এটি বগলীয়ে জুবিনৰ মৃত্যুৰ শোকত প্ৰাণ ত্যাগ কৰা। জুবিন নোহোৱাৰ দুখত বহুজনে আত্মহত্যা কথা শুনিবলৈ পালো। মানুহে মানুহক ইমান ভাল পাব পাৰেনে (?) এইবিলাক আচৰিত কথা নহয়নে(?) এবাৰ হেনো মানাহ ৰাষ্ট্ৰীয় অভয়াৰণ্যত মানুহক আক্ৰমণ কৰিবলৈ খেদি অহা এটা বনৰীয়া গড়েও জুবিনৰ বাধা মানি আক্ৰোশ পৰিত্যাগ কৰি বনলৈ ঘূৰি গৈছিল। এইবিলাক কি সাধাৰণ প্ৰাৰ্থীৱ মানুহৰ লক্ষণ(?) নিশ্চয় নহয়। এইবিলাক স্বয়ং কৃষ্ণ ভগৱান, শ্ৰীমন্ত শংকৰদেৱ গুৰুজনা আদিৰ গাত থকা লক্ষণৰ লগত মিল থকা নহয়নে? আৰু চাওক ! আমাৰ নিয়ম অনুসৰি আমি মানুহ মৰিলে পুৰোহিতৰ ওচৰত, গননাকাৰীৰ ওচৰত দায়-দোষ, পাপ-পুন্য আদি চোৱাওঁ আৰু তাৰ পৰা পৰিত্ৰাণ পোৱাৰ বিধানমতে ব্যৱস্থা গ্ৰহণ কৰোঁ। কিন্তু কি আচৰিত ! জুবিনৰ মৃত্যুত পাপ-পুণ্যৰ কোনো দোষ-ত্ৰুতি নাই বুলি গণনাকাৰীয়ে মন্তব্য দিলে। জুবিনে মৃত্যুকো মন খুচি হৈ নিজস্বভাৱে আকোৱালি ল'লে, কোনো অপূৰ্ণতা বা আক্ষেপ নাই। এই কাম সাধাৰণ মানুহৰ বাবে অসম্ভৱ, সম্ভৱ কেৱল অতিমানৱৰ বাবেহে যাক আমি ভগৱান বা মহাপুৰুষ বুলি ভাৱোঁ। গতিকে, ভাৱি চাওকচোন জুবিন মানুহ আছিল জানো, নিশ্চয় নাছিল, আছিল অতি মানৱ, মহাপুৰষ বা ভগৱান নহ'লেও ভগৱানৰে অংশ বিশেষ। কেৱল মাত্ৰ দুকুৰি বাৰটা বছৰৰ জীৱন কালতে জুবিনে নিজৰ দেশৰ চাৰি সীমাৰ ভিতৰতে নহয় , দেশৰ চাৰিসীমাৰ পৰিধি ভাঙি বিশ্বত নিজৰ জনপ্ৰিয়তা অৰ্জ্জন কৰিবলৈ সক্ষম হৈছিল। কাৰণ, জুবিন মানুহ নাছিল, আছিল ভগৱানৰ অংশ; অন্যথা এনে কাম কৰাতো অসম্ভৱ। মানুহৰ অন্তৰত শিল্পীগৰাকী এনেকৈয়ে সোমাই গৈছিল যে তেওঁ যি ভাল বা বেয়া কামেই নকৰক কিয় সকলো কাম মানুহে সাদৰেৰে আকোৱালি লৈছিল। মই ব্যক্তিগতভাৱে জুবিনক লগ পোৱা নাই আৰু লগ পোৱাৰ ইচ্ছাও কৰা নাছিলো বা সম্ভৱো নাছিল যদিও কওঁ—এটা সময় আছিল মই টিভিৰ পৰ্দাত জুবিন ওলালেই টিভিৰ চেনেল বন্ধ কৰি দিছিলো বা আন এটা চেনেললৈ গুচি গৈছিলো। কাৰণ, জুবিনক দেখিলেই মই মদৰ গোন্ধ পাইছিলো। মনতে আওৰাইছিলো সেই অসমীয়া ফকৰা ফাকি বোলে —'বুঢ়ী বামুণীয়ে মদৰ জুতি পালে।' তেওঁৰ ব্যৱহাৰত অশালীনতা দেখা পাইছিলে। যিহেতু, তেওঁৰ বহেমিয়ান জধলা-মধলা পোছাক পৰিহিত উৎপটীয়া আচৰণ বিলাক মোৰ ভাল নেলাগিছিল। কিন্তু, আজি জুবিন নোহোৱা হ'লত তাৰ গীত বিলাক ভালকৈ মন দি শুনি উপলব্ধি কৰিছো তাত কি আছিল আৰু আমাৰ অসমক, অসমীয়া জাতিৰ লগতে বিশ্বৰ মানৱ জাতিক মানৱতাবোধৰ কি জ্ঞান দি গ'ল ।আজি জুবিন নোহোৱা হ'লত আবাল-বৃদ্ধ-বনীতা, ল'ৰাৰ পৰা বুঢ়ালৈকে, ডেকাৰ পৰা গাভৰুলৈকে, আনকি গছ-লতা-তৰু-তৃণ সকলোৱে চকুলো টুকীছে নীৰবে। আজি সমগ্ৰ বিশ্ববাসীয়ে এসোতা কান্দিছে জুবিনৰ কাৰণে। যিহেতু, জুবিনৰ গান বিলাক এবাৰ ভালকৈ শুনাৰ পিছত বিশ্ববাসীয়ে বুজি উঠিছে গানবিলাকৰ মমাৰ্থ। ৰাইজ শুনকচোন— মই নথকাৰ অনুভৱ, যিদিনা হ'ব সিদিনা অশ্ৰু নিগৰিবনে কোৰাঁ...' এই দেহাৰ মূল্য নাই... হৈব চাই আৰু বহুতো। গতিকে, মোৰ ক্ষুদ্ৰমান বিবেকেৰে অনুভৱ কৰোঁ যে জুবিন মানুহ নাছিল আছিল ভগৱানৰে এক অংশ। যেনেকৈ আহিল তেনেকৈয়ে গুচি গ'ল। শিল্পীগৰাকীক শান্তিৰে শুৱলৈ দিয়ক, যাতে আমাৰ মাজতে, আমাৰ দেশতে জুবিন হৈ পুনৰ জনম লয়। শেষত তেওঁৰে এটি গীতৰ কলিৰে— 'এই দেহাৰ মূল্য নাই , পোড়া দিলে হৈবে চাই , প্ৰাণ-বায়ু চাৰিয়া জাইবে, নদীৰ কুলে হৈবে বাসৰ অন্তিতম কালে.... মন মোৰ মোৰ ৰচনা।'



# আমি আধা বাঙালী ঃ জুবিন গাৰ্গ

### খগেশ্বৰ দাস

অসমী আইৰ সুযোগ্য সন্তান জুবিন গাৰ্গ আজি আমাৰ মাজত নাই। সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ, ভোটা-তৰা, অমৰ সৃষ্টি, অমূল্য সম্পদ হাৰ্টথ্ৰব জুবিন গাৰ্গ নাই কথাষাৰ আজি কোনেও মানি ল'ব পৰা নাই? অমৰৰত্ন সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ উত্তৰসূৰি হিচাপে পৰিচিত সংগীত জগতৰ যাদুঘৰী কণ্ঠৰ অধিকাৰী জুবিন গাৰ্গৰ মৃত্যু খবৰে সমগ্ৰ দেশৰ সৰ্বত্ৰে এতিয়া কেৱল শোকৰ ছাঁ। ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত জন্ম গ্ৰহণ কৰা অসমৰ গৌৰব ভাৰতৰবৰ্ষৰ এগৰাকী যাদুকৰী কণ্ঠৰ প্ৰসিদ্ধ কণ্ঠশিল্পী, নেপথ্য গায়ক, সংগীত পৰিচালক, সুৰকাৰ, গীতিকাৰ, সংগীত ব্যৱস্থাপক, চলচ্চিত্ৰ অভিনেতা, পৰিচালক, বাদ্যযন্ত্ৰী, সমাজকৰ্মী মানৱ দৰদী, আৰ্ত জনৰ বন্ধু জুবিন গাৰ্গৰ মৃত্যুৰ খবৰে কম্পিত দেশ। জীৱনৰ প্ৰথম গুৰু হিচাপে মাতৃক ভাল পোৱা জুবিন এতিয়া চিৰনিদ্ৰাত। সংগীত জগতৰ ক্ষেত্ৰখনক সকলো জাতিজন গোষ্ঠীৰ সম্প্ৰদায়ক স্থান গীত পৰিবেশন কৰা জুবিন এতিয়া গৈছে ক'ত। কোনো জাতি, কোনো মাটিৰ গান পৰিবেশন নকৰাকৈ বহি নথকা জুবিন ক'ত এতিয়া।

অসমীয়া, হিন্দী, বঙালী, বড়ো, কোচ-ৰাজবংশী, কমতাপুৰী, গোৱালপাৰীয়া, চাহ বাগানীয়া, হাজং, মিচিং, কাৰ্বি, গাৰো, ৰাভা, ডিমাচা, টাই-আহোম, নেপালী, ভোজপুৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী, ককবৰক, ওড়িয়া, তামিল, তেলুগু, কন্নড়, ইংৰাজী, আদি, গালো, মালয়ালম, মাৰাঠী আদি ইত্যাদি নানা ধৰণৰ বিভিন্ন ভাষাত কণ্ঠদান কৰা আদৰৰ চিৰ যুগমীয়া শিল্পীজন আছে ক'ত প্ৰশ্ন হৈছে সকলোৰে।

ৰাজ্যত সমাগত শাৰদীয় দুৰ্গা পূজা সকলোৰে হিয়াৰ আমঠু জুবিন গাৰ্গক বিচাৰিছে এতিয়া।

বঙালী চিনেমা শুধু তুমিৰ কাৰণে ২০০৫ চনত শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা, হিন্দীৰ য়া আলি গীতটোৰ ২০০৭ চনত গ্ল'বেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড (GIFA), ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী (পুৰুষ) বঁটা, Echoes of Silence (ইংৰাজী-খাচী) ছবিৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালক ৰাষ্ট্ৰীয় বঁটা (ৰজত কমল) ২০১৪ চনৰ ৰেনেছাঁ অসম বঁটা প্ৰাপক জুবিনক আকৌ মঞ্চত বিচাৰিছে দৰ্শকে।



সাম্প্ৰতিক সময়ত ৰজাগৰীয়াৰ ওচৰত বিতৰ্কৰ আবৰ্তত সোমাই পৰা জুবিনক বিচাৰিছে দেশবাসীয়ে। অসমী আইৰ সু- সন্তান জাতি মাটি ভেটিৰ শিল্পী, কাকো কেৰেপ নকৰা, টকাত বিক্ৰী নোহোৱা সত্তা, সহজ সৰল মনৰ অধিকাৰী, শিশু সুলভ মনৰ ঐশ্বৰিক শক্তিৰ গুণধাৰিক বিচাৰি হাহাকাৰ হৈ পৰিছে জনতা। জুবিন বিহীন অসমী আই কান্দিছে হুক হুকাই। পিছে, জুবিন আছে ক'ত এতিয়া?

ভিন্ন সময়ত দেশ বিদেশৰ পৰা নানা ধৰণৰ বটাঁ - সন্মান প্ৰাপক জুবিন গাৰ্গক আকৌ চাব বিছাৰে ৰাইজে এতিয়া। বৰেণ্য সংগীত শিল্পী, কোনো মন্ত্ৰী, বিধায়কক, চৰকাৰক খাতিৰ নকৰা জনতাৰ শিল্পী, ছিদা কথা কৈ ভাল পোৱা মানৱ দৰদী অসম সন্তান জুবিন গাৰ্গ আৰু নাই খবৰটিয়ে দেশৰ লগতে ৰাজ্যত এক বেদনাময় পৰিবেশে বিৰাজ কৰে। চৌদিশ জুবিন জুবিন শব্দ আৰু কান্দুনৰ ৰোলে পৰিৱেশ উত্তাল কৰি তুলিছে। অসমৰ আকাশ বতাহ স্তব্ধ হৈ স্তমভিত হৈ পৰিছে। সহজে বিশ্বাস কৰিব নোৱাৰা এক জীৱা কাহিনী যেন বাস্তৱ হ'ল। সামাজিক মাধ্যমত প্ৰচাৰিত খবৰ অনুসৰি নৰ্থ ইষ্ট ফেষ্টিভেলত অংশ ল'বলৈ ছিংগাপুৰলৈ যোৱা জুবিন গাৰ্গে এখন ইয়টৰ পৰা সাগৰত পৰি দুৰ্ঘটনাত পতিত হোৱাত জৰুৰীকালীন ভাৱে ছিংগাপুৰ আৰক্ষীয়ে উদ্ধাৰ কৰি সংকটজনক অৱস্থাত ICUত ভৰ্তি কৰে চিকিৎসালয়ত। কিন্তুত দুৰ্ভাগ্যজনক কথা কিংবদন্তী পুৰুষ হাৰ্টথ্ৰব জুবিন গাৰ্গে ১৯ ছেপ্টেম্বৰ ২০২৫ শুক্ৰবাৰে দিনৰ ২.৪০ বজাত এই পৃথিৱীৰ পৰা ইহলীলা সম্বৰণ কৰে। মাত্ৰ ৫২ বছৰ বয়সতেই জীৱনৰ নাট সামৰি ধুমুহাৰ সৈতে খেলা প্ৰকৃতি প্ৰেমী জুবিনৰ মৃত্যু মানিব পৰা নাই অনুগ্ৰামী সকলে। সংগীত জগতৰ সৰ্বত্ৰে ৰাজ্যৰ ভিন্ন দেশ বিদেশৰ জনতাই শোক বাৰ্তাৰে প্ৰিয় শিল্পী গৰাকীক গভীৰ শ্ৰদ্ধাঞ্জলিৰ লগতে ঠায়ে ঠায়ে লক্ষ লক্ষ জনতাই বন্তি প্ৰজ্বলন মৌন প্ৰাৰ্থনা, মৌনতা, মৌন সভা আদি অৱলম্বন কৰে। ইফালে শিল্পী গৰাকীৰ এনে মৃত্যুৰ উচিত তদন্তৰ বাবে দাবী উপথাপন কৰিছে একাংশ বুদ্ধিজীৱী মহলে। ৩৮ হেজাৰ গান গাই, ৪৪খন চিনেমাত সংগীত পৰিচালনা কৰি ৪০টা ভাষাত গীত পৰিবেশনেৰে অভিলেশ গঢ়া জুবিনৰ গীত সমূহ যেন আজি বাস্তৱত ৰূপান্তৰ হ'ল। ২০ ছেপ্টেম্বৰ ২০২৫ শনিবাৰে ছিংগাপুৰত সম্পন্ন শিল্পী গৰাকীৰ পাৰ্থিৱ দেহ মৰণোত্তৰ পৰীক্ষাৰ অন্তত নশ্বৰদেহ ভাৰতীয় দূতাবাসৰ বিষয়াসকলৰ ডপাস্থাতত সংগা দল শ্ৰাশেখৰজ্যোতি গোস্বামী, শ্ৰী সন্দীপন গাৰ্গ আৰু শ্ৰীসিদ্ধাৰ্থ শৰ্মা (মেনেজাৰ)ৰ হাতত অৰ্পণ কৰা হয় বুলি গ'ম সংবাদযোগে গ'ম পোৱা যায়। ইপিনে ৰাজ্যজুৰি ৩ দিনীয়া ৰাজ্যিক শোক ঘোষণা অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ।

এই ৩ দিনত ৰাজ্যত কোনো ধৰণৰ সভা, মনোৰঞ্জনধৰ্মী অনুষ্ঠান আদি বাতিল কৰাৰ লগতে কেৱল চিকিৎসা সম্পৰ্কীয় কাম-কাজ ২০, ২১, ২২ ছেপ্টেম্বৰত অব্যাহত থাকিব। ইপিনে পশু-পক্ষীক ভাল পোৱা, জীৱ জন্তুক ভাল পোৱা, প্ৰকৃতিৰ সৃষ্টিক ভাল পোৱা, বাটৰ ঠেলাৱালা, ৰিস্কাৱালা, দৰিদ্ৰ শিশুক ভাল পোৱা, পকৰি দোকানী আৰ্তজনৰ কাষত থিয় দি আৰ্থিক সহায় আগবঢ়োৱা মানৱ দৰদী জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যু আজি অকল্পনীয়, অবিশ্বাস্য, অনাকাংক্ষিত ৰাজ্যৰ লগতে সমগ্ৰ দেশ। পৰৱৰ্তী সময়ত ২১ ছেপ্টেম্বৰ দেওবাৰে শিল্পী গৰাকীৰ নশ্বৰ দেহ ৰাজি্যক পৰ্যায়েৰে কেনেদৰে অন্তেক্ৰিয়া সম্পন্ন হয় এয়া সময়ৰ হ'ব লক্ষণীয়।

মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই মই মুক্ত, মই কাঞ্চনজংঘাৰ চিৰযুগমীয়া শিল্পী গৰাকীয়ে বেংগলৰ সাংবাদিকৰ আছুতীয়া সাক্ষাত্‌কাৰত মই সত্য কথা কৈ ভাল পাওঁ বুলি উল্লেখ কৰা জুবিনে বহু দিনৰ মূৰত কলকাতাত আহি কলকাতাৰ মাছ খাই ভাল পাই, কলকাতাৰ মানুহক ভাল পাই, কলকাতাৰ সংস্কৃতিক ভাল পাই লগতে কেবল কলকাতাই নহয় বেংগলক প্ৰাণভৰি ভাল পোৱাৰ লগতে I Love Bengal ও I Love Assam বুলি মন্তব্য প্ৰকাশ কৰি হাস্য মধুৰ ভাষাৰে মই আধা বঙালী বা “আমি আধা বাঙালী “কথাষাৰ স্মৃতি হৈ ৰ'ল।

অমৰ শিল্পী গৰাকীৰ মৃত্যুত অসম বাৰ্তা কাকতৰ সম্পাদকীয় মেজৰ বিশেষ লেখাৰ জৰিয়তে মই শ্ৰী খগেশ্বৰ দাসে, পাহাৰীয়া জিলা কাৰ্বি আংলংৰ হাওৰাঘাটৰ পৰা গভীৰ শোক প্ৰকাশ কৰাৰ লগতে বিদেশী আত্মাৰ সদ্‌গতি কামনা কৰি শোক সন্তপ্ত পৰিয়াল বৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

## কাঞ্চনজংঘা

আল্পনা দলে

মাটি আৰু মানুহক ভাল পোৱা
গৰীৱৰ বন্ধু দানী পৰোপকাৰী
উদাৰমনা মানৱদৰদী জনকন্ঠ
যাৰ সঙ্গীত আছিল আত্মাৰ সুধা
মায়াসনা গীতৰে জগত জিনিলা
জাতিহীন ধৰ্মবিহীন মহমানৱ তুমি
হৃদয়ত থাপিলা মানৱতাৰ থাপনা
ৰ'দ, বৰষুণ, ধুমুহাই
নেপাহৰে তোমাৰ প্ৰেমগাথা
সুৰীয়া সুৰৰ যাদুৰে কলিজা কঁপাই
ভালপোৱা সাগৰকে বুকুত সাবটি
জলকেলি কৰি নুঠো বুলি
শুই পৰিলা চিৰদিনলৈ বুলি
অভিমান কৰি প্ৰকৃতিৰ শীতল কোলাত
আকাশৰ বিশালতা
সাগৰৰ গভীৰতাই তোমাৰ ঠিকনা
মায়াবিনী ৰাতিৰ এন্ধাৰ নেওঁচি
বুকুৰে বুকুৰে আকাশে বতাহে
গীতৰ সুৰ হৈ চিৰকাল বাজি থাকিবা
কাকো খাতিৰ নকৰাকৈ
প্ৰতি ফাগুনৰ পচোৱাই
তোমাৰেই কথা ক'ব
প্ৰতি ব'হাগৰ কপৌফুলে
ক'ব তোমাৰেই বেথা
মায়াবী এন্ধাৰো সোঁৱৰিব
নিজানৰ গান
সীমাৰ পৰিধি ভাঙি
গুঞ্জৰিত হৈছে
মৃত্যু জিনাৰ গান
থাকিবা জিলিকি
মহা মানৱ তুমি
অতি জাগতিক হৈ।

*গুৱাহাটী (নাৰেংগী)*
*বীৰকুছি*

# শক্তিৰ অধিষ্ঠাত্ৰী মা দুৰ্গাৰ মাহাত্ম্য



**মা** দুৰ্গা হৈছে শক্তিৰ সৰ্বোচ্চ প্ৰতীক, যাৰ অস্তিত্বই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি, স্থিতি আৰু লয়ৰ প্ৰতিটো ক্ষণত এক চিৰন্তন সত্যৰ সন্ধান দিয়ে। তেওঁ কেৱল এগৰাকী দেৱী নহয়, তেওঁ হৈছে সেই পৰম শক্তিৰ স্বৰূপ, যি শক্তিয়ে জীৱনৰ প্ৰতিটো স্পন্দনত গতি সঞ্চাৰ কৰে, প্ৰতিটো প্ৰাণীৰ ভিতৰত সুপ্তভাৱে থকা সাহস, সৃষ্টিশীলতা আৰু জ্ঞানৰ উৎস হৈ পৰে। তেওঁৰ নামৰ অৰ্থই— যি দুৰ্গমক নাশ কৰে— তেওঁৰ স্বভাৱৰ গভীৰতা প্ৰকাশ কৰে। তেওঁ কেৱল বাহ্যিক শত্ৰুৰ ধ্বংসকাৰিণী নহয়, তেওঁ মানৱ মনৰ অভ্যন্তৰত থকা অজ্ঞানতা, অহংকাৰ, লোভ, মোহ আৰু ভয়ৰ দৰে অসুৰী শক্তিবোৰকো নিৰ্মূল কৰে। তেওঁৰ পূজা হৈছে এক আধ্যাত্মিক সাধনা, য'ত ভক্তই নিজৰ ভিতৰৰ দুৰ্বলতাৰ সৈতে সংগ্ৰাম কৰি, সত্য আৰু ন্যায়ৰ পথত অগ্ৰসৰ হ'বলৈ শক্তি আৰু সাহস লাভ কৰে। তেওঁৰ দশভূজা ৰূপ, সিংহৰ ওপৰত উপবিষ্ট অৱস্থা আৰু তেওঁৰ মহিমাময় কাহিনীয়ে মানৱ জীৱনৰ দৰ্শনত এক অমলিন প্ৰভাৱ বিস্তাৰ কৰে। তেওঁৰ পূজাৰ মাধ্যমেৰে সমাজত একতা, সম্প্ৰীতি আৰু ইতিবাচক শক্তিৰ সঞ্চাৰ হয়, যিয়ে জীৱনৰ প্ৰতিটো ক্ষেত্ৰত সাহস আৰু প্ৰেৰণাৰ জোঁৱাৰৰ সৃষ্টি কৰে। মা দুৰ্গাৰ শক্তিৰ এই চিৰন্তন প্ৰকাশে মানৱক জীৱনৰ গভীৰতম সত্যৰ সন্ধান দিয়ে, তেওঁলোকক বাহ্যিক মায়াৰ পৰা মুক্ত কৰি আত্মাৰ গভীৰতালৈ লৈ যায়। তেওঁৰ অস্তিত্বই এই সত্যক প্ৰতিপন্ন কৰে যে জীৱনৰ প্ৰতিটো ক্ৰিয়া, প্ৰতিটো সৃষ্টি আৰু পৰিৱৰ্তনৰ পাছত এক নাৰী শক্তিৰ অপৰিহাৰ্য ভূমিকা আছে, যি শক্তি অবিহনে বিশ্ব স্থবিৰ হৈ পৰে। এই শক্তি হৈছে অনাদি, অনন্ত আৰু চিৰন্তন, যাৰ উপলব্ধিৰ জৰিয়তে মানৱে আধ্যাত্মিক পথত অগ্ৰগতি লাভ কৰি, জীৱনৰ প্ৰকৃত অৰ্থৰ সন্ধান পায়।

মা দুৰ্গাৰ স্বৰূপৰ কথা ভাবিলেই মনত এটা তেজোময়, মহিমাময় আৰু একে সময়তে অতি কৰুণাময়ী ৰূপৰ কল্পনা জাগি উঠে। তেওঁৰ দশভূজা ৰূপ, য'ত তেওঁ দহখন হাতত বিভিন্ন অস্ত্ৰ-শস্ত্ৰ ধাৰণ কৰি সিংহৰ ওপৰত উপবিষ্ট হৈ আছে, তেওঁৰ সৰ্বব্যাপী শক্তিৰ প্ৰতীক। এই দহখন হাতে দহটা দিশৰ ওপৰত তেওঁৰ নিয়ন্ত্ৰণৰ সূচনা কৰে, যিয়ে বিশ্বৰ সকলো কোণত তেওঁৰ প্ৰভাৱৰ বিস্তাৰক বুজায়। তেওঁৰ হাতত ধাৰণ কৰা প্ৰতিটো অস্ত্ৰই জীৱনৰ একো একোটা দাৰ্শনিক সত্যৰ প্ৰতিনিধিত্ব কৰে। ত্ৰিশূলৰ তিনিটা ফলাই তিনি কাল-অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ ওপৰত তেওঁৰ নিয়ন্ত্ৰণৰ প্ৰতীক। এই ত্ৰিশূল জীৱনৰ তিনিটা গুণ- সত্ত্ব, ৰজঃ আৰু তমঃৰ ভাৰসাম্যৰ দ্যোতক। তেওঁৰ হাতত থকা চক্ৰই বিশ্বৰ গতিশীলতা আৰু সময়ৰ অবিৰত পৰিৱৰ্তনৰ সূচনা কৰে। এই চক্ৰই মানৱক স্মৰণ কৰায় যে জীৱন এটা চক্ৰৰ দৰে, য'ত সুখ-দুখ, জয়-পৰাজয় অহা-যোৱা কৰি থাকে। তেওঁৰ তৰোৱালে জ্ঞানৰ তীক্ষ্ণতাৰ প্ৰতীক, যিয়ে মানৱ মনৰ অজ্ঞানতা, দ্বিধা আৰু অন্ধকাৰক নিমিষতে চিৰি পেলায়। তেওঁৰ শংখৰ ধ্বনিয়ে সৃষ্টিৰ আদিম নাদ, পৰম সত্যৰ প্ৰতীক, যি শুনিলে মনৰ ভিতৰত এক আধ্যাত্মিক জাগৰণৰ সৃষ্টি হয়। তেওঁৰ বাহন সিংহই নিৰ্ভীকতা, ৰাজকীয়তা আৰু অদম্য শক্তিৰ প্ৰতীক। সিংহৰ ওপৰত উপবিষ্ট হৈ তেওঁ এই বাৰ্তা দিয়ে যে প্ৰকৃত শক্তি তেতিয়াহে প্ৰকাশ পায়, যেতিয়া মানুহে নিজৰ অহংকাৰ, ভয় আৰু স্বাৰ্থপৰতাক জয় কৰি সত্যৰ পথত অটল থাকে। তেওঁৰ এই ৰূপৰ প্ৰতিটো দিশই জীৱনৰ গভীৰ দাৰ্শনিক তাৎপৰ্য বহন কৰে, যিয়ে মানুহক নিজৰ সুপ্ত শক্তিৰ সন্ধান দিয়ে। এই ৰূপৰ ধ্যান কৰিলে ভক্তৰ মনত এক অপূৰ্ব শক্তিৰ সঞ্চাৰ হয়, যিয়ে তেওঁলোকক জীৱনৰ প্ৰতিটো পৰিস্থিতিত নিৰ্ভীকভাৱে আগুৱাই যাবলৈ প্ৰেৰণা যোগায়। তেওঁৰ এই মহিমাময় ৰূপে মানৱক জীৱনৰ সংগ্ৰামৰ মাজতো অটল থাকিবলৈ শিকায়, আৰু নিজৰ ভিতৰৰ শক্তিক জাগ্ৰত কৰি জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ প্ৰস্তুত কৰে। এই ৰূপৰ প্ৰতিটো অংশই মানৱক জীৱনৰ একো একোটা শিক্ষা দিয়ে, যিয়ে তেওঁলোকক জীৱনৰ পথত সঠিক দিশত আগুৱাই লৈ যায়।

মা দুৰ্গাৰ আৱিৰ্ভাৱৰ কাহিনী হৈছে এটা গভীৰ আধ্যাত্মিক তত্ত্বৰ স্ফুৰণ, যিয়ে মানৱক জীৱনৰ সংগ্ৰাম আৰু বিজয়ৰ গভীৰ অৰ্থ বুজিবলৈ সহায় কৰে। পৌৰাণিক কাহিনী অনুসৰি, যেতিয়া মহিষাসুৰ নামৰ অসুৰৰ অত্যাচাৰত স্বৰ্গ আৰু মৰ্ত্যলোকৰ সকলো প্ৰাণী অতিষ্ঠ হৈ পৰিছিল, তেতিয়া দেৱতাসকলেও নিজৰ শক্তি হেৰুৱাইছিল। এই সংকটৰ সময়ত, পৰমব্ৰহ্মৰ ইচ্ছাত সকলো দেৱতাৰ শক্তি একত্ৰিত হৈ এক তেজোময় নাৰীশক্তিৰ ৰূপত মা দুৰ্গাৰ সৃষ্টি হৈছিল। এই কাহিনীৰ মাজত লুকাই আছে এক অতি গভীৰ সত্য- যে সকলো শক্তিৰ সমন্বয়ৰ ফলতেই পৰম শক্তিৰ প্ৰকাশ সম্ভৱ। মহিষাসুৰৰ অত্যাচাৰ হৈছে মানৱ মনৰ অজ্ঞানতা, অহংকাৰ, স্বাৰ্থপৰতা আৰু দুৰ্নীতিৰ প্ৰতীক। এই অসুৰী শক্তিবোৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে, আৰু ইয়াক জয় কৰিবলৈ এক সমন্বিত আৰু উচ্চ শক্তিৰ প্ৰয়োজন। মা দুৰ্গাৰ এই আৱিৰ্ভাৱে এই সত্যক প্ৰতিপন্ন কৰে যে নাৰী শক্তিৰ অবিহনে সৃষ্টিৰ ভাৰসাম্য ৰক্ষা সম্ভৱ নহয়। তেওঁৰ সৃষ্টিৰ এই কাহিনী কেৱল পৌৰাণিক নহয়, ই জীৱনৰ প্ৰতিটো সংগ্ৰামৰ সৈতে জড়িত। এই কাহিনীয়ে মানৱক শিকায় যে জীৱনৰ যিকোনো বাধা, যিকোনো অন্ধকাৰ শক্তিৰ সন্মুখীন হ'বলৈ নিজৰ ভিতৰৰ শক্তিক জাগ্ৰত কৰিব লাগিব। মা দুৰ্গাৰ এই শক্তিৰ প্ৰকাশে ভক্তসকলক জীৱনৰ প্ৰতিটো ক্ষেত্ৰত অটল থাকিবলৈ আৰু ন্যায়ৰ পথত অগ্ৰসৰ হ'বলৈ প্ৰেৰণা দিয়ে। এই কাহিনীৰ গভীৰতাৰ মাজত লুকাই আছে এক সৰ্বজনীন সত্য, যে শক্তিৰ সঠিক ব্যৱহাৰৰ দ্বাৰাহে জীৱনৰ প্ৰকৃত বিজয় সম্ভৱ। তেওঁৰ এই আৱিৰ্ভাৱৰ কাহিনী মানৱক এই শিক্ষাও দিয়ে যে যেতিয়া সকলো পথ বন্ধ হৈ যায়, তেতিয়া একত্ৰিত শক্তিৰ জৰিয়তেই অসম্ভৱক সম্ভৱ কৰিব পাৰি। এই কাহিনীৰ মাধ্যমেৰে মানৱে নিজৰ ভিতৰৰ শক্তিৰ সন্ধান পায়, আৰু জীৱনৰ প্ৰতিটো সংগ্ৰামত জয়ী হ'বলৈ সাহস লাভ কৰে।

মা দুৰ্গাৰ পূজাৰ মাধ্যমেৰে এক অপূৰ্ব আধ্যাত্মিক আৰু সাংস্কৃতিক জাগৰণৰ সৃষ্টি হয়। দুৰ্গা পূজাৰ সময়ত গাঁৱে-ভূঞে, নগৰে-চহৰে উৎসৱমুখৰ পৰিৱেশৰ সূচনা হয়। এই সময়ত মানুহৰ মাজত একতাৰ ভাৱ জাগ্ৰত হয়, আৰু সমাজৰ সকলো শ্ৰেণীৰ লোক একত্ৰিত হৈ মা দুৰ্গাৰ প্ৰতি নিজৰ ভক্তি নিবেদন কৰে। পূজাৰ সময়ত বিগ্ৰহ স্থাপন, মন্ত্ৰোচ্চাৰণ, ধূপ-দীপৰ ব্যৱহাৰ আৰু বিভিন্ন আচাৰ-অনুষ্ঠানে ভক্তৰ মনত এক গভীৰ আধ্যাত্মিক সংযোগৰ সৃষ্টি কৰে। এই সময়ত কৰা উপবাস, ধ্যান আৰু প্ৰাৰ্থনাই মানুহৰ মনক শুদ্ধ কৰি তেওঁলোকক জীৱনৰ উচ্চতৰ লক্ষ্যৰ দিশে আগুৱাই লৈ যায়। এই পূজাৰ সময়ত সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হয়, যেনে নৃত্য, সংগীত আৰু নাট্য প্ৰদৰ্শন। এই কাৰ্যসূচীৰ জৰিয়তে মা দুৰ্গাৰ মহিমা প্ৰকাশ পায় আৰু সমাজৰ সাংস্কৃতিক ঐতিহ্যৰ এক নতুন মাত্ৰা যোগ হয়। এই উৎসৱৰ সময়ত কন্যা পূজাৰ পৰম্পৰাই নাৰীৰ প্ৰতি সন্মান আৰু শক্তিৰ প্ৰতীক হিচাপে তেওঁলোকৰ স্থানক পুনৰ্নিৰ্ধাৰণ কৰে। এই পৰম্পৰাই সমাজত নাৰীৰ গুৰুত্বক পুনৰ্জনন কৰে আৰু তেওঁলোকক শক্তিৰ প্ৰতিমূৰ্তি হিচাপে স্থাপন কৰে। দুৰ্গা পূজাৰ এই সময়ত সমাজৰ প্ৰতিটো স্তৰত এক ইতিবাচক শক্তিৰ সঞ্চাৰ হয়, যিয়ে মানুহক দৈনন্দিন জীৱনৰ ব্যস্ততাৰ পৰা মুক্ত কৰি তেওঁলোকৰ মনত শান্তি আৰু সাহসৰ ভাৱ জাগ্ৰত কৰে। এই পূজাৰ মাধ্যমেৰে সমাজে নিজৰ সাংস্কৃতিক পৰিচয়ক শক্তিশালী কৰে আৰু একতাৰ মাধ্যমেৰে সমাজৰ প্ৰতিটো স্তৰত ইতিবাচক পৰিৱৰ্তনৰ সূচনা কৰে। এই উৎসৱৰ সময়ত ভক্তসকলে মা দুৰ্গাৰ শক্তিৰ সন্ধান পায়, যিয়ে তেওঁলোকক জীৱনৰ প্ৰতিটো ক্ষেত্ৰত নিৰ্ভীকভাৱে আগুৱাই যাবলৈ প্ৰেৰণা দিয়ে। এই পূজাৰ প্ৰতিটো আচাৰ-অনুষ্ঠানৰ পাছত লুকাই থাকে এক গভীৰ আধ্যাত্মিক তাৎপৰ্য, যিয়ে ভক্তক জীৱনৰ গভীৰতম সত্যৰ সন্ধান দিয়ে আৰু তেওঁলোকক পৰম মুক্তিৰ পথলৈ আগুৱাই লৈ যায়।

### হিমাংশু ৰঞ্জন ভূঞা

মা দুৰ্গাৰ বিভিন্ন ৰূপৰ মাজত তেওঁৰ নৱদুৰ্গা ৰূপ অতি বিশেষ তাৎপৰ্য বহন কৰে। নৱৰাত্ৰিৰ নটা দিনত পূজা কৰা এই নটা ৰূপে জীৱনৰ বিভিন্ন দিশৰ প্ৰতিনিধিত্ব কৰে। প্ৰতিটো ৰূপে মানৱ জীৱনৰ একো একোটা গুণৰ প্ৰতীক— শান্তি, জ্ঞান, সমৃদ্ধি, সাহস, কৰুণা আৰু বিনাশকাৰী শক্তি। এই নৱদুৰ্গাৰ পূজাৰ মাধ্যমেৰে ভক্তই নিজৰ মনৰ ভিতৰৰ দুৰ্গুণবোৰক দূৰ কৰি সু-গুণৰ জাগৰণ ঘটায়। এই নটা দিনৰ প্ৰতিটো দিনে মানৱ জীৱনৰ একো একোটা পৰ্যায়ক সূচায়, য'ত সাধকে ক্ৰমান্বয়ে নিজৰ মনক শুদ্ধ কৰি আধ্যাত্মিক উচ্চতালৈ গতি কৰে। এই সময়ত কৰা ধ্যান, উপবাস আৰু প্ৰাৰ্থনাই ভক্তৰ মনত এক গভীৰ শান্তিৰ সৃষ্টি কৰে আৰু তেওঁলোকক জীৱনৰ প্ৰতিটো ক্ষেত্ৰত সাহসী হ'বলৈ প্ৰেৰণা দিয়ে। এই নৱদুৰ্গাৰ পূজা কেৱল ধৰ্মীয় আচাৰ নহয়, ই হৈছে মানৱৰ ভিতৰৰ শক্তিৰ জাগৰণৰ এক প্ৰক্ৰিয়া। এই পূজাৰ মাধ্যমেৰে ভক্তই শিকে যে জীৱনৰ প্ৰতিটো দিশত ভাৰসাম্য ৰক্ষা কৰাটো অতি জৰুৰী। এই নৱদুৰ্গাৰ ৰূপৰ পূজাই ভক্তৰ মনত এক গভীৰ আধ্যাত্মিক সংযোগৰ সৃষ্টি কৰে, যিয়ে তেওঁলোকক নিজৰ ভিতৰৰ শক্তিৰ সন্ধান দিয়ে আৰু জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ প্ৰেৰণা যোগায়। এই পূজাৰ প্ৰতিটো দিনে ভক্তক জীৱনৰ একো একোটা নতুন দিশৰ সৈতে পৰিচয় কৰাই দিয়ে, যিয়ে তেওঁলোকক নিজৰ মনৰ গভীৰতাত প্ৰৱেশ কৰি পৰম সত্যৰ সন্ধান পাবলৈ সহায় কৰে। এই নৱদুৰ্গাৰ পূজাৰ মাধ্যমেৰে ভক্তই জীৱনৰ প্ৰতিটো ক্ষেত্ৰত শক্তি, সাহস আৰু জ্ঞান লাভ কৰে, যিয়ে তেওঁলোকক জীৱনৰ প্ৰতিটো পৰিস্থিতিত নিৰ্ভীকভাৱে আগুৱাই যাবলৈ সহায় কৰে।

মা দুৰ্গাৰ শক্তিৰ তিনিটা মূল ৰূপ— মহালক্ষ্মী, মহাসৰস্বতী আৰু মহাকালী— বিশ্বব্ৰহ্মাণ্ডৰ তিনিটা মূল ক্ৰিয়াৰ প্ৰতিনিধিত্ব কৰে। মহালক্ষ্মীয়ে সমৃদ্ধি, স্থিতিশীলতা আৰু জীৱনৰ পাৰ্থিৱ প্ৰয়োজনীয়তাৰ প্ৰতীক, যিয়ে মানুহক জীৱনৰ মৌলিক চাহিদা পূৰণ কৰাত সহায় কৰে। এই ৰূপে মানৱক শিকায় যে জীৱনৰ পাৰ্থিৱ সুখ আৰু সমৃদ্ধি অবিহনে জীৱন অসম্পূৰ্ণ। মহাসৰস্বতীয়ে জ্ঞান, বিদ্যা, কলা আৰু বাকশক্তিৰ প্ৰেৰণা প্ৰদান কৰে, যিয়ে মানুহৰ বৌদ্ধিক আৰু আধ্যাত্মিক উন্নতিৰ পথ মুকলি কৰে। এই ৰূপে মানৱক জ্ঞানৰ তীক্ষ্ণতাৰ গুৰুত্ব শিকায়, যিয়ে তেওঁলোকক জীৱনৰ প্ৰতিটো ক্ষেত্ৰত সঠিক সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰে। মহাকালীয়ে সময় আৰু বিনাশৰ শক্তিৰ প্ৰতীক, যিয়ে জীৱনৰ অশুভ শক্তি আৰু পুৰণি ধাৰণাৰ ধ্বংসৰ মাধ্যমেৰে নতুন সৃষ্টিৰ পথ প্ৰশস্ত কৰে। এই ৰূপে মানৱক জীৱনৰ পৰিৱৰ্তনৰ গুৰুত্ব শিকায়, যিয়ে তেওঁলোকক পুৰণি বাধাৰ পৰা মুক্ত হৈ নতুন সম্ভাৱনাৰ দিশে আগুৱাই যাবলৈ প্ৰেৰণা দিয়ে। এই তিনিটা শক্তিৰ সমন্বয়ৰ জৰিয়তেই বিশ্বৰ ক্ৰিয়া-কৰ্ম পৰিচালিত হয়। মা দুৰ্গাৰ পূৰ্ণাংগ ৰূপত এই তিনিওটা শক্তি একত্ৰিত হৈ তেওঁক সৰ্বময়ী শক্তিৰ আধাৰ কৰি তোলে। এই তিনি ৰূপৰ পূজাই ভক্তৰ জীৱনত ভাৰসাম্য ৰক্ষাৰ এক গভীৰ শিক্ষা দিয়ে। এই পূজাৰ মাধ্যমেৰে ভক্তই শিকে যে জীৱনৰ প্ৰতিটো দিশত— সমৃদ্ধি, জ্ঞান আৰু শক্তিৰ— ভাৰসাম্য ৰক্ষা কৰাটো অতি জৰুৰী। এই তিনি শক্তিৰ সমন্বয়ৰ জৰিয়তে মানুহে জীৱনৰ প্ৰতিটো ক্ষেত্ৰত পূৰ্ণতা লাভ কৰিব পাৰে। এই তিনি ৰূপৰ পূজাৰ মাধ্যমেৰে ভক্তই জীৱনৰ তিনিটা মূল উপাদান— সমৃদ্ধি, জ্ঞান আৰু বিনাশকাৰী শক্তিৰ ওপৰত নিয়ন্ত্ৰণ লাভ কৰে। এই তিনি শক্তিৰ সমন্বয়ই মানৱক জীৱনৰ প্ৰতিটো দিশত ভাৰসাম্য ৰক্ষা কৰি চলিবলৈ প্ৰেৰণা যোগায়। এই ত্ৰি-শক্তিৰ ধাৰণাই মানৱক জীৱনৰ তিনিওটা দিশতে ভাৰসাম্য ৰক্ষা কৰি চলিবলৈ শিকায়, যিয়ে তেওঁলোকক জীৱনৰ প্ৰতিটো ক্ষেত্ৰত সফলতা লাভ কৰাত সহায় কৰে।

শাক্ত দৰ্শনত মা দুৰ্গাৰ স্থান সৰ্বোচ্চ। এই দৰ্শনত পৰম সত্যক নাৰী শক্তিৰূপে পূজা কৰা হয়, আৰু মা দুৰ্গাক বিশ্বৰ মূল কাৰণ আৰু পৰিণাম হিচাপে গণ্য কৰা হয়। এই দৰ্শন অনুসৰি, বিশ্বৰ সকলো ক্ৰিয়া—সৃষ্টি, স্থিতি আৰু লয়—এই শক্তিৰ জৰিয়তেই পৰিচালিত হয়। ত্ৰিমূৰ্তি—ব্ৰহ্মা, বিষ্ণু আৰু মহাদেৱ —এই তিনিওটা শক্তিও এই নাৰী শক্তিৰ অবিহনে নিষ্কৰ্মা। মা দুৰ্গা হৈছে সেই আদ্যাশক্তিৰ এক উগ্ৰ ৰূপ, যি সৃষ্টিৰ শৃঙ্খলা ৰক্ষাৰ বাবে আৱিৰ্ভূত হয়। এই দৰ্শনে নাৰীক কেৱল জন্মদাত্ৰী বা গৃহিণীৰূপে নহয়, বিশ্বৰ পৰম উৎস আৰু শক্তিৰূপে প্ৰতিষ্ঠা কৰে। এই দৰ্শনৰ প্ৰভাৱ গভীৰ, কাৰণ ই নাৰীৰ স্থানক সমাজৰ সৰ্বোচ্চ স্তৰত প্ৰতিষ্ঠা কৰে। এই দৰ্শনৰ মাধ্যমেৰে মানুহে শিকে যে শক্তিৰ উপাসনাৰ দ্বাৰা কেৱল পাৰ্থিৱ সুখেই নহয়, পৰম মুক্তিও লাভ কৰিব পাৰি। এই দৰ্শনে নাৰী আৰু পুৰুষৰ মাজৰ পাৰ্থক্যক দূৰ কৰি শক্তিৰ সৰ্বব্যাপী সত্তাক প্ৰতিষ্ঠা কৰে, য'ত নাৰী শক্তি হৈছে মূল। এই দৰ্শনৰ মূল কথাটোৱেই হৈছে যে পুৰুষ হৈছে কেৱল চেতনা বা জ্ঞান, কিন্তু ক্ৰিয়াশীলতা আৰু সামৰ্থ্য্য হৈছে নাৰীৰ স্বৰূপ, আৰু এই শক্তিৰ দ্বাৰাইহে জ্ঞান বাস্তৱত ৰূপায়িত হয়। এই দৰ্শনৰ গভীৰতাৰ মাধ্যমেৰে মানুহে জীৱনৰ প্ৰকৃত অৰ্থৰ সন্ধান পায়, আৰু নিজৰ ভিতৰৰ শক্তিক জাগ্ৰত কৰি জীৱনৰ প্ৰতিটো ক্ষেত্ৰত সফলতা লাভ কৰে। এই দৰ্শনে মানৱক শিকায় যে শক্তিৰ উপাসনাৰ দ্বাৰা তেওঁলোক নিজৰ জীৱনৰ প্ৰতিটো দিশত ভাৰসাম্য ৰক্ষা কৰি চলিব পাৰে।

দুৰ্গা পূজাৰ সময়ত কুমাৰী পূজাৰ পৰম্পৰাই নাৰীক শক্তিৰ প্ৰতিমূৰ্তি হিচাপে প্ৰতিষ্ঠা কৰে। এই পৰম্পৰাই সমাজত নাৰীৰ গুৰুত্বক পুনৰ্নিৰ্ধাৰণ কৰে আৰু তেওঁলোকক সমাজৰ সৰ্বোচ্চ স্থানত প্ৰতিষ্ঠা কৰে। এই পূজাৰ সময়ত সমাজৰ সকলো শ্ৰেণীৰ মানুহ একত্ৰিত হৈ এক ইতিবাচক শক্তিৰ সঞ্চাৰ কৰে, যিয়ে সমাজত একতা আৰু সম্প্ৰীতিৰ ভাৱ জাগ্ৰত কৰে। মনোবৈজ্ঞানিকভাৱে, মা দুৰ্গাৰ পূজাই মানুহৰ মনত সাহস আৰু আত্মবিশ্বাসৰ ভাৱ জাগ্ৰত কৰে। তেওঁৰ উগ্ৰ আৰু মহিমাময় ৰূপৰ ধ্যান কৰিলে মানুহৰ মনৰ ভয় আৰু দুৰ্বলতা দূৰ হয়। এই পূজাৰ মাধ্যমেৰে মানুহে নিজৰ ভিতৰৰ সুপ্ত শক্তিক জাগ্ৰত কৰি জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ প্ৰস্তুত হয়। এই পূজাই মানুহৰ মনৰ নেতিবাচক শক্তিবোৰক উচ্ছেদ কৰি এক ইতিবাচক মনোভাৱ গ্ৰহণ কৰাত সহায় কৰে। এই পূজাৰ প্ৰভাৱে সমাজত এক গভীৰ আধ্যাত্মিক আৰু সামাজিক জাগৰণৰ সৃষ্টি কৰে, যিয়ে মানুহক জীৱনৰ প্ৰতিটো ক্ষেত্ৰত সাহস আৰু প্ৰেৰণাৰ সৈতে আগুৱাই যাবলৈ সহায় কৰে। এই পূজাৰ মাধ্যমেৰে মানুহে নিজৰ মনৰ ভিতৰৰ শক্তিক জাগ্ৰত কৰি জীৱনৰ প্ৰতিটো পৰিস্থিতিত নিৰ্ভীকভাৱে আগুৱাই যাবলৈ শিকে। এই পূজাৰ প্ৰতিটো আচাৰ-অনুষ্ঠানে মানুহক জীৱনৰ গভীৰতম সত্যৰ সন্ধান দিয়ে, আৰু তেওঁলোকক পৰম মুক্তিৰ পথলৈ আগুৱাই লৈ যায়।

মা দুৰ্গাৰ মাতৃত্বৰ স্বৰূপ হৈছে তেওঁৰ আন এটা গুৰুত্বপূৰ্ণ দিশ। যদিও তেওঁ মহিষাসুৰমৰ্দিনীৰ ৰূপত উগ্ৰ আৰু বীৰাঙ্গনা হিচাপে আৱিৰ্ভূত হয়, তথাপি তেওঁ ভক্তৰ বাবে পৰম কৰুণাময়ী মাতৃ। এই মাতৃ স্বৰূপে এই কথা সূচায় যে শক্তি আৰু কৰুণা পৰস্পৰৰ পৰিপূৰক। এজনী মাতৃৰ দৰে মা দুৰ্গাই নিজৰ ভক্তক জীৱনৰ প্ৰতিটো বিপদৰ পৰা ৰক্ষা কৰে আৰু তেওঁলোকক সঠিক পথত পৰিচালনা কৰে। তেওঁৰ উগ্ৰতা কেৱল দুৰ্জনৰ বাবে, কিন্তু ভক্তৰ বাবে তেওঁৰ হৃদয় কৰুণাৰে ভৰা। এই মাতৃ-ভাৱে ভক্তৰ সৈতে এক পৱিত্ৰ সম্পৰ্ক স্থাপন কৰে, য'ত ভক্তই নিৰ্ভয়ে নিজৰ দুখ-দুৰ্দশা তেওঁৰ ওচৰত নিবেদন কৰিব পাৰে। এই মাতৃত্বৰ স্বৰূপে ভক্তৰ মনত এক গভীৰ আস্থা আৰু নিৰ্ভৰতাৰ ভাৱ জাগ্ৰত কৰে। এই মাতৃ-ভাৱৰ জৰিয়তে মানুহে জীৱনৰ প্ৰতিটো ক্ষেত্ৰত শক্তি আৰু সাহস লাভ কৰে। এই মাতৃত্বৰ স্বৰূপে সমাজত এক গভীৰ আধ্যাত্মিক সংযোগৰ সৃষ্টি কৰে, যিয়ে মানুহক জীৱনৰ প্ৰতিটো পৰিস্থিতিত নিৰ্ভীক হৈ থাকিবলৈ প্ৰেৰণা দিয়ে। এই মাতৃত্বৰ স্বৰূপে মানুহক জীৱনৰ প্ৰতিটো ক্ষেত্ৰত শক্তি আৰু সাহসৰ সৈতে আগুৱাই যাবলৈ সহায় কৰে। এই মাতৃ-ভাৱৰ জৰিয়তে মানুহে নিজৰ ভিতৰৰ শক্তিক জাগ্ৰত কৰি জীৱনৰ প্ৰতিটো পৰিস্থিতিত নিৰ্ভীকভাৱে আগুৱাই যাবলৈ শিকে।

উপসংহাৰ হিচাপে ক'ব পাৰি যে মা দুৰ্গাৰ শক্তিৰ প্ৰকাশ সমাজত এক অমলিন প্ৰভাৱ বিস্তাৰ কৰে। তেওঁৰ পূজাৰ মাধ্যমেৰে সমাজত একতা, সম্প্ৰীতি আৰু ইতিবাচক শক্তিৰ সঞ্চাৰ হয়। তেওঁৰ বিভিন্ন ৰূপ আৰু পৌৰাণিক কাহিনীৰ জৰিয়তে ভক্তই জীৱনৰ প্ৰতিটো পৰিস্থিতিত সাহস আৰু প্ৰেৰণা লাভ কৰে। তেওঁৰ শক্তিৰ প্ৰকাশে মানুহৰ ভিতৰৰ সুপ্ত শক্তিক জাগ্ৰত কৰি তেওঁলোকক জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ প্ৰস্তুত কৰে। মা দুৰ্গাৰ পূজাৰ পৰম্পৰাই কেৱল ধৰ্মীয় তাৎপৰ্যই নহয়, ই সমাজৰ সাংস্কৃতিক আৰু আধ্যাত্মিক পৰিচয়কো শক্তিশালী কৰে। এই পূজাৰ মাধ্যমেৰে সমাজে নিজৰ ঐতিহ্যক সংৰক্ষণ কৰে আৰু নতুন প্ৰজন্মক সত্য আৰু ন্যায়ৰ পথত অগ্ৰসৰ হ'বলৈ প্ৰেৰণা দিয়ে। মা দুৰ্গাৰ শক্তিৰ এই চিৰন্তন প্ৰকাশে সমাজক এক গভীৰ আধ্যাত্মিক আৰু সামাজিক জাগৰণৰ দিশে আগুৱাই লৈ যায়, যিয়ে জীৱনৰ প্ৰতিটো ক্ষেত্ৰত শান্তি, সমৃদ্ধি আৰু শক্তিৰ সঞ্চাৰ কৰে।

## শৰৎ

বৰ্লিন বৰদলৈ

আহিন ভৰুণ সেউজী নিৰ্য্যাস
আকাশত শুকুলা মেঘৰ প্ৰণয়
গেঁৰ লোৱা ধানৰ গাখীৰতী ওহাৰ।
যাদুসনা মায়াময় বতাহত
উদুলি - মুদুলি শৰতৰ পদূলি
আপোন পাহৰা মোৰ
আপোন গাঁৱৰ মানুহ।
কেঁচা মাটিৰ গোন্ধে আকৌ মাতে
ব্ৰহ্মপুত্ৰৰ বালি চাপৰিত
শুকুলা কঁহুৱা, বিৰিণাৰ
নিবিড় আলিংগন -
শৰালি, ৰাজহংসৰ গামীৰ বা'ই
দেহ-মন জুৰাই,
দুৱৰিবনত নিয়ৰৰ মুকুতাৰ দলিছা
পিতাইৰ চোতালত বালিমাহীৰ ডেওনাচ।

## শৰতৰ শেৱালি

ৰূপালী গগৈ চুতীয়া

পদূলিত তোমাৰ নামত
ৰোৱা এটি শেৱালি পুলি
প্ৰথমে বহুত হাঁহি আছিল
আজিও হাঁহে
আগৰ দৰে নহয়
এটি ব্যতিক্ৰম হাঁহি
মাথোঁ হাঁহিৰ নামৰ চকুৰ পানী
নিছিনো সেই চকুৰ পানীৰ নাম কি।

শৰতৰ শেৱালি ফুলিছে
বিৰিনাৰ আঁৰত বগাবোৰেও হাঁহিছে
কুঁৱলী ৰাণী আজি
অসমৰ বুকুত বগা ওৰণী
গুচাব পৰা নাই
কিয় জানেনে?
সকলোৱে জানে
আমাৰ হিয়াৰ আমঠু
নিমাতে নিতালে শুই পৰিছে
কোনোদিনে বোলে নুঠে
কোনোদিনে নুঠে।

# পৰিৱৰ্তিত সমাজত দুৰ্গা পূজাৰ আধুনিক ৰূপ

**শ**ক্তিৰ প্ৰতীক দুৰ্গাপূজা আৱহমান কালৰে পৰা সমগ্ৰ ভাৰততে পৰম্পৰাগতভাৱে চলি আহিছে। দুৰ্গা পূজা হৈছে ভাৰতৰ আটাইতকৈ বৃহৎ আৰু জনপ্ৰিয় ধৰ্মীয় উৎসৱসমূহৰ অন্যতম। ভাৰত উপমহাদেশৰ লগতে বিশ্বৰ আন বহুতো দেশত দুৰ্গা পূজা পালন কৰা হয়। ভাৰতৰ ৰাজ্য পশ্চিম বংগ, অসম, ত্ৰিপুৰা আৰু ঝাৰখণ্ডত জাকজমকতাৰে সৈতে দুৰ্গা পূজা উদ্‌যাপন কৰা হয়। অসমত প্ৰাক্-ঐতিহাসিক যুগৰ পৰাই দুৰ্গাপূজা প্ৰচলন থকাৰ বহু প্ৰমাণ পোৱা যায়। কামৰূপত পাল বংশৰ ৰজাই তান্ত্ৰিক ধৰ্ম গ্ৰহণ কৰাৰ পিছৰে পৰা (৯৯০-১০১০) কামাখ্যা ধাম বলি-বিধানৰ কেন্দ্ৰ হৈ পৰে। ১৫৬৫ খৃষ্টাব্দত কোচৰজা নৰনাৰায়ণে কামাখ্যা মন্দিৰ পুনৰ্নিৰ্মাণ কৰি দুৰ্গাদেৱীৰ পূজা আৰম্ভ কৰে। আহোম ৰজা প্ৰতাপ সিংহৰ আমোলত মৃণ্ময়ী মূৰ্তিৰ দুৰ্গা পূজা ৰাজকীয় আড়ম্বৰতাৰে পালন হ'বলৈ ধৰে। তেওঁৰ দিনতে ৰাজ্যত বহুতো দুৰ্গাপীঠ নিৰ্মাণ কৰা হয়। ইয়াৰ পিছত ৰুদ্ৰসিংহ আৰু ফুলেশ্বৰী কুঁৱৰীৰ অত্যন্ত পৃষ্ঠপোষকতাত দুৰ্গোৎসৱে ৰজাঘৰত বিশেষ প্ৰতিষ্ঠা লাভ কৰিলে। এইদৰে প্ৰাচীন অসমৰ হাজো, নলবাৰীৰ বিল্বেশ্বৰ, গুৱাহাটীৰ শুক্ৰেশ্বৰ, শুৱালকুছিৰ বাঘেশ্বৰী, বজালীৰ পৰিহৰেশ্বৰ, শিলঘাটৰ কামাখ্যা, নগাঁৱৰ হাতীমূৰীয়া, গোলাঘাটৰ বুঢ়ী গোসাঁনীৰ থান, শদিয়াৰ তাম্ৰেশ্বৰী, শিৱসাগৰৰ দেৱী দ'ল, জয়সাগৰৰ দেৱীদ'ল, গৌৰীসাগৰৰ দেৱীদ'ল আদি দুৰ্গাপীঠ আৰু দুৰ্গামন্দিৰসমূহ গঢ় লৈ উঠে। সেই সময়ত ৰজাঘৰৰ পৃষ্ঠপোষকতাত দুৰ্গা পূজা মন্দিৰত অনাড়ম্বৰভাৱে অনুষ্ঠিত কৰা হৈছিল। অতীতৰ পূজা ধৰ্মীয় ক্ৰিয়াকলাপ তথা আধ্যাত্মিক ভাৱনা আৰু ভক্তিৰ নিৰ্যাসেৰে পৰিপূৰ্ণ আছিল। মূলত বৈদিক মন্ত্ৰোচ্চাৰণৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। পূজাত অংশগ্ৰহণ মাত্ৰ ৰাজবংশৰ সদস্য বা নিৰ্দিষ্ট পৰিসৰৰ মানুহৰ মাজত সীমাবদ্ধ আছিল। কিন্তু সময়ৰ লগে লগে, পূজাৰ আয়োজন আৰু উদ্‌যাপন পদ্ধতিত উল্লেখযোগ্য পৰিৱৰ্তন অহা দেখা গৈছে। আহোম ৰজাত্বকালত প্ৰসাৰ লাভ কৰা দুৰ্গা পূজা আজি সাজ-সজ্জা, বলি-বিধান, দোকান-বজাৰ আদিৰ পয়োভৰে এক আড়ম্বৰপূৰ্ণ উৎসৱলৈ ৰূপান্তৰিত কৰিলে। আজিকালি পূজাই প্ৰযুক্তি, বাণিজ্যিকীকৰণ আৰু সামাজিক দায়িত্ব সম্বলিত এক বিস্তৃত পৰিসৰ সামৰি লৈছে। আধুনিক সমাজ আৰু প্ৰযুক্তিৰ প্ৰভাৱত দুৰ্গা পূজাই এক নতুন প্ৰেক্ষাপট লাভ কৰিছে, য'ত সামাজিক-সাংস্কৃতিক সচেতনতাৰ উপাদানবোৰে অধিক গুৰুত্ব পাইছে। প্ৰাচীন কালৰ দুৰ্গা দেৱীৰ যোনিপীঠ আৰু শৈল ভাস্কৰ্যৰ মূৰ্তি পূজা কালক্ৰমত মৃণ্ময় মূৰ্তিলৈ পৰিৱৰ্তন হ'ল। সেই সময়ৰ শিল্পীসকলে মাটি আৰু প্ৰাকৃতিক উপকৰণেৰে অতি সূক্ষ্মভাৱে দেৱীৰ মূৰ্তি নিৰ্মাণ কৰি পূজাৰ মান বৃদ্ধি কৰিছিল। মূৰ্তি নিৰ্মাণৰ পদ্ধতি সম্পূৰ্ণৰূপে পৰম্পৰাগত আৰু হাতেৰে কৰা হৈছিল। আধুনিক যুগত মূৰ্তি নিৰ্মাণৰ ক্ষেত্ৰত প্লাষ্টাৰ, 'প্লাষ্টাৰ অফ্ পেৰিছ' (POP) আদিৰ দৰে নতুন উপকৰণৰ ব্যৱহাৰ প্ৰচলিত হৈছে। লগতে শিল্পকলাৰ ক্ষেত্ৰত আধুনিক শিল্প আৰু ডিজাইন সংযোজিত হৈছে, যাৰ ফলত মূৰ্তি সুন্দৰ আৰু বৈচিত্ৰ্যময় হ'বলৈ ধৰিছে।

পূজা এতিয়া মাত্ৰ ৰাজঘৰীয়া বা চহকী পৰিয়ালৰ মাজত সীমাবদ্ধ নহয়। সমাজৰ প্ৰায় সকলো স্তৰৰ মানুহে পূজাৰ আয়োজন কৰে। পূজাৰ স্থান মন্দিৰৰ বাহিৰেও পথৰ দাঁতিত চহৰৰ মাজমজিয়াতো অস্থায়ী বা স্থায়ী মণ্ডপত অনুষ্ঠিত হয়। পূজাৰ সমাৰোহ আৰু উৎসৱ এক বিস্তৰ জনসমাগম আৰু উৎসৱৰ ৰূপ লৈছে। আধুনিক পূজা ক্ৰমে এক বৃহৎ সামাজিক উৎসৱৰ ৰূপলৈ পৰ্যবসিত হ'ল।

বহিঃৰাজ্যৰ পৰা আমদানিকৃত ডিজিটেল আলোকসজ্জা, সংগীত, বিষয়ভিত্তিক মণ্ডপ আৰু আলংকাৰিক সজ্জাই প্ৰধান্য পালে। লগতে পূজাৰ পৰা অধিক আনন্দ প্ৰাপ্তিৰ বাবে বিভিন্ন অনুষ্ঠান আৰু সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। আধুনিক পূজাত সকলো স্তৰৰ লোকৰ অংশগ্ৰহণ দেখা যায়। সামাজিক মাধ্যমৰ প্ৰসাৰৰ ফলত দুৰ্গা পূজা মাত্ৰ এটি ধৰ্মীয় সমাৰোহ নহৈ এটা সামাজিক উৎসৱ হিচাপেও পৰিগণিত হৈছে। পূজা আজি বিভিন্ন জাতি-জনগোষ্ঠীৰ এক মিলনভূমিলৈ পৰিৱৰ্তন হৈ পৰিছে।

সমাজখনৰ পৰা অশুভ শক্তিক নাশ কৰি মানুহৰ অন্তৰ্নিহিত মূল্যবোধসমূহ যেনে সত্য, প্ৰেম-প্ৰীতি, সহানুভূতি, উদাৰতা, সহযোগিতা, সৌজন্য, ত্যাগ, কল্যাণকামী চিন্তা, সাধুতা, আত্মবিশ্বাস, সহনশীলতা আদি গুণবোৰে প্ৰতিষ্ঠা কৰিবলৈ দেৱীদুৰ্গাৰ ওচৰত সকলোৱে সংকল্পবদ্ধ হয়। সম্প্ৰতি এই দুৰ্গোৎসৱ সকলো শ্ৰেণীৰ সকলো সম্প্ৰদায়ৰ সংস্কৃতি আৰু সকলো পৰম্পৰাৰ বৰ্ণিল মহোৎসৱ, মহামিলনৰ উৎসৱলৈ ৰূপান্তৰিত হৈছে।

### ললিত নাথ



সময়ৰ লগে লগে পূজাৰ মণ্ডপসজ্জা বিশাল আৰু প্ৰতিযোগিতামূলক হৈ পৰিছে। বিভিন্ন চহৰ আৰু ঠাইত পূজাৰ মণ্ডপসমূহ শিল্প আৰু স্থাপত্যৰ অভিনৱ ৰূপত পৰিণত হৈছে। শিল্পীসকলে মণ্ডপ নিৰ্মাণত অত্যাধুনিক ডিজাইন, পৰিৱেশ-বান্ধৱ সামগ্ৰী আৰু ৰুচিশীল সৃজনশীলতাৰ সন্ধান কৰিছে। পূৰ্বৰ পুৰণি শৈলীত নিৰ্মাণ কৰা মণ্ডপৰ সলনি এতিয়াৰ মণ্ডপবোৰত বিশ্বৰ বিভিন্ন স্থানৰ খ্যাতনামা স্থাপত্যৰ প্ৰতিফলনে পূজাক নতুন ৰূপত প্ৰদৰ্শন কৰি তুলিছে। আধুনিক যুগৰ পূজা সমিতিবোৰে লাখ লাখ টকাৰ বাজেটেৰে শাৰদীয় দুৰ্গাপূজাৰ আয়োজন কৰে। তেওঁলোকে ভক্তক আকৰ্ষণ কৰিবৰ বাবে উচ্চ শিৱলিংগৰ আৰ্হি, বৃন্দাবনৰ চন্দ্ৰোদয় আৰ্হি, থাইলেণ্ডৰ বৌদ্ধ মন্দিৰৰ আৰ্হি, চন্দ্ৰযান-৩ ৰ আৰ্হি, একুৰিয়ামৰ আৰ্হি, মেক্সিকোৰ প্ৰাচীন হিন্দু মন্দিৰ, ইকো-ফ্ৰেইণ্ডলী আৰ্হি আদি বিভিন্ন আৰ্হিত পূজাৰ মণ্ডপসমূহ তৈয়াৰ কৰি ভক্তসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। আধুনিক যুগত পূজাৰ ওপৰত প্ৰযুক্তিৰ প্ৰভাৱ বিশেষভাৱে লক্ষণীয়। পূৰ্বত মণ্ডপত উপস্থিত থাকি পূজাৰ উপভোগ কৰা হৈছিল, এতিয়া ডিজিটেল মাধ্যমৰ সহায়ত পূজা উদ্‌যাপন বিশ্বজুৰি ভক্তসকলৰ হাতৰ মুঠিত আহি পৰিছে। মণ্ডপলৈ যাব নোৱাৰা লোকসকলে অনলাইন পূজা লাইভ ষ্ট্ৰিমিং, পূজাৰ মণ্ডপ পৰিদৰ্শন আৰু পূজাৰ অনুষ্ঠানবোৰ সহজে সামাজিক মাধ্যমৰ জৰিয়তে উপভোগ কৰিবলৈ সক্ষম হৈছে। পূজাৰ সময়ত অনুষ্ঠিত হোৱা বিভিন্ন কাৰ্যসূচী তথা পূজাৰ সাংস্কৃতিক অনুষ্ঠানবোৰ এতিয়া অনলাইন প্লেটফৰ্মত ভাইৰেল হৈ পৰে। ইয়াৰ উপৰি, পূজাৰ বিষয়ত বিশেষ তথ্য, উপদেশ আৰু পূজা সংগ্ৰহসমূহৰ সৈতে নতুন এপ্লিকেশ্বন আৰু ৱেবচাইটসমূহৰ উন্মোচন হৈছে, যিয়ে পূজাৰ উদ্‌যাপন অধিক ব্যক্তিগত আৰু সংহত কৰি তুলিছে। আধুনিক দুৰ্গা পূজা কেৱল আধ্যাত্মিক অনুভৱত সীমাবদ্ধ নাথাকে, ইয়াত সামাজিক দায়িত্ববোধৰ এক গভীৰ পৰিসৰ জড়িত হৈ পৰিছে। পূজাৰ মণ্ডপসমূহত আজি সামাজিক বাৰ্তাবোৰৰ প্ৰদৰ্শন এক প্ৰধান ভূমিকা পালন কৰিছে। পৰিৱেশ সংৰক্ষণ, প্লাষ্টিকৰ ব্যৱহাৰৰ প্ৰতি নিষেধাজ্ঞা, মহিলাৰ সুৰক্ষা, শিশু অধিকাৰ আৰু শিক্ষা উন্নয়নৰ দৰে বিষয়বোৰ মণ্ডপবোৰত সজাগতাৰে দাঙি ধৰিবলৈ চেষ্টা কৰা হয়। পূজাই ক্ৰমে সমাজৰ উন্নয়নৰ এক হাথিয়াৰ হিচাপে স্থান লাভ কৰিছে। উদাহৰণস্বৰূপে, পূজাৰ মণ্ডপৰ চৌহদত ইক' ফ্ৰেণ্ডলী সামগ্ৰী ব্যৱহাৰ কৰা হৈছে, যেনে নিৰ্মল জলাশয় সংৰক্ষণৰ বাবে পৰিৱেশ-বান্ধৱ প্ৰতিমা নিৰ্মাণ কৰা হৈছে। এই ধৰণৰ প্ৰচেষ্টাই পূজাক এক সামাজিক তথা পৰিৱেশগত দায়িত্বৰ প্ৰতিচ্ছবি হিচাপে গঢ়ি তুলিছে। সময়ৰ প্ৰৱাহত দুৰ্গা পূজা উৎসৱৰ বাণিজ্যিকীকৰণ বেছি প্ৰকট হৈছে। পূৰ্বে য'ত পূজা মূলত এক আধ্যাত্মিক আৰু ধৰ্মীয় উৎসৱৰূপে পালন কৰা হৈছিল, এতিয়া পূজাই এক সামাজিক আৰু বাণিজ্যিক অনুষ্ঠানৰ ৰূপ ল'ব ধৰিছে। বিশাল মণ্ডপ, বিশিষ্ট ব্যক্তি আৰু গ্লেমাৰ আয়োজনৰ লগে লগে পূজাৰ উদ্‌যাপন বিলাসী হৈ পৰিছে। বিভিন্ন বাণিজ্যিক প্ৰতিষ্ঠানে এই পূজাৰ লগত জড়িত হৈ সাঁজ-সজ্জা, আলোকসজ্জা আৰু সংগীতৰ বিশাল প্ৰস্তুতি কৰে। বিভিন্ন মণ্ডপ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি এক অনন্য শিল্পীৰূপ সৃষ্টিত আগ্ৰহী হয়। এই দৃষ্টিভংগীয়ে পূজাৰ অৰ্থনৈতিক আৰু সামাজিক মূল্যবোধকো বঢ়াই তুলিছে। ইয়াৰ ফলত পূজাই এক বৃহৎ পৰিসৰত উদ্‌যাপিত হৈ পৰিছে, য'ত লক্ষাধিক লোকৰ সমাগম হয়। দুৰ্গা পূজা আধুনিক ভাৰতীয় সমাজত সামাজিক আৰু সাংস্কৃতিক পৰিসৰত এক গভীৰ অৱদান আছে। এই পূজাই সমাজৰ বিভিন্ন স্তৰৰ মানুহক একত্ৰিত কৰে। চহৰ আৰু গাঁও অঞ্চলসমূহত পূজাৰ সময়ত সৃষ্টি হোৱা সম্প্ৰীতিৰ আৱহ গঢ়ি তোলে। শিল্প-সংস্কৃতি, সংগীত, আৰু নাটকৰ লগতে পূজাৰ মণ্ডপৰ চৌহদত বিভিন্ন সামাজিক কাৰ্যসূচীও পালন কৰা হয়। পূজাৰ সময়ত ভাৰতীয় সংস্কৃতি আৰু কলাৰ প্ৰদৰ্শনে এক চমক সৃষ্টি কৰে। দুৰ্গা পূজা আধুনিক ভাৰতীয় সংস্কৃতি আৰু সমাজৰ এক গভীৰ অংশ। সময়ৰ লগে লগে পূজাৰ উদ্‌যাপন আধুনিকীকৰণৰ পৰিসৰত গঢ় লৈ উঠিছে।

ডিজিটেল মাধ্যমৰ সহায়ত পূজাৰ বিস্তাৰ আৰু বাণিজ্যিকীকৰণে পূজাক এক বিশাল সামাজিক অনুষ্ঠানৰ ৰূপ দিছে। ইক' ফ্ৰেণ্ডলী উদ্‌যাপন আৰু সামাজিক দায়িত্বৰ সংযোগে পূজাৰ গভীৰতাক অধিক শক্তিশালী কৰি তুলিছে। তথাপি, পূজাৰ মূল আধাৰ আধ্যাত্মিকতা আৰু ভক্তিৰ ভিতৰত সদায়েই একতা আৰু ভাতৃত্ববোধৰ বাৰ্তা লৈ আহে।

প্ৰাচীন দুৰ্গা পূজা আৰু আধুনিক দুৰ্গা পূজাত বহু পাৰ্থক্য থাকিলেও, মূল বিশ্বাস আৰু ধাৰ্মিক তাৎপৰ্য অৱশ্যেই একে হৈ আছে। যদিও যুগৰ পৰিৱৰ্তনৰ লগে লগে পূজাৰ আয়োজন আৰু আধ্যাত্মিকতাত কিছু পৰিৱৰ্তন ঘটিছে।

## চেন্নাইত নিৰ্মাণৰত অট্টালিকা

জানিব পৰা মতে, শ্ৰমিকসকল প্ৰায় ২০ ফুট উচ্চতাত কাম কৰি থকাৰ সময়ত এই দুৰ্ঘটনা ঘটে। ঘটনাৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰি নিহত শ্ৰমিকৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে। তেওঁ নিহত প্ৰতিগৰাকী শ্ৰমিকৰ নিকটতম আত্মীয়ৰ বাবে ২ লাখ টকা আৰু আহতসকলৰ বাবে ৫০ হাজাৰ টকাৰ এককালীন আৰ্থিক সাহায্য ঘোষণা কৰিছে। নিহত শ্ৰমিকৰ ভিতৰত পাঁচজনৰ ঘৰ অসমৰ হোজাই জিলাৰ কোমৰাকটা আৰু নভঙা গাঁৱত। তেওঁলোক হৈছে—দীপক ৰাইজুং, পৱন চৰং, প্ৰান্ত চৰং, সুমন কাৰিকাপ আৰু বিমাৰাজ থাউচেন। ইয়াৰ উপৰিও, কাৰ্বি আংলং জিলাৰ মুন্নাকেম্প্ৰাল, চৰবনিত থাউচেন, ফাইবিট ফংলো আৰু বিদায়ুম প্ৰভোতচা নামৰ আন চাৰিজন শ্ৰমিকৰো এই দুৰ্ঘটনাত মৃত্যু হৈছে। এই ঘটনাই অসমৰ শ্ৰমিক সমাজৰ মাজত গভীৰ শোকৰ ছাঁ পেলাইছে। তদন্তৰ জৰিয়তে দুৰ্ঘটনাৰ কাৰণ আৰু প্ৰকল্পৰ সুৰক্ষা ব্যৱস্থাৰ ত্ৰুটি সম্পৰ্কে অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

## আই চি চি মহিলা বিশ্বকাপৰ

জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ জনপ্ৰিয় গীতসমূহৰ মাধ্যমে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। জয় বৰুৱা, অংগৰাগ পাপন মহন্তৰ দৰে শিল্পীৰ সৈতে মেঘালয়ৰ বিখ্যাত 'Shillong Chamber Choir' আৰু বলিউডৰ কণ্ঠশিল্পী শ্ৰেয়া ঘোষালেও জুবিনৰ গীতৰ মাধ্যমে তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰে। উদ্বোধনী অনুষ্ঠানত জয় বৰুৱাই জুবিনৰ 'মায়াবিনী', 'য়া আলী', আৰু 'অনামিকা' এলবামৰ 'হাঁহিলে তুমি মুকুতা মণি সৰে' গীত পৰিবেশন কৰি তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। অংগৰাগ পাপন মহন্তই গীটাৰৰ সুৰৰ সৈতে জুবিনৰ প্ৰিয় গীত 'মায়া' আৰু 'প্ৰীতিৰ সুবাসে' পৰিবেশন কৰি সকলোৰে মন জিনে। ইয়াৰ উপৰিও 'Shillong Chamber Choir'-এ জুবিনৰ গীতৰ এক মেডলী পৰিবেশন কৰি দৰ্শকৰ হৃদয় স্পৰ্শ কৰে। বলিউডৰ বিখ্যাত গায়িকা শ্ৰেয়া ঘোষালে ৰাষ্ট্ৰীয় সংগীতৰ মাধ্যমে উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণি কৰে। প্ৰথম ইনিংছৰ শেষত তেওঁ পুনৰ মঞ্চত উঠি জুবিনৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা জনাই 'মায়াবিনী' গীতটো প্ৰাৰ্থনাৰ ৰূপত পৰিবেশন কৰিব। উল্লেখযোগ্য যে, আজিৰ উদ্বোধনী মেচত ভাৰত আৰু শ্ৰীলংকা মুখামুখি হৈছে। অসমৰ ক্ৰিকেটাৰ তথা উইকেটকীপাৰ উমা চেত্ৰী বিশ্বকাপ দলত স্থান পাইছে যদিও তেওঁ আজিৰ মূল একাদশত খেলাৰ সুযোগ লাভ কৰা নাই। তেওঁ অতিৰিক্ত খেলুৱৈ হিচাপে দলত আছে, আৰু মূল দলত উইকেটকীপাৰৰ ভূমিকাত আছে ৰিচা ঘোষ।

## আইনক নিজৰ পথত

আৰু শান্তি বজাই ৰাখিবলৈ আন্তৰিক আহ্বান জনাইছে। আজি সংবাদ মাধ্যমৰ সৈতে কথা পাতি গৰিমাই কয়, "মই আপোনালোকক হাতযোৰ কৰি অনুৰোধ জনাইছো, অনুগ্ৰহ কৰি আইনক নিজৰ পথত কাম কৰাৰ সুযোগ দিয়ক। অশান্তি আৰু বিশৃংখলতাৰ মাজত জুবিনৰ আদৰ্শ আৰু সংগীতৰ উত্তৰাধিকাৰ কেনেকৈ জীৱন্ত থাকিব?" তেওঁৰ মতে, জুবিনৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা প্ৰকাশৰ একমাত্ৰ পথ হৈছে শান্তিৰ পথত থকা আৰু আইনৰ প্ৰক্ৰিয়াক সন্মান জনোৱা।

## মহিলী বিশ্বকাপৰ প্ৰথমখন

বিশ্বকাপৰ মঞ্চ হিচাপে স্থান লাভ কৰি ইতিহাস সৃষ্টি কৰিছে। উদ্বোধনী মেচত ভাৰতীয় মহিলা ক্ৰিকেট দলে শ্ৰীলংকাক ৫৯ ৰানৰ ব্যৱধানত পৰাস্ত কৰি দুৰ্দান্ত জয়ৰ সৈতে অভিযান আৰম্ভ কৰিছে। মেচত প্ৰথমে বেটিং কৰি ভাৰতীয় দলে শ্ৰীলংকাৰ সন্মুখত ২৭১ ৰানৰ শক্তিশালী লক্ষ্য খাড়া কৰে। জবাবত শ্ৰীলংকাৰ দল ৪৫.৪ অভাৰত সকলো উইকেট হেৰুৱাই ২১১ ৰানত গুটমাট হৈ যায়। ভাৰতৰ এই জয়ৰ জৰিয়তে বৰ্ষাপাৰা ষ্টেডিয়ামৰ বিশ্বকাপ মেচৰ উদ্বোধনী দিনটো স্মৰণীয় হৈ ৰ'ল। এই জয়ৰ ফলত ভাৰতীয় দলৰ প্ৰতিযোগিতাৰ শুভাৰম্ভৰ লগতে অসমৰ ক্ৰীড়াপ্ৰেমীৰ মাজতো উৎসাহৰ সঞ্চাৰ হৈছে। বৰ্ষাপাৰা ষ্টেডিয়ামৰ এই ঐতিহাসিক মেচে অসমৰ ক্ৰীড়া জগতৰ বাবে এক গৌৰৱময় মুহূৰ্ত হিচাপে চিহ্নিত হৈ থাকিব।

## দেশত ভয়াৱহভাৱে বৃদ্ধি

অপৰাধৰ মুঠ ১, ৭৭, ৩৩৫টা গোচৰ পঞ্জীয়ন হৈছে, যি ২০২২ চনৰ তুলনাত ৯.২ শতাংশ বৃদ্ধি পাইছে। অসমত এই অপৰাধৰ হাৰ তীব্ৰভাৱে বৃদ্ধি পোৱাৰ তথ্য প্ৰতিবেদনত উল্লেখ কৰা হৈছে, আনহাতে মধ্যপ্ৰদেশ এই ক্ষেত্ৰত দেশৰ শীৰ্ষ স্থানত আছে। NCRBৰ তথ্য অনুসৰি, ২০২৩ চনত প্ৰতি এক লাখ শিশুৰ বিপৰীতে অপৰাধৰ হাৰ ৩৯.৯ শতাংশ, যিটো ২০২২ চনৰ ৩৬.৬ শতাংশৰ তুলনাত যথেষ্ট বৃদ্ধি। ২০২২ চনত মুঠ ১, ৬২, ৪৪৯টা গোচৰ পঞ্জীয়ন হৈছিল, আৰু ২০২১ চনত এই সংখ্যা আছিল ১, ৪৯, ৪০৪। ২০২৩ চনৰ তথ্য অনুযায়ী, শিশুৰ অপহৰণৰ সৈতে জড়িত ৭৯, ৮৮৪টা গোচৰ (৪৫ শতাংশ) আৰু POCSO আইনৰ অধীনত ৬৭, ৬৯৪টা গোচৰ (৩৮.২ শতাংশ) পঞ্জীয়ন হৈছে। ইয়াৰ উপৰি, বাল্য বিবাহ নিষেধাজ্ঞা আইন আৰু শিশু শ্ৰম (নিষেধাজ্ঞা আৰু নিয়ন্ত্ৰণ) আইনৰ অধীনতো বহু গোচৰ ৰুজু হৈছে। প্ৰতিবেদনত দেখা গৈছে যে, ২০২৩ চনত শিশু ভুক্তভোগীৰ মুঠ সংখ্যা ৪০, ৮৪৬ জন। ইয়াৰ ভিতৰত ৭৬২ জনৰ বয়স ৬ বছৰৰ তলত, ৩, ২২৯ জনৰ বয়স ৬ৰ পৰা ১২ বছৰ, ১৫, ৪৪৪ জনৰ বয়স ১২ৰ পৰা ১৬ বছৰ, আৰু ২১, ৪১১ জনৰ বয়স ১৬ৰ পৰা ১৮ বছৰৰ ভিতৰত। ধৰ্ষণৰ দৰে অপৰাধৰ অধিকাংশ ক্ষেত্ৰত ছোৱালী শিশুসকল ভুক্তভোগী হৈছে। ৰাজ্য অনুসৰি, মধ্যপ্ৰদেশত শিশুৰ বিৰুদ্ধে অপৰাধৰ সংখ্যা সৰ্বাধিক, মুঠ ২২, ৩৯৩টা গোচৰ (৭৭.৯ শতাংশ) পঞ্জীয়ন হৈছে। মহাৰাষ্ট্ৰত ২২, ৩৯০টা (৬২ শতাংশ) আৰু উত্তৰ প্ৰদেশত ১৮, ৮৫২টা (২২.১ শতাংশ) গোচৰ ৰেকৰ্ড হৈছে। অসমত এই সংখ্যা ১০, ১৭৪টা (৮৪.২ শতাংশ), যিটো বিহাৰৰ ৯, ৯০৬টা, দিল্লীৰ ৭, ৭৬৯টা, আৰু আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ ১৪৩.৪ শতাংশৰ তুলনাত যথেষ্ট উদ্বেগজনক। দিল্লীত অপৰাধৰ হাৰ ১৪০.৩ শতাংশ বৃদ্ধি পাইছে। দেশজুৰি চাৰ্জশ্বিট দাখিলৰ হাৰ ৬৪.৩ শতাংশ। তামিলনাডুত ৯৩.৭ শতাংশ আৰু আন্ধ্ৰ প্ৰদেশত ৯১.৩ শতাংশ গোচৰত চাৰ্জশ্বিট দাখিল হৈছে, কিন্তু দিল্লীত এই হাৰ ৩১.৭ শতাংশ আৰু হাৰিয়ানাত ৩৯.৬ শতাংশ। মুঠ ২, ৫৭, ৭৫৬টা তদন্তৰ ভিতৰত ১, ১২, ২৯০টা গোচৰত চাৰ্জশ্বিট দাখিল হৈছে, আৰু ৮০, ১৯৮টা গোচৰ বৰ্ষৰ শেষতো বিচাৰধীন হৈ আছে।

## শিলচৰত ৯ কোটি টকাৰ

নিচাজাতীয় টেবলেট জব্দ কৰা হৈছে। সোমবাৰে নিশা গোপন সূত্ৰৰ পৰা প্ৰাপ্ত তথ্যৰ ভিত্তিত শিলচৰৰ আইজল বাইপাছত এখন ট্ৰাকত তালাচী চলাই আৰক্ষীয়ে প্ৰায় ৩০ হাজাৰ য়াবা টেবলেট উদ্ধাৰ কৰে। আৰক্ষীৰ তদন্তৰ সময়ত জানিব পৰা গৈছে যে মিজোৰামৰ পৰা আহিছিল এই ট্ৰাকখন। ট্ৰাকৰ গোপন চেম্বাৰত লুকুৱাই ৰখা এই য়াবা টেবলেটৰ বজাৰ মূল্য প্ৰায় ৯ কোটি টকা বুলি কাছাৰ জিলাৰ আৰক্ষী অধীক্ষক নোমাল মাহাত্তাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। এই টেবলেটৰ সৰবৰাহ চুবুৰীয়া ৰাজ্য মিজোৰামৰ পৰা কৰা হৈছিল বুলি আৰক্ষীৰ তদন্তত ধৰা পৰিছে। অৱশ্যে, এই অভিযানত বিপুল পৰিমাণৰ টেবলেট জব্দ কৰা হ'লেও আৰক্ষীয়ে সন্দেহভাজন কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। কাছাৰ আৰক্ষীৰ এই অভিযানে অঞ্চলটোত নিচাৰ বিৰুদ্ধে চলি থকা প্ৰচেষ্টাৰ তীব্ৰতা প্ৰতিফলিত কৰিছে। আৰক্ষীৰ এই সফলতাই নিচাৰ অবৈধ সৰবৰাহৰ জাল ভাঙিবলৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

## ১০ ঘণ্টা জেৰা জুবিন

উপ-আৰক্ষী অধীক্ষক সন্দীপন গাৰ্গ। চি আই ডিৰ চমনৰ প্ৰতি সঁহাৰি জনাই সন্দীপনে তদন্তকাৰী দলৰ সৈতে সহযোগিতা কৰিবলৈ উপস্থিত হৈছে। তদন্ত সূত্ৰ অনুসৰি, সন্দীপন গাৰ্গ নৰ্থ-ইষ্ট ফেষ্টিভেল উপলক্ষে জুবিনৰ সৈতে ছিংগাপুৰলৈ গৈছিল আৰু তেওঁ এই ঘটনাৰ প্ৰত্যক্ষ সাক্ষী হিচাপে বিবেচিত হৈছে। জুবিনৰ মৃত্যুৰ সময়ত ঠিক কি পৰিস্থিতিৰ সৃষ্টি হৈছিল, সেই বিষয়ে স্পষ্ট তথ্য লাভৰ বাবে চি আই ডিৰ তদন্তকাৰী দল সন্দীপনৰ ওপৰত মাৰাথন জেৰা চলাইছে।

## বিচাৰাধীন গোচৰ হ্ৰাসৰ

২০২৫লৈকে দেশৰ আদালতসমূহত ৫ কোটিৰো অধিক গোচৰ বিচাৰৰ অপেক্ষাত আছে। নিম্ন আদালতত প্ৰায় ৪.৭ কোটি, উচ্চ ন্যায়ালয়ত ৬৩ লাখৰো অধিক আৰু উচ্চতম ন্যায়ালয়ত ৮৮ হাজাৰতকৈ অধিক গোচৰ বিচাৰাধীন। প্ৰাক্তন উচ্চতম ন্যায়াধীশ মদন লুকুৰে পৰামৰ্শ দিছে যে, প্ৰথমে গোচৰৰ ফাইল পৰীক্ষা কৰি 'জীৱন্ত' আৰু 'মৃত' গোচৰ চিনাক্ত কৰা উচিত। তেওঁৰ মতে, পক্ষসমূহৰ সৈতে যোগাযোগৰ জৰিয়তে গোচৰৰ অৱস্থা জানিব পাৰিলে বহু 'মৃত' গোচৰ বাদ দিয়া সম্ভৱ। তেওঁ উচ্চতম ন্যায়ালয়ৰ আইনী সেৱা সমিতিত এই পদ্ধতিৰে ৩, ০০০ গোচৰৰ ভিতৰত মাত্ৰ ৭০০টা 'জীৱন্ত' বুলি পাইছিল। প্ৰাক্তন ন্যায়াধীশ এ কে পাটনায়কে জানিবলৈ দিছে যে, মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে তেওঁৰ কাৰ্যকালত ন্যায়াধীশ, আদালতৰ কোঠা, ৰাজহুৱা অভিযুক্ত আৰু চৰকাৰী অধিবক্তাৰ সংখ্যা বৃদ্ধিৰ জৰিয়তে গোচৰৰ সংখ্যা হ্ৰাস কৰা হৈছিল। তেওঁৰ মতে, অপৰাধমূলক গোচৰ ৬ মাহৰ পৰা ১ বছৰৰ ভিতৰত আৰু দেৱানী গোচৰ ১ৰ পৰা ২ বছৰৰ ভিতৰত নিষ্পত্তিৰ বাবে চৰকাৰৰ সহযোগিতা অতি প্ৰয়োজনীয়। দিল্লী উচ্চ ন্যায়ালয়ত চলিত বৰ্ষৰ জুলাইত ৪০জন ন্যায়াধীশ কাৰ্যৰত থকাৰ বিপৰীতে অনুমোদিত সংখ্যা ৬০ জন। ১ ছেপ্টেম্বৰলৈকে এই আদালতত ১, ২৭, ৪৯৪ গোচৰ বিচাৰাধীন, য'ৰ ভিতৰত ৯২, ৫৬৬টা দেৱানী আৰু ৩৪, ৯২৮টা অপৰাধমূলক। প্ৰাক্তন ন্যায়াধীশ এছ এন ধিংগ্ৰাই পৰামৰ্শ দিছে যে, গোচৰ হ্ৰাসৰ বাবে আদালতৰ বিশেষীকৰণ, অধিবক্তাৰ অনুপলব্ধতাত স্থগিতাদেশ নিষেধ, ৰোষ্টাৰ ব্যৱস্থা বাতিল, জৰুৰী শুনানিৰ নিয়ম প্ৰণয়ন আৰু ৩০ দিনৰ ভিতৰত ৰায়দানৰ নীতি প্ৰয়োগ কৰা উচিত। তেওঁৰ মতে, গোচৰ বাদ দিয়াৰ স্বাধীনতা সীমিত কৰি অসৎ আচৰণৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী। এলাহাবাদ উচ্চ ন্যায়ালয়ত ১২ লাখৰো অধিক গোচৰ বিচাৰাধীন, যি দেশৰ উচ্চ ন্যায়ালয়সমূহৰ ভিতৰত সৰ্বাধিক। প্ৰাক্তন মুখ্য ন্যায়াধীশ গোবিন্দ মাথুৰে কয়, খালী পদ পূৰণ, প্ৰযুক্তিৰ ব্যৱহাৰ, কঠোৰ সময়সীমা, বিকল্প বিবাদ নিষ্পত্তিৰ প্ৰচাৰ আৰু চৰকাৰী মামলা হ্ৰাসৰ জৰিয়তে এই সমস্যাৰ সমাধান সম্ভৱ। তেওঁৰ মতে, মুখ্য ন্যায়াধীশৰ কাৰ্যকাল কমেও ২ বছৰ হোৱা উচিত, আৰু ন্যায়াধীশৰ নিযুক্তিৰ বোজা অন্য সংস্থাৰ ওপৰত ন্যস্ত কৰি ন্যায়পালিকাই দীৰ্ঘম্যাদী নীতি প্ৰণয়নত মনোযোগ দিয়া উচিত।

## জুবিন গাৰ্গৰ ন্যায়ৰ

দলৰ তৰফৰ পৰা তীব্ৰ প্ৰতিবাদী কাৰ্যসূচীৰ ঘোষণা কৰা হৈছে। চৰকাৰৰ এই ব্যৰ্থতা লুকুৱাবলৈ মুখ্যমন্ত্ৰীয়ে কৌশলী ৰাজনৈতিক মন্তব্য কৰি কৈছে যে, "ন্যায় দিব নোৱাৰিলে ২০২৬ত বিজেপিক ভোট দিব নালাগে।" এই মন্তব্যক ৰাইজৰ দলে ৰাজনৈতিক চাতুৰ্যৰে জনতাৰ ক্ষোভক নিয়ন্ত্ৰণ কৰাৰ প্ৰচেষ্টা বুলি অভিহিত কৰিছে। তদন্ত প্ৰক্ৰিয়াৰ পৰ্যবেক্ষণত দেখা গৈছে যে, অভিযুক্তসকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপৰ পৰিৱৰ্তে কেৱল লুক আউট নটিছ জাৰি কৰা হৈছে। এজন মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাক মুখ্যমন্ত্ৰীৰ নিৰ্দেশত মুকলি কৰাৰ পাছত, আন এজন অভিযুক্ত শ্যামকানু মহন্তৰ বিৰুদ্ধে Red Corner নটিছৰ পৰিৱৰ্তে কেৱল লুক আউট নটিছ জাৰি কৰা হৈছে। এই পৰিস্থিতিৰ পৰা ধাৰণা কৰা হৈছে যে, তদন্ত প্ৰক্ৰিয়া ইচ্ছাকৃতভাৱে বিলম্বিত কৰি জনতাৰ ক্ষোভৰ প্ৰতিক্ৰিয়া শান্ত কৰাৰ চেষ্টা চলিছে। বিশেষকৈ, পূজাৰ সময়খিনি ব্যৱহাৰ কৰি ৬ অক্টোবৰৰ ভিতৰত এই ঘটনাৰ প্ৰভাৱ কমোৱাৰ পৰিকল্পনা কৰা হৈছে বুলিও অভিযোগ উত্থাপিত হৈছে। ৰাইজৰ দলে অভিযোগ কৰিছে যে, জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ নামত চৰকাৰে জনতাৰ ক্ষোভ লাঘৱ কৰাৰ কৌশলী প্ৰয়াস চলাইছে। তদন্তৰ ধীৰগতি আৰু অভিযুক্তসকলক গ্ৰেপ্তাৰ কৰাত ব্যৰ্থতাৰ জৰিয়তে চৰকাৰে এই ঘটনাৰ প্ৰতিক্ৰিয়া শাম কটাবলৈ চেষ্টা কৰিছে বুলি দলটোৰ দাবী। ইয়াৰ উপৰিও, CAA বিৰোধী আন্দোলনক বিজেপি চৰকাৰে কৌশলেৰে দমন কৰাৰ দৰে এই ঘটনাতো একে ধৰণৰ ষড়যন্ত্ৰৰ অভিযোগ উত্থাপিত হৈছে। এই পৰিপ্ৰেক্ষিতত ৰাইজৰ দলৰ গুৱাহাটীত অনুষ্ঠিত জৰুৰী কৰ্ণধাৰ সমিতিৰ বৈঠকত জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত কেইবাটাও প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। কাৰ্যসূচীসমূহ হ'ল: জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত মূল অভিযুক্তসকলক তৎকালীনভাৱে গ্ৰেপ্তাৰ কৰা, তদন্তৰ দায়িত্ব CBIৰ হাতত হস্তান্তৰ কৰা, আৰু ঘটনাৰ সৈতে জড়িত অৰ্থনৈতিক অপৰাধৰ তদন্তৰ বাবে EDৰ তদন্ত ঘোষণা কৰাৰ দাবীত ৰাজ্যপালৰ হস্তক্ষেপ বিচাৰি স্মাৰকপত্ৰ প্ৰদান কৰা হ'ব, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ কাইলৈৰ পৰা গুৱাহাটীৰ চচলৰ প্ৰতিবাদস্থলীত এক অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘটত বহিব। মূল অভিযুক্তসকল গ্ৰেপ্তাৰ নোহোৱালৈকে এই কাৰ্যসূচী অব্যাহত থাকিব, জুবিন গাৰ্গৰ মৃত্যুৰ পাছত সৃষ্ট ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰি সমাধানৰ পথ উলিয়াবলৈ অসমৰ সকলো বিৰোধী ৰাজনৈতিক দলৰ সৈতে এখন সভাৰ আয়োজনৰ প্ৰস্তাৱ গৃহীত হৈছে, ইফালে, শেহতীয়া তথ্য অনুসৰি, গায়ক অজয় ফুকন আৰু প্ৰতিবাদী যুৱক ভিক্টৰ দাসক NSAৰ অধীনত গ্ৰেপ্তাৰ কৰাৰ ঘটনাই প্ৰমাণ কৰিছে যে জুবিন গাৰ্গৰ ন্যায়ৰ দাবীক চৰকাৰে এতিয়া ৰাষ্ট্ৰদ্ৰোহ হিচাপে গণ্য কৰিছে। ৰাইজৰ দলে এই সিদ্ধান্তৰ তীব্ৰ নিন্দা কৰি অজয় ফুকন আৰু ভি"ৰ দাসৰ নিঃচৰ্ত মুক্তিৰ দাবী জনাইছে।

## পৰ্যটকৰ বাবে বহু ভাষিক

পৰ্যটন ক্ষেত্ৰৰ যিকোনো তথ্যৰ বাবে হেল্পলাইন নম্বৰ 1800-599-2026 ত যোগাযোগ কৰাৰ লগতে www.meghalayatourism.in ৱেবচাইটৰ যোগেদি বিচৰা সকলো সুবিধা লাভ কৰিব পাৰিব। পৰ্যটকসকলে ইংৰাজী, হিন্দী, বাঙালী, অসমীয়া, খাছি, প্নাৰ(pnar) আৰু গাৰোকে ধৰি মুঠ সাতটা ভাষাতে এই টোল ফ্ৰী নম্বৰত যোগাযোগ কৰিব পাৰিব। বিশ্ব পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি সোমবাৰে শ্বিলঙত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী কনৰাড চাংমাই মুকলি কৰে হেল্পলাইন নম্বৰ, মেঘালয় পৰ্যটনৰ নতুন ৱেবচাইট। এই অনুষ্ঠানটোতেই মুখ্যমন্ত্ৰীগৰাকীয়ে মেঘালয় মুখ্যমন্ত্ৰী হোমষ্টে আঁচনি (Chief Minister Meghalaya Homestay Mission Scheme) উদ্বোধন কৰিছে। এই নতুন ৱেবচাইট আৰু হেল্পলাইন জৰিয়তে পৰ্যটকে সকলো প্ৰয়োজনীয় তথ্য লাভ কৰিব। পৰ্যটকৰ সুবিধাৰ্থে নিতৌ পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ এই হেল্পলাইন খোলা থাকিব। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী কনৰাড চাংমাই মেঘালয়ৰ পৰ্যটন ক্ষেত্ৰখনত বিগত ৭ বছৰ ধৰি কৰি অহা আন্তঃগাঁথনি উন্নয়নৰ বিষয়ে উল্লেখ কৰি কয়, "২০২৪ ত মেঘালয়লৈ অহা দেশীয় পৰ্যটকৰ সংখ্যা ১৬ লাখলৈ বৃদ্ধি পাইছে। ২০২৩ ৰ তুলনাত দুই লাখ পৰ্যটক বৃদ্ধি পাইছে। তদুপৰি ২০২৪ চনত বিদেশী পৰ্যটকৰ সংখ্যা ২.৩ লাখ লৈ বৃদ্ধি পাইছে। এই সংখ্যা ২০২৩ ত ২ লাখ আছিল।" মুখ্যমন্ত্ৰী চাংমাই লগতে কয়, "অহা ৩ বছৰৰ ভিতৰত পৰ্যটন ক্ষেত্ৰত ৫০ হাজাৰ নতুন কৰ্ম সংস্থাপনৰ লক্ষ্য লোৱা লৈছে। তদুপৰি ৩, ৬২৫ কোটি টকা ব্যয় সাপেক্ষে পৰ্যটন ক্ষেত্ৰ বিকাশৰ বাবে ২১০টা নতুন প্ৰকল্প আৰম্ভ কৰা হৈছে। তদুপৰি কেন্দ্ৰৰ পৰা অতিৰিক্ত ভাৱে চহৰা (চেৰাপুঞ্জী) অঞ্চলৰ উন্নয়নৰ বাবে ২৬০ কোটি টকা আবণ্টন দিছে।" আনহাতে মুখ্যমন্ত্ৰী চাংমাই মেঘালয় হোমষ্টে মিছন আঁচনি সন্দৰ্ভত কয়, "চৰকাৰে এই আঁচনিৰ জৰিয়তে মেঘালয়ৰ বিভিন্ন স্থানত হোমষ্টে বৃদ্ধি কৰাৰ লক্ষ্য লৈছে। এই আঁচনিৰ আধীনত যিসকলে হোমষ্টে নিৰ্মাণ কৰিব তেওঁলোকক ৭০% ৰাজসাহায্য প্ৰদান কৰা হ'ব। ২০২৭ ৰাষ্ট্ৰীয় ক্ৰীড়া মেঘালয়ত অনুষ্ঠিত হ'ব। এই সময়ত খেলুৱৈসকলক ৰাখিবৰ বাবে বহু কোঠাৰ প্ৰয়োজন হ'ব। আমি গেম ভিলেজ নিৰ্মাণ নকৰি হোমষ্টে নিৰ্মাণৰ লক্ষ্য লৈছো। কাৰণ খেল শেষ হোৱাৰ পাছতো হোমষ্টেবোৰৰ জৰিয়তে পৰ্যটকক সেৱা আগবঢ়াব পৰা যাব।" তেওঁ লগতে কয়, "২০৩০ৰ ভিতৰত মেঘালয়ত ৮খন পঞ্চতাৰকাযুক্ত হোটেল গঢ়ি তোলাৰ লক্ষ্য ৰখা হৈছে। ইপিনে, ২০২৭ ৰ ভিতৰত দেশৰ বিভিন্ন মেট্ৰ' চহৰলৈ বাণিজ্যিক বিমান মেঘালয়ৰ উমৰৈ বিমান বন্দৰৰ পৰা চলিব। য়ে মেঘালয় পৰ্যটন ক্ষেত্ৰত বৃহৎ পৰিৱৰ্তন আনিব।"

## জুবিন গাৰ্গৰ মৃত্যুৰ

অভিযোগ উত্থাপন কৰিছে যে, এই ঘটনাৰ মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক অসম আৰক্ষীৰ চি আই ডিৰ সন্মুখত হাজিৰ হ'বলৈ দিয়া অতিৰিক্ত সময়ৰ সিদ্ধান্তই তদন্ত প্ৰক্ৰিয়াৰ গতি হ্ৰাস কৰিছে। গৌৰৱ গগৈয়ে তেওঁৰ পত্ৰত উল্লেখ কৰিছে যে, অভিযুক্তসকলৰ প্ৰতি এনে নমনীয় আচৰণৰ ফলত গুৰুত্বপূৰ্ণ প্ৰমাণ নষ্ট হোৱাৰ সম্ভাৱনা সৃষ্টি হৈছে। ইয়াৰ লগতে, জুবিনৰ ন্যায়ৰ দাবীত শান্তিপূৰ্ণ প্ৰতিবাদত অংশগ্ৰহণ কৰা নাগৰিকসকলৰ বিৰুদ্ধে আৰক্ষীৰ কঠোৰ ব্যৱস্থা আৰু গ্ৰেপ্তাৰৰ ঘটনাৰ প্ৰতিও তেওঁ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। তেওঁ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ক আহ্বান জনাইছে যাতে অসম আৰক্ষীৰ চি আই ডিৰ বিশেষ তদন্তকাৰী দলৰ তদন্তৰ ওপৰত নিবিড় নজৰ ৰখা হয়। ইয়াৰ সৈতে, জুবিনৰ ন্যায়ৰ দাবীত কণ্ঠ উত্থাপন কৰা নাগৰিক সমাজ, শান্তিপূৰ্ণ প্ৰতিবাদকাৰী, আৰু জুবিনৰ পৰিয়ালৰ সদস্যসকলৰ সুৰক্ষা নিশ্চিত কৰাৰো দাবী তেওঁ উত্থাপন কৰিছে।

## ৮০ হাজাৰ মুছলমান

অৱস্থিত ঢাকা সমষ্টিত প্ৰায় ৮০ হাজাৰ মুছলমান ভোটাৰক নিৰ্বাচনী তালিকাৰ পৰা আঁতৰোৱাৰ প্ৰচেষ্টা চলাইছে বুলি গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপিত হৈছে। দ্য ৰিপ'ৰ্টাৰ্ছ কালেকটিভৰ তদন্তত এই তথ্য উন্মোচিত হৈছে, য'ত বিজেপিয়ে এই ভোটাৰসকলক ভাৰতীয় নাগৰিক নহয় বুলি দাবী কৰি তেওঁলোকৰ নাম মচি পেলোৱাৰ চেষ্টা কৰা হৈছে। এই সমষ্টিটোত মুঠ ৩.৫ লাখ ভোটাৰ আছে, আৰু ২০২০ চনৰ বিধানসভা নিৰ্বাচনত বিজেপীয়ে এইখিনিত ১০, ১১৪ ভোটৰ সংখ্যাত আৰজেডিৰ পৰা জয়লাভ কৰিছিল। দুহেজাৰ পঁচিশ চনৰ জুন মাহৰ পৰা আৰম্ভ হোৱা ভোটাৰ তালিকাৰ বিশেষ কঠোৰ পুনৰীক্ষণ (Special Intensive Revision বা SIR) প্ৰক্ৰিয়াৰ সময়ত এই অস্বাভাৱিক কাৰ্যকলাপ চলিছিল। ভাৰতীয় নিৰ্বাচন আয়োগ (ECI)য়ে বিধানসভা নিৰ্বাচনৰ পূৰ্বে তালিকা উন্নীতকৰণৰ বাবে ২৫ জুনৰ পৰা ২৪ জুলাইলৈকে এই প্ৰক্ৰিয়া আৰম্ভ কৰিছিল, য'ত লোকসকলে ভোটাৰ তালিকাত নতুন নিবন্ধন বা শুধৰণি কৰিব পাৰিছিল। কিন্তু মাজভাগত ECIয়ে নিয়ম সলনি কৰি প্ৰথমে প্ৰ-পত্ৰ আৰু পিছত নথি-পত্ৰ পূৰণ কৰাৰ ব্যৱস্থা প্ৰণয়ন কৰাৰ ফলত ভোটাৰসকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হৈছিল। ৩১ জুলাইত প্ৰকাশিত খচৰা তালিকাৰ নতুন নিয়মৰ বাবে পৰীক্ষা কৰাটো কঠিন হৈ পৰিছিল। আগষ্ট মাহত ভোটাৰৰ নাম আঁতৰ কৰিবলৈ অভিযোগ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ পিছত এই প্ৰচেষ্টা তীব্ৰতৰ হৈ উঠিছিল। ঢাকা সমষ্টিৰ বিজেপিৰ বুথ পৰ্যায়ৰ এজেণ্ট শিৱ কুমাৰ চৌৰাসিয়াই দৈনিক ১৩০জন মুছলমান ভোটাৰৰ নামক লক্ষ্য কৰি সৰু সৰু অভিযোগ দাখিল কৰিছিল। তাৰ পিছত ৩১ আগষ্টত বিজেপিৰ বিধায়ক পৱন কুমাৰ জয়ছোৱালৰ ব্যক্তিগত সহায়ক ধীৰাজ কুমাৰে ৭৮, ৩৮৪জন ভোটাৰৰ এক ডাঙৰ তালিকা দাখিল কৰে, য'ত প্ৰায় সকলো নাম আলম, খান বা বেগমৰ দৰে মুছলমান নামসমূহ আছিল। সেইদিনাই বিহাৰ বিজেপিৰ মুখ্য কাৰ্যালয়ৰ লেটাৰহেডত "লোকেশ" নামৰ এক ব্যক্তিৰ স্বাক্ষৰিত এখন চিঠি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়ালৰ ওচৰলৈ প্ৰেৰণ কৰা হৈছিল, য'ত একে দাবী পুনৰাবৃত্তি কৰা হৈছিল। দ্য ৰিপ'ৰ্টাৰ্ছ কালেকটিভৰ তদন্তকাৰীসকলে গাঁৱৰ মুৰব্বী ফিৰোজ আলমৰ সৈতে কথা পাতি জানিব পৰা গৈছে যে, "মোৰ পৰিয়াল এই ঠাইত প্ৰজন্ম পিছত প্ৰজন্ম ধৰি বাস কৰি আহিছে। মই স্থানীয় নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিলোঁ। আমাক কেনেকৈ নাগৰিক নহয় বুলি ক'ব?" আলমৰ পত্নী আৰু সন্তানসকলৰ নামো এই তালিকাত অন্তৰ্ভুক্ত আছিল। ECIৰ জিলা বিষয়াই এই ধৰণৰ অভিযোগ পোৱা নিশ্চিত কৰিছে যদিও তেওঁলোকে নথি-পত্ৰ পৰীক্ষা কৰিব বুলি কয়। কিন্তু ভুৱা দাবী দাখিল কৰা ব্যক্তিসকলৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নহয়। এই লোকসকলে ভোট দিব পাৰিবনে নাই সেই নিৰ্ণয় কৰি ২০২৫ চনৰ ১ অক্টোবৰত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ বাবে দিন নিৰ্ধাৰণ কৰা হৈছিল। এই অভিযোগৰ প্ৰত্যুত্তৰত বিধায়ক জয়ছোৱালে কোনো ব্যাখ্যা দিয়া নাই। বৰঞ্চ বিৰোধী দল ৰাষ্ট্ৰীয় জনতা দল (RJD)য়ে ৪০ হাজাৰ হিন্দু ভোটাৰক আঁতৰ কৰিবলৈ চেষ্টা কৰাৰ পালটা অভিযোগ উত্থাপন কৰিছে। সংখ্যালঘুক লক্ষ্য কৰি দলটোৱে সমালোচনাৰ সন্মুখীন হ'লেও বিজেপিয়ে সমগ্ৰ ঘটনা অস্বীকাৰ কৰা কোনো আনুষ্ঠানিক বিবৃত্তি এতিয়াও প্ৰকাশ কৰা নাই।

## ৪,০৩৩ কোটি টকাৰ

এই প্ৰকল্পৰ জৰিয়তে ভূটানৰ গেলেফু আৰু ছামচে চহৰক ভাৰতৰ ৰে'ল নেটৱৰ্কৰ সৈতে সংযোগ কৰা হ'ব। এই উচ্চাভিলাষী প্ৰকল্পৰ বাবে ভাৰত চৰকাৰে ৪, ০৩৩ কোটি টকা বিনিয়োগ কৰিব। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে জানিবলৈ দিছে যে, এই প্ৰকল্পৰ অধীনত অসমৰ কোকৰাঝাৰৰ পৰা গেলেফু আৰু পশ্চিম বংগৰ বানাৰহাটৰ পৰা ছামচেলৈ ৰে'ল সংযোগ স্থাপন কৰা হ'ব। কোকৰাঝাৰ-গেলেফু ৰে'ল লাইনৰ জৰিয়তে অসমৰ প্ৰধান ঔদ্যোগিক কেন্দ্ৰ বঙাইগাঁৱৰ সৈতেও ভূটানৰ সংযোগ স্থাপিত হ'ব। মাত্ৰ ৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন ৰে'ল ট্ৰেক নিৰ্মাণৰ জৰিয়তে ভূটানক ভাৰতৰ ১ লাখ ৫০ হাজাৰ কিলোমিটাৰ বিস্তৃত ৰে'ল নেটৱৰ্কৰ সৈতে সংযুক্ত কৰা হ'ব। মুঠতে এই প্ৰকল্পৰ অধীনত ৮৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। মন্ত্ৰী বৈষ্ণৱে উল্লেখ কৰিছে যে, ভাৰত ভূটানৰ সৰ্ববৃহৎ বাণিজ্যিক অংশীদাৰ, আৰু ভূটানৰ অধিকাংশ বাণিজ্য ভাৰতীয় বন্দৰৰ জৰিয়তে পৰিচালিত হয়। এই ৰে'ল সংযোগে ভূটানৰ অৰ্থনীতি আৰু জনসাধাৰণক বিশ্বব্যাপী বাণিজ্য নেটৱৰ্কৰ সৈতে সংযোগ স্থাপনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। বিশেষকৈ, ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ বানাৰহাট-ছামচে ৰে'ল লাইনৰ জৰিয়তে পশ্চিম বংগৰ সৈতে ভূটানৰ সংযোগ স্থাপিত হ'ব, যিটো ভূটানৰ বাবে প্ৰথম ৰে'ল সংযোগ হিচাপে চিহ্নিত হ'ব। ২০২৪ চনৰ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূটান ভ্ৰমণৰ সময়ত কোকৰাঝাৰ-গেলেফু আৰু বানাৰহাট-ছামচে ৰে'লপথৰ প্ৰস্তাৱৰ ওপৰত দুয়োখন দেশৰ মাজত সহমতি স্থাপন হৈছিল। এই প্ৰকল্পৰ সম্পূৰ্ণ ব্যয় ভাৰত চৰকাৰে বহন কৰিব। বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে, ভাৰত আৰু ভূটানৰ মধ্যৰ সম্পৰ্ক সংস্কৃতি, জনগণৰ মাজৰ বন্ধন আৰু ভাগ-বতৰা কৰা উন্নয়নৰ লক্ষ্যৰ ওপৰত নিৰ্মিত গভীৰ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ মতে, ভূটানৰ আন্তঃগাঁথনি উন্নয়ন আৰু অৰ্থনৈতিক প্ৰগতিত ভাৰতে সদায় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভূটানৰ ত্ৰয়োদশ পঞ্চবাৰ্ষিক পৰিকল্পনা (২০২৪-২০২৯)ৰ বাবে ভাৰতে ১০ হাজাৰ কোটি টকাৰ আৰ্থিক সাহায্যৰ প্ৰতিশ্ৰুতি দিছে, যিটো পূৰ্বৰ পৰিকল্পনাৰ তুলনাত দুগুণ। এই সাহায্যৰ জৰিয়তে ভূটানৰ প্ৰকল্প, অৰ্থনৈতিক কাৰ্যসূচী আৰু অন্যান্য উন্নয়নমূলক কামৰ প্ৰচাৰ কৰা হ'ব। এই ৰে'ল প্ৰকল্পৰ জৰিয়তে ভাৰত-ভূটানৰ সম্পৰ্কত নতুন গতি সঞ্চাৰ হ'ব বুলি আশা কৰা হৈছে, যি দুয়োখন দেশৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ

সহ সকলো ৰাইজ আৰু সংগঠনে এই দাবীক সমৰ্থন কৰি এগৰাকী অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত, বৰ্তমান কৰ্মৰত দুগৰাকী ন্যায়াধীশৰ সমন্বয়ে তিনিজনীয়া আয়োগ গঠনৰ বাবে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰক অনুৰোধ জনোৱা উচিত। মহাসংঘৰ সভাপতি শান্তনু দাস বৰহাজোৱাল, কাৰ্যকৰী সভাপতি মতিউৰ ৰহমান আৰু মহাসচিব পূৰ্ণানন্দ ৰাভাই মুখ্য ন্যায়াধীশৰ ওচৰত পত্ৰ প্ৰেৰণ কৰি এই তদন্ত আয়োগ গঠনৰ জৰুৰী প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছে। তেওঁলোকে দাবী জনাইছে যে আয়োগে ১৫ৰ পৰা ২০ দিনৰ ভিতৰত তদন্ত সম্পূৰ্ণ কৰি চৰকাৰক প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ প্ৰদান কৰা হওক। মহাসংঘৰ মতে, জুবিনৰ হত্যাকাণ্ডৰ সৈতে চৰকাৰৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকা ব্যক্তিৰ জড়িত থকাৰ সম্ভাৱনা থকাৰ বাবে চিবিআই, চিআইডি বা এছআইটিৰ দৰে তদন্তকাৰী সংস্থাৰ পৰা নিৰপেক্ষ তদন্তৰ আশা কৰাটো সম্ভৱ নহয়। এই সংস্থাসমূহে চৰকাৰৰ নিৰ্দেশৰ ওপৰত নিৰ্ভৰ কৰি কাম কৰে বুলি মহাসংঘৰ দৃঢ় বিশ্বাস। ইয়াৰ উপৰিও, গুৱাহাটী উচ্চ ন্যায়ালয়ত এই হত্যাকাণ্ড সম্পৰ্কীয় তৰা গোচৰৰ শুনানি ইচ্ছাকৃতভাৱে দীঘলীয়া কৰি হত্যাকাৰীক সুৰক্ষা প্ৰদানৰ সম্ভাৱনা শতকৰা ১০০ ভাগ আছে বুলি মহাসংঘই আশংকা প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে, কেৱল স্বাধীন ন্যায়িক তদন্ত আয়োগৰ জৰিয়তেহে এই হত্যাকাণ্ডৰ ৰহস্য উন্মোচনৰ সম্ভাৱনা আছে। অৱশ্যে, চৰকাৰৰ সৈতে জড়িত ব্যক্তিৰ সম্পৰ্কৰ বাবে এই আয়োগেও শতকৰা ৯০ ভাগ ন্যায় প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলি মহাসংঘই মন্তব্য কৰিছে। মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে সংবাদ মাধ্যমক কয় যে, গত ১৯ ছেপ্তেম্বৰত মহাসংঘই প্ৰথমে তিনিজনীয়া ন্যায়িক তদন্ত আয়োগ গঠনৰ দাবী উত্থাপন কৰিছিল। তেওঁৰ মতে, অসমৰ সকলো জাতীয় সংগঠন আৰু ৰাইজে এই দাবীক জোৰদাৰভাৱে উত্থাপন কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ ওচৰত আবেদন জনোৱা উচিত। অন্যথা, এই প্ৰচেষ্টা ফলপ্ৰসূ নহ'ব বুলি তেওঁলোকে সতৰ্ক কৰি দিছে।

## চাহ জনগোষ্ঠীৰ বিশাল

পৰা মতে, অহা ৮ অক্টোবৰত তিনিচুকীয়া জিলাৰ আই টি আই খেলপথাৰত প্ৰথম সমাৱেশ অনুষ্ঠিত হ'ব। ইয়াৰ পিছত, ১৩ অক্টোবৰত ডিব্ৰুগড় জিলাৰ মানকটা চাহ বাগিচাৰ পূজা খেলপথাৰত দ্বিতীয় সমাৱেশৰ আয়োজন কৰা হৈছে। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ নেতা লাজাৰ নন্দই জানিবলৈ দিছে যে, এই প্ৰতিবাদী সমাৱেশত হাজাৰ হাজাৰ শ্ৰমিকৰ অংশগ্ৰহণৰ সম্ভাৱনা আছে। তেওঁৰ মতে, সমাৱেশৰ দিনা চাহ বাগিচাসমূহৰ সকলো কাম-কাজ বন্ধ থাকিব। চাহ জনগোষ্ঠীৰ সংগঠনসমূহে এই সমাৱেশৰ জৰিয়তে তেওঁলোকৰ দীৰ্ঘদিনীয়া দাবীসমূহৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ। এই গণ সমাৱেশৰ মাধ্যমে চাহ শ্ৰমিকসকলে তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰৰ বাবে এক সুস্পষ্ট বাৰ্তা প্ৰেৰণ কৰিবলৈ আশাবাদী। তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ ৰাজপথত এই প্ৰতিবাদী কাৰ্যসূচীয়ে উজনি অসমৰ জনমানসত গভীৰ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে।

# ত্ৰিকোণ প্ৰেমৰ কৰুণ পৰিণতিত এজন অবৈধ কয়লা খন্দা ব্যক্তিয়ে প্ৰাণ হেৰুৱালে অসম-অৰুণাচল সীমান্তত

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ৩০ ছেপ্টেম্বৰ ঃ** ত্ৰিকোণ প্ৰেমৰ কৰুণ পৰিণতিত লিডুৰ কয়লা খনিত এজন লোকে প্ৰাণ হেৰুৱাৰ এক ঘটনাক কেন্দ্ৰ কৰি লিডু অঞ্চলত তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে। এগৰাকী মহিলাৰ বাবেই উক্ত হত্যাকাণ্ডটো সংঘটিত হোৱা বুলি অঞ্চলটোত প্ৰচাৰ চলিছে। ঘটনাটো সংঘটিত হৈছে অৰুণাচল প্ৰদেশৰ নামটক থানাৰ অন্তৰ্গত মুলুং পাহাৰত। উত্থাপিত অভিযোগ আৰু ঘটনাৰ বিৱৰণী অনুসৰি, পূৰ্ণিমা কুলী নামৰ এগৰাকী বিবাহিতা মহিলাই টিৰাপ কলিয়ৰীৰ ৰে'ল লাইনৰ কাষত সাধাৰণ চাহৰ দোকান দি জীৱিকা নিৰ্বাহ কৰি আছিল। এনেদৰে দোকান দি থকা অৱস্থাতে ধেমাজি জিলাৰ মুক্তিয়াৰ নিবাসী তথা লিডুৰ চোৱাং কয়লা ব্যৱসায়ৰ সতে জড়িত হৈ টিৰাপ কলিয়ৰীত বসবাস কৰা জনৈক ধৰ্মেশ্বৰ পেগুৰ সৈতে প্ৰেমপাশত আৱদ্ধ হয়। তাৰ পিছত পূৰ্ণিমাৰ প্ৰেমৰ মায়াজালত আৱদ্ধ হয় ক্ৰমে মিগম দলে আৰু ৰাজেন দত্ত। ৰাজেন দত্ত মাছখোৱাৰ ধুৰকটা নখুলীয়া গাঁৱৰ নিবাসী তথা টিৰাপ কলিয়ৰীৰ চিয়াল লাইন নিবাসী প্ৰয়াত কৈলাশপতি হৰিজনৰ ঘৰত ভাড়াতীয়া। প্ৰাপ্ত অভিযোগ মতে, পূৰ্ণিমাৰ শেহতীয়া প্ৰেমিক ৰাজেন দত্তই প্ৰতিদ্বন্দ্বী প্ৰেমিক নিগম দলেক অৰুণাচলৰ অবৈধ কয়লাখনিৰ কৰ্মস্থলীত গাইটিৰে প্ৰহাৰ কৰি পাহাৰীয়া ঠাইত পেলাই থৈ পলায়ন কৰে। উল্লেখযোগ্য যে, পূৰ্ণিমা কুলী নামৰ মহিলাগৰাকীয়ে তিনিওজন প্ৰেমিকৰ সতে অবৈধ সম্পৰ্ক ৰক্ষা কৰি অহাৰ বাবেই হত্যাকাণ্ডৰ দৰে উক্ত নিকৃষ্ট কাণ্ডটো সংঘটিত হোৱা বুলি চৰ্চা চলিছে অঞ্চলটোত। ইতিমধ্যে 'টি এম পি কে' নামৰ ছাত্ৰ সংগঠনটোৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে যুগানন্দ চুংক্ৰাং আৰু য়ামে দলেই লিডু আৰক্ষী চকীত প্ৰদান কৰা এজাহাৰত নিগম দলেৰ সন্দেহজনক আৰু অপ্ৰাকৃতিক মৃত্যুৰ কথা উল্লেখ কৰি কৈছে যে যোৱা ২৪ ছেপ্টেম্বৰৰ পৰা নিৰুদ্দেশ হৈ থকা নিগম দলেৰ মৃতদেহ যোৱা ২৮ ছেপ্টেম্বৰ তাৰিখে ৰহস্যজনক অৱস্থাত উদ্ধাৰ কৰা হয়। এজাহাৰখনত নিগম দলেৰ মৃত্যুৰ বাবে ৰাজেন দত্তৰ লগতে লিডুৰ এটা কুক কল ভাতাৰ স্বত্বাধিকাৰ ক্ষিতিশ দেৱনাথক জগৰীয়া কৰা হৈছে। ইফালে সংগঠনটোৱে সন্দেহ কৰি তদন্তৰ আওতালৈ অনাৰ বাবে এজাহাৰত উল্লেখ থকা ক্ষিতিশ দেৱনাথ উক্ত কাণ্ডৰে কোনো প্ৰকাৰে জড়িত থকাৰ অৱকাশ নাই বুলি এই প্ৰতিবেদকক জানিবলৈ দিছে। কাৰণ এজাহাৰত উল্লেখ থকা মৃতক আৰু আন দুজন ব্যক্তি তেওঁৰ প্ৰতিষ্ঠানৰ সৈতে কোনো প্ৰকাৰে জড়িত নহয় বুলি স্পষ্ট কৰি দিছে। তেওঁ উক্ত এজাহাৰক প্ৰত্যাহ্বান জনাই লিডু আৰক্ষী চকীত কাইলৈ এজাহাৰ দাখিল কৰিব বুলিও জানিবলৈ দিছে। অভিযোগ মতে, উক্ত ব্যক্তি তিনিজন কুখ্যাত কয়লা মাফিয়া বি গণেশৰ দুই ভাতৃ ৰামা আৰু বগীৰ হৈ অবৈধ কয়লা খননৰ কাম কৰি আছিল বুলি জনা যায়। যদি সেয়াই সত্য, তেনেহলে এজাহাৰত উল্লেখ থকা লিডুৰ কুক কল ভাতাৰ গৰাকী ক্ষিতিশ দেৱনাথ আইনৰ মেৰপেচত সোমাই পৰাৰ পৰা নিশ্চিতভাৱে ৰক্ষা পৰিব।





# ডুমডুমা নগৰৰ নৱনিৰ্মিত 'গৌৰৱ পথ'টি ৰাইজৰ বাবে মুকলি মন্ত্ৰী ৰূপেশ গোৱালাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ডুমডুমা, ৩০ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ 'মুখ্যমন্ত্ৰীৰ নগৰীয়া পকী পথ আঁচনি' (২০২৩-২০২৪)ৰ অধীনত ডুমডুমা নগৰৰ ৰেল গেটৰ পৰা ডুমডুমা আৰক্ষী থানালৈ মুঠ ৫০০ মিটাৰ দৈৰ্ঘ্যৰ পথটো ইতিমধ্যে 'গৌৰৱ পথ' নামেৰে ন-ৰূপত নিৰ্মাণ কৰি উলিওৱা হৈছে। প্ৰায় দুই কোটি টকা ব্যয় সাপেক্ষে অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ তিনিচুকীয়া, ডুমডুমা, মাকুম আৰু শদিয়া ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনত নিৰ্মাণ কৰা এই পথছোৱাত পথৰ উপৰিও দুয়ো কাষৰ নলা, চাৰ্ভিচ ড্ৰেইন, টাইলছ আৰু ৰেলিংসহ পদপথ, ষ্ট্ৰীট লাইট, আদি সংযোজিত হৈ আছে। আজি শাৰদীয় দুৰ্গোৎসৱৰ মহাসপ্তমীৰ সন্ধিয়া স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই এই নৱনিৰ্মিত 'গৌৰৱ পথ'টি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ৰাইজৰ সেৱাত উচৰ্গা কৰে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰী গোৱালাই সকলোলৈকে শাৰদীয় দুৰ্গোৎসৱৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে এই নৱনিৰ্মিত 'গৌৰৱ পথ'টিয়ে ডুমডুমা নগৰখনৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ লগতে ইয়াক এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, প্ৰবীণ সাংবাদিক অৰ্জুন বৰুৱা, বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱ জ্যোতি ডেকা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি, বিজেপি দলৰ নেতা - কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত আছিল।

# সময় আৰু হৃদয়ৰ মাজেৰে উদ্‌যাপিত নাৰী সত্তাৰ পবিত্ৰতাৰ উৎসৱ

অজিত বৰুৱা

এই বৰ্ষৰ ২১ ছেপ্টেম্বৰৰ পৰা মহালয়াৰ সৈতে আৰম্ভ হৈছে দেৱী দুৰ্গাৰ ঐশ্বৰিক অভিযান আৰু শাৰদীয় অৰ্চনা। এই মহালয়াৰ জৰিয়তেই দেৱী দুৰ্গা কৈলাস পৰ্বতৰ আকাশী বাসগৃহৰ পৰা পাৰ্থিৱ মাতৃগৃহলৈ যাত্ৰা আৰম্ভ হৈছে। এই বৰ্ষৰ দুৰ্গোৎসৱ পাঁচটা দিনৰ বাবে উদ্‌যাপিত কৰা হ'ব। সেই অনুসৰি ২৮ ছেপ্টেম্বৰত মহাষষ্ঠী, ২৯ ছেপ্টেম্বৰত মহাসপ্তমী, ৩০ ছেপ্টেম্বৰত মহাষ্টমী, ১ অক্টোবৰত মহানৱমী আৰু ২ অক্টোবৰত বিজয়া দশমী।

দুৰ্গা পূজাৰ সৈতে জড়িত যিসমূহ পৌৰাণিক কাহিনী আছে সেই সমূহ পঞ্চম আৰু ষষ্ঠ শতিকাৰ ভিতৰত ৰচিত 'দেৱী মহাত্মা' নামৰ প্ৰাচীন হিন্দু গ্ৰন্থৰ পৰা উদ্ভৱ হৈছিল বুলি কোৱা হয়। 'দেৱী মহাত্মা'ত বৰ্ণিত কাহিনী অনুসৰি এই মহাবিশ্ব এসময়ত মহিষাসুৰ নামেৰে এক একনায়কত্ববাদী শাসকৰ অধীনত কম্পমান হৈ আছিল। এইগৰাকী শক্তিশালী দানৱে এনে এক ঐশ্বৰিক 'বৰ' লাভ কৰিছিল যে তেওঁক কোনো মানুহ বা দেৱতাই ধ্বংস কৰিব নোৱাৰে। কিন্তু যেতিয়া তেওঁৰ সন্ত্ৰাসে পৃথিৱীৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছিল, তেতিয়াই তেওঁক দমনৰ উদ্দেশ্যেৰে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ এই ত্ৰিমূৰ্তিৰ ঐশ্বৰিক শক্তি একত্ৰিত কৰি দুৰ্গা দেৱীক জন্ম দিছিল।

দেৱী দুৰ্গাৰ দহখন বাহুৱে সমস্ত দেৱগণৰ সামূহিক শক্তি বহন কৰিছিল। দহদিনীয়া তয়াময়া যুঁজৰ অন্তত দেৱী দুৰ্গাই বিজয়ী হৈ মহিষাসুৰৰ শিৰশ্ছেদ কৰে আৰু মহাজাগতিক ভাৰসাম্য পুনৰুদ্ধাৰ কৰে। এইদৰেই মা দুৰ্গাই দুষ্কৃতিকাৰী তথা অক্ষশক্তিৰ বিৰুদ্ধে ভাল তথা সত্যৰ শাশ্বত বিজয় প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। ৰামে ৰাৱণৰ বিৰুদ্ধে যুদ্ধৰ সময়ত দেৱী দুৰ্গাক আহ্বান জনোৱা 'অকালবোধন'ৰ পৌৰাণিক কাহিনীটোৱে এই সময়ছোৱাক এক বিশেষ ঐশ্বৰিক সময় হিচাপে চিহ্নিত কৰে বুলিব পাৰি। ৰামায়ণৰ সৈতে এই সংযোগে দুৰ্গোৎসৱৰ আধ্যাত্মিক তাৎপৰ্যৰ ক্ষেত্ৰত গভীৰতা সংযোগ কৰে আৰু ইয়াক অপশক্তিৰ ওপৰত ধৰ্ম আৰু সত্যৰ বিজয় হিচাপে প্ৰতিষ্ঠা কৰে।

ভাৰতীয় উপামহাদেশীয় অঞ্চলত দুৰ্গা পূজা উদ্‌যাপন কৰা জনগোষ্ঠীসমূহৰ ভিতৰত প্ৰধানকৈ বঙালী হিন্দু লোকসকলৰ কথাই ক'ব পাৰি। এই উৎসৱে বঙালী হিন্দুসকলৰ সাংস্কৃতিক পৰিচয়ৰ সাৰমৰ্মক প্ৰতিনিধিত্ব কৰে বুলি ক'ব পাৰি। পশ্চিমবংগত উৎপত্তি হোৱা এই উৎসৱটি ত্ৰিপুৰা, অসম, ওড়িশা, বিহাৰ, ঝাৰখণ্ড, পূব উত্তৰ প্ৰদেশ, গুজৰাট, তামিলনাড়ু, পঞ্জাৱ, অন্ধ্ৰ প্ৰদেশ, ছত্তীশগড়, কৰ্ণাটক, মহাৰাষ্ট্ৰ আৰু হিমাচল প্ৰদেশকে ধৰি ভাৰতৰ বিভিন্ন ৰাজ্যলৈ সম্প্ৰসাৰিত হয়। ভাৰতৰ প্ৰত্যেকটো অঞ্চলে উৎসৱৰ আধ্যাত্মিক মূলক অক্ষুণ্ণ ৰাখি ইয়াৰ অনন্য সাংস্কৃতিক স্বাদ সংযোগ কৰা দেখা যায়।

দুৰ্গা পূজাৰ পাঁচটি দিনৰ প্ৰতিটো দিনেই এক বিশেষ আধ্যাত্মিক আৰু ধৰ্মীয় তাৎপৰ্য বহন কৰে, যিয়ে এক সাধাৰণ পৰিৱেশক পবিত্ৰতালৈ ৰূপান্তৰিত কৰে বুলিব পাৰি। মহাষষ্ঠীৰ বিল্ব বোধন অনুষ্ঠানৰ মাধ্যমৰ দ্বাৰা ঐশ্বৰিক জাগৰণক চিহ্নিত কৰে, য'ত দেৱী দুৰ্গাক আনুষ্ঠানিকভাৱে পৃথিৱীলৈ নামি আহিবলৈ আহ্বান জনোৱা হয়। চকু দানৰ পবিত্ৰ ৰীতি-নীতি অনুসৰি মা দুৰ্গাৰ মূৰ্তিৰ ওপৰত চকু অংকন কৰা হয়। ঢাক-ঢোলৰ শব্দ আৰু ধুনুচি নৃত্যই গোটেই পৰিৱেশটো ঐশ্বৰিক শক্তিৰে পৰিপূৰ্ণ কৰে তোলে আৰু দেৱীৰ আগমনৰ বিষয়ে ঘোষণা কৰে।

মহাসপ্তমী উপলক্ষে নৱপত্ৰিকা স্থাপনৰ আকৰ্ষণীয় অনুষ্ঠান আয়োজিত হয়, য'ত মূলতঃ কোলা বৌ নামৰ বেঙেনা গছৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা ৯ বিধকৈ পবিত্ৰ উদ্ভিদক পানীত স্নান কৰোৱা হয় আৰু ৰঙা বৰণীয়া শাৰী পিন্ধোৱা হয়। এই ৰীতি-নীতিয়ে প্ৰকৃতিৰ উদাৰতা আৰু কৃষিকাৰ্যত প্ৰকাশিত ঐশ্বৰিক নাৰী শক্তিৰ প্ৰতীকস্বৰূপ আৰু ই আধ্যাত্মিক জগতক পৃথিৱীৰ জীৱিকাৰ সৈতে সংযুক্ত কৰে।



মহাষ্টমীৰ দিনা দেৱীৰ শক্তিৰ তীব্ৰতা অধিক হোৱা দেখা যায়। এই দিনটোত মহিষাসুৰৰ ওপৰত দুৰ্গাৰ বিজয়ক সৰ্বাধিক শক্তিশালীভাৱে স্মৰণ কৰা হয়। এই দিনটোত পবিত্ৰ কুমাৰী পূজা অনুষ্ঠিত হয়, য'ত যুৱতীসকলক দেৱী নাৰীৰ ৰূপ হিচাপে পূজা কৰা হয়, তাৰ পিছত অষ্টমী আৰু নৱমীৰ মাজত সঠিক পৰিৱৰ্তন মুহূৰ্তত সন্ধি পূজা কৰা হয়। দুৰ্গাই দুষ্ট আৰু অপশক্তিৰ বিৰুদ্ধে চূড়ান্ত আঘাত হানিছিল বুলি বিশ্বাস কৰা হয়।

মহা আৰতি পূজা অনুষ্ঠানৰ জৰিয়তে মহানৱমীয়ে আধ্যাত্মিক গতি অব্যাহত ৰাখিছে। মহানৱমীৰ দিনটোত সহস্ৰাধিক ভক্তৰ সমাবেশ ঘটে আৰু অগণন তেলৰ চাকিৰ ঐশ্বৰিক পোহৰৰ সাক্ষী হৈ এক স্বৰ্গীয় ভক্তিপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে। দেৱীৰ আশীৰ্বাদেৰে শক্তি, জ্ঞান আৰু সমৃদ্ধি লাভ কৰিবলৈ ভক্তসকলে একত্ৰিতভাৱে কৰা প্ৰাৰ্থনাৰে আকাশ-বতাহক মুখৰিত কৰি ৰাখে। বিজয়া দশমীৰ সৈতে দুৰ্গোৎসৱৰ সমাপ্তি হয়। এয়া এক তিক্ত-মধুৰ উদযাপন য'ত দেৱীৰ বিজয়ে আনন্দ আৰু দেৱীৰ বিদায়ৰ বাবে দুখৰ সমন্বয় ঘটে বুলিব পাৰি।

এই দিনটোত সেন্দূৰ খেলাৰ বৈশিষ্ট্য আছে, য'ত বিবাহিত মহিলাসকলে ইজনে সিজনলৈ আৰু দেৱীলৈ সেন্দূৰ প্ৰক্ষেপ কৰে, তাৰ পিছত আৱেগেৰে ভৰা বিসৰ্জন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত সুন্দৰভাৱে নিৰ্মিত প্ৰতিমাসমূহ নদীত অথবা কোনো জলাশয়ত বিসৰ্জন দিয়া হয় আৰু দেৱীয়ে নিজৰ স্বৰ্গীয় বাসস্থানলৈ উভতি আহে বুলি বিশ্বাস কৰা হয়।

দুৰ্গা পূজাৰ সময়ত পূজা কৰা দেৱ-দেৱীৰ সমষ্টিয়ে এক ঐশ্বৰিক পৰিয়ালৰ প্ৰতিচ্ছবি সৃষ্টি কৰে আৰু ই মানৱীয় আকাংক্ষাৰ প্ৰতিটো দিশ স্পৰ্শ কৰে। দেৱী দুৰ্গাই সিংহৰ ওপৰত উঠি দশ বাহুযুক্ত মহিমাৰে কেন্দ্ৰত থিয় হৈ থাকে, তেওঁৰ সতি-সন্ততিসকলে তেওঁৰ দুয়োফালে থাকে। দেৱীৰ সোঁফালে থাকে নতুন আৰম্ভণিৰ পৃষ্ঠপোষক আৰু বিঘিনিনাশক ভগৱান গণেশ। গণেশৰ পিছতে দেৱীৰ কাষতে থাকে সম্পদ আৰু সমৃদ্ধিৰ দাত্ৰী দেৱী লক্ষ্মী। দেৱী দুৰ্গাৰ বাওঁফালে আছে জ্ঞান আৰু কলা-কুশলীৰ প্ৰতিমূৰ্তি দেৱী সৰস্বতী আৰু সাহস আৰু বিজয়ক প্ৰতিনিধিত্ব কৰা বীৰ যোদ্ধা ভগৱান কাৰ্তিক।

তদুপৰি ভগৱান শিৱৰ উপস্থিতিয়ে অনন্ত মহাজাগতিক ভাৰসাম্যক প্ৰতিনিধিত্ব কৰে বুলি বিশ্বাস কৰা হয়। আনহাতে ভগৱান ৰাম আৰু হনুমানৰ দৰে অন্যান্য দেৱতাক কিছুমান পেণ্ডেলত অন্তৰ্ভুক্ত কৰাটোৱে এই উদযাপনক বৃহত্তৰ হিন্দু আধ্যাত্মিক পৰম্পৰাৰ সৈতে সংযুক্ত কৰে। প্ৰতিগৰাকী দেৱতাই এক নিৰ্দিষ্ট উদ্দেশ্য পূৰণ কৰে। গণেশে বাধা-বিহীন উপাসনা নিশ্চিত কৰে, লক্ষ্মীয়ে বস্তুগত কল্যাণ আনে, সৰস্বতীয়ে জ্ঞান আৰু সৃজনিশীলতা প্ৰদান কৰে আৰু কাৰ্তিকে শক্তি আৰু বীৰত্ব প্ৰদান কৰে।

দুৰ্গা পূজাই ধৰ্মীয় সীমা অতিক্ৰম কৰি সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক গুৰুত্ব বৃদ্ধি কৰে। পশ্চিমবঙ্গৰ পণ্ডিতসকলে দুৰ্গোৎসৱক "দুৰ্গা পূজা অৰ্থনীতি" বুলি অভিহিত কৰা দেখা যায়। এই নামকৰণ কৰাৰো যুক্তিযুক্ততা আছে কিয়নো ৰাজ্যখনৰ বাৰ্ষিক জিডিপিলৈ প্ৰায় ২.৫/৩ শতাংশ অৱদান আগবঢ়োৱা দেখিবলৈ পোৱা গৈছে।

ইউনেস্ক'ৱে ২০২১ চনৰ ডিচেম্বৰ মাহত কলকাতাৰ দুৰ্গা পূজাক মানৱতাৰ অদম্য সাংস্কৃতিক ঐতিহ্য হিচাপে স্বীকৃতি প্ৰদান কৰাৰ ফলত ইয়াৰ সাংস্কৃতিক গুৰুত্ব আৰু অধিক গভীৰ হৈছে। এই স্বীকৃতিয়ে পৰম্পৰাগত কলা আৰু কাৰুশিল্পক ধৰি ৰখাৰ ক্ষেত্ৰত উৎসৱৰ ভূমিকা, সম্প্ৰদায়ৰ কল্যাণক প্ৰচাৰ কৰা, আৰু সামাজিক সীমা অতিক্ৰম কৰি সৃজনশীলতা বৃদ্ধিৰ কথা স্বীকাৰ কৰে। এই উৎসৱে বিভিন্ন জনগোষ্ঠীৰ মাজত সেতু বন্ধন হিচাপে কাম কৰে, য'ত "শ্ৰেণী, ধৰ্ম আৰু জাতিগত বিভেদ ভাঙি যায়।"

অভিযোজিত ৰীতি-নীতি আৰু সামূহিক আহাৰৰ জৰিয়তে আধ্যাত্মিকতাৰ মূল দিশটো বজাই ৰাখে। জাৰ্মানী, ফ্ৰান্স, ইটালী, মালয়েছিয়া, ছিংগাপুৰ, ৰাছিয়া আৰু ইউএইৰ দৰে দেশে বঙালী সংস্থাৰ দ্বাৰা দুৰ্গোৎসৱ পালন কৰা দেখা যায়। এই উৎসৱসমূহ প্ৰবাসী সম্প্ৰদায়ৰ বাবে সাংস্কৃতিক সেতুঁ হিচাপে কাম কৰে, তেওঁলোকৰ পিতৃ পুৰুষৰ পৰম্পৰাৰ সৈতে সম্পৰ্ক বজাই ৰাখি তেওঁলোকৰ দেশসমূহত আন্তঃ সাংস্কৃতিক বুজাবুজি বৃদ্ধি কৰে।

১৮ শতিকাৰ ব্যক্তিগত আভিজাত উৎসৱৰ পৰা বৰ্তমানৰ ৰাজহুৱা অনুষ্ঠানলৈ এই উৎসৱৰ ৰূপান্তৰে হিন্দু সমাজৰ গণতান্ত্ৰিক বিৱৰ্তনক প্ৰতিফলিত কৰে। যিটো এটা সময়ত একচেটিয়া জমিদাৰ পৰিয়ালৰ পূজা হিচাপে আৰম্ভ হৈছিল, সেয়া সাম্প্ৰতিক সময়ত ভাৰতীয় সমাজৰ এক ডাঙৰ উদযাপনলৈ ৰূপান্তৰিত হৈছে বুলিব পাৰি। আধুনিক দুৰ্গা পূজাই প্ৰাচীন জ্ঞান আৰু আধুনিক অভিব্যক্তিৰ এক অনন্য সংমিশ্ৰণ সৃষ্টি কৰি পৰম্পৰাগত আধ্যাত্মিক উপাদানসমূহ বজাই ৰাখি প্ৰযুক্তি আৰু সমসাময়িক বিষয়সমূহক গ্ৰহণ কৰিছে।

দুৰ্গা পূজাৰ পৰম্পৰাগত কাৰ্যকলাপৰ সৈতে জড়িত পৰিৱেশ সজাগতাই আজি গভীৰ প্ৰাসংগিকতা বহন কৰিছে। নৈ কাষৰীয়া জৈৱিকভাৱে ক্ষয়শীল মাটি ব্যৱহাৰ আৰু জলভাগত মূৰ্তিসমূহক ধৰ্মীয় বিসৰ্জনৰ প্ৰাথমিক ধৰণটোৱে বহনক্ষম উদযাপনক প্ৰতিনিধিত্ব কৰে। প্ৰকৃতিৰ পৰা গ্ৰহণ কৰি প্ৰকৃতিৰ ওচৰলৈ উভতি যোৱা এই চক্ৰীয় প্ৰক্ৰিয়াটোৱে এক পৰিৱেশগত জ্ঞানৰ প্ৰতিফলন ঘটায়, যি কেৱল উৎসৱৰ পবিত্ৰতা ৰক্ষা কৰাই নহয়, পৰিৱেশৰ ভাৰসাম্যৰ বাবে আমাৰ দায়বদ্ধতাকো প্ৰতিফলিত কৰে। ই আমাক এই কথা মনত পেলাই দিয়ে যে প্ৰকৃত ভক্তি প্ৰকৃতিৰ প্ৰতি সন্মানৰ সৈতে জড়িত।

সামাজিক পৰিৱৰ্তনৰ বাবে অনুঘটক হিচাপে এই উৎসৱৰ ভূমিকা অব্যাহত আছে আৰু বহুতো পূজা মণ্ডপে সামাজিক সমস্যা সমাধান, মহিলাৰ সবলীকৰণ আৰু সাংস্কৃতিক বৈচিত্ৰ্য্য উদযাপনৰ বাবে তেওঁলোকৰ মঞ্চ ব্যৱহাৰ কৰে। এই উৎসৱৰ সময়ত বিবাহিত কন্যাসকলক তেওঁলোকৰ পিতৃ-মাতৃৰ ঘৰলৈ স্বাগতম জনোৱাৰ পৰম্পৰাটোৱে পৰিয়ালৰ বান্ধোনক শক্তিশালী কৰে আৰু প্ৰতীকীভাৱে দেৱীৰ স্ব-গৃহক প্ৰতিনিধিত্ব কৰে।

বৰ্তমানৰ ডিজিটেল যুগত, দুৰ্গা পূজাই পৰম্পৰাগত আত্মা অক্ষুণ্ণ ৰাখি প্ৰযুক্তিক আঁকোৱালি লৈছে। ছ'চিয়েল মিডিয়া প্লেটফৰ্মত উৎসৱৰ ফটো, ভাৰ্চুৱেল পেণ্ডেল টুৰ আদিয়ে বিশ্বব্যাপী দৰ্শকক সংযুক্ত কৰে আৰু অনলাইন ষ্ট্ৰিমিঙে সমগ্ৰ বিশ্বৰ ভক্তসকলক উৎসৱৰ আনন্দ প্ৰদান কৰে।

এই উৎসৱে প্ৰতিবছৰে সৃষ্টি, সুৰক্ষা আৰু পৰিৱৰ্তন সাধন কৰিব পৰা ঐশ্বৰিক নাৰী শক্তিৰ কথা মনত পেলাই দিয়ে। যিটো যুগত নাৰীৰ অধিকাৰ আৰু ক্ষমতাই বিশ্বব্যাপী আলোচনাৰ কেন্দ্ৰবিন্দুত পৰিণত হোৱা দেখা গৈছে, সেই সময়ত দুৰ্গা পূজাৰ শক্তি উদযাপনে লিংগ সমতা আন্দোলনৰ বাবে অনুপ্ৰেৰণা আৰু সাংস্কৃতিক বৈধতা প্ৰদান কৰিছে বুলিব পৰা যায়। কন্যা, মাতৃ আৰু যোদ্ধা হিচাপে দেৱীৰ বহুমুখী প্ৰতিনিধিত্বই নাৰী শক্তিৰ বিভিন্ন মডেল প্ৰদান কৰে যি সাংস্কৃতিক সীমা অতিক্ৰম কৰে।

আধ্যাত্মিকমূলক অক্ষুণ্ণ ৰাখি দুৰ্গা পূজা ক্ৰমবিকাশৰ পথত অগ্ৰসৰ হৈছে আৰু সাংস্কৃতিক সুস্থিৰতা আৰু অভিযোজনশীলতাৰ প্ৰমাণস্বৰূপ হৈ পৰিছে। এই উৎসৱে প্ৰমাণ কৰে যে প্ৰাচীন পৰম্পৰাসমূহ কেনেদৰে সজীৱভাৱে প্ৰাসংগিক হৈ থাকিব পাৰে, সম্প্ৰদায়ৰ বান্ধোন বৃদ্ধি কৰিব পাৰে, অৰ্থনৈতিক পৰিৱেশতন্ত্ৰক সমৰ্থন কৰিব পাৰে, শৈল্পিক ঐতিহ্যক সংৰক্ষণ কৰিব পাৰে আৰু বিশ্বজুৰি লাখ লাখ লোকক আধ্যাত্মিক আহাৰ যোগান ধৰিব পাৰে।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে দুৰ্গা পূজা সম্পৰ্কে কৈছিল, "পূজাই অশুভৰ বিৰুদ্ধে শুভ শক্তিৰ জয়, জীৱনৰ উদ্‌যাপন আৰু সম্প্ৰদায়ৰ মনোভাৱক প্ৰতিনিধিত্ব কৰে।" এই মহৎ উৎসৱৰ সাৰ্থকতা সুন্দৰভাৱে বৰ্ণনা কৰি তেওঁ আমাক সোঁৱৰাই দিয়ে যে ঐশ্বৰিক নাৰীসত্তাক উদযাপন কৰি আমি আন্ধাৰৰ ওপৰত পোহৰৰ, ঘৃণাৰ ওপৰত প্ৰেমৰ আৰু হতাশাৰ ওপৰত আশাৰ অনন্ত বিজয় উদ্‌যাপন কৰো।

# শৰত বৈভৱ

নেত্ৰকমল সন্দিকৈ

"আহিনমহীয়া শেৱালি সৰিলে
নিয়ৰত তিতিলে বন,
জোনাকত উপঙিল কিহবাৰ ৰাগি
কেনেবা কৰিলে মন" — (পাৰ্বতিপ্ৰসাদ বৰুৱা)

সঁচাকৈয়ে স্বনামধন্য গীতকাৰে কোৱাৰ দৰে আহিনমহীয়া শেৱালি ফুলিলে শৰতৰ আগমন ঘটে। নিজান বনত ৰাতি নিয়ৰৰ মুকুতা সৰে! মনৰ গহণবনত এক অনাবিল প্ৰশান্তিৰ সেউজীয়াই পাহি মেলে!

শৰত আহিলে অনুভূতিৰ নৈখনো শান্ত-সমাহিত হৈ পৰে। বাৰিষাৰ হাজাৰ দোকোলটকা বান নেওচি প্ৰকৃতিৰ অনুপম বাটেৰেই শৰতৰ আগমন ঘটে। আজি বৰনৈ পাৰত হৃদয় কোমল কঁহুৱা ফুলিছে। আশাৰ বাকৰিত শেৱালিয়ে হাঁহিছে, পদুলিমুখৰ বকুলজোপাই মালা গাঁথিছে। শৰত মানেই শ্যামলী ধৰণী, তন্দ্ৰাময় ৰূপোৱালি জোনাক, সুন্দৰতাৰ আমোঘ উপহাৰ। শৰত আহে সংগোপনে। স্নিগ্ধ পুৱাই কঢ়িয়াই আনে অনুপম সতেজতা। শৰত আহিলে গোমা আকাশত মেঘৰ মাদল কমিবলৈ ধৰে। মন আকাশৰ সাঁচতীয়া সপোনে ঠন ধৰি উঠে। কৃষকৰ জীয়ৰী সেউজী পথাৰে সুমথিৰা বেলিৰ স'তে কত যে গীত জুৰে! ফিৰ্‌ফিৰীয়া বতাহত হালে-জালে বৰা, জহা, সুৱাগমনি, মাণিকীমধুৰী ধান। লাহে-লাহে আশাৰ বৰঘৰত হেমন্তৰ সুঁহুৰি বিয়পি পৰে। মনৰ ঐয়াঙে-দৈয়াঙে প্ৰেমে লুকা-ভাকু খেলে। শৰত আহিলে ৰ'দপাই জিলিকি উঠে বালিমাহী, চাকৈ-চকোৱা অথবা যৌৱনৰ দহিকতৰা হাল। সৰলা বিলত শৰালি জাকে কৰে নিতৌ জলকেলি। নিজান দুপৰীয়া গৰখীয়াৰ বাঁহীৰ মাতত গোনা ম'হে লয় কিছু জিৰণি। শৰত আহিলে নীলা-শুকুলা ডাৱৰৰ আঁৰে আঁৰে বগলীৰ দৰে উলাহত উৰি ফুৰে আমাৰ মন। এপলক হ'লেও আমি পাহৰি যাওঁ যান্ত্ৰিকতাৰ অৱসাদ। একাকিত্বৰ সীমনা ভেদি জীৱনৰ পমখেদি আওৱাবলৈ শেৱালি ফুলা শৰতেই যথেষ্ট।

সন্ধিয়া গোসাঁই ঘৰত চলে পৱিত্ৰ আৰতি। শৰত আহিলে তাহানিৰ পূৰ্ণিমা ৰাতি আইতাৰ চেনেহৰ চোতালত বহি, বুঢ়ী আই সাধু, জোনবাই দেশৰ সাধু শুনা আৰু যে কত কি কাহিনী! এতিয়া যেন সকলোবোৰ নষ্টালজীয়াৰ উকা দুহাত! তথাপি থমকি নৰয় জীৱনে, ঠিক শৰতৰ দৰেই। পোৱা-নোপোৱাৰ অভাৱ-অভিযোগৰ সীমাবদ্ধতা নেওচি প্ৰকৃতিৰ বুকুত বিলীন হ'ব পৰাকৈ শৰতে দিয়ে গভীৰ প্ৰত্যয়।

আচলতে শৰতৰ বেলিকা পূৰঠ হয় প্ৰকৃতি, সুবাসিত হৈ পৰে সমগ্ৰ। তদুপৰি, এই সময়ত মা দুৰ্গাৰ মহিষাসুৰ বধৰো চলে আখৰা!

## শৰতৰ শেৱালি

আয়শা ছিদ্দিকা

গৈছিলোঁ সেইদিনা কোমল ভৰিৰে
বাটৰ বোকা-পানী গচকি গচকি
তোমাৰ সুগন্ধিত মতলীয়া হৈ
কাৰণ তুমি যে মোৰ প্ৰণয়ৰ আবেগ।

সেই সেউজীয়া শৈইচৰ পথাৰৰ
সোণোৱালী ৰূপ লোৱা স্বৰ্ণৰাজ্যৰ
পাৰে পাৰে এখোজ এখোজ কৰি
আওৱাই গৈছিলোঁ তোমাৰ কাষলৈ।

আধা বাটতে লগ পোৱা প্ৰণস্পদ
মৰম বৰ্ষিল মূৰৰ ওপৰত পলকতে
আৱৰি ধৰিলে মন-প্ৰাণ-দেহ
তথাপি দীঘল খোজ দিলোঁ আগলৈ।

এটা গাঁও দুটা গাঁও কত যে গাঁও
ডেউদি পথাৰ ডেউদি বৰষুণ নেওচি
বোকা-পানী গচকি আহিলোঁ তোমালৈ
কাৰণ তুমি যে মোৰ জীৱনৰ
প্ৰথম অনুভৱ প্ৰণয়ৰ।

মতলীয়া হওঁ মই বাৰং বাৰ
তোমাৰ মনোমুগ্ধকৰ স্নিগ্ধ সুবাসত
পাহৰি যাওঁ নিজকে নিজে তেতিয়া
মাথোঁ স্মৃতিৰ ৰাজ্যত তোমাৰ বিচৰণ।

## শাৰদী

জ্ঞানশ্ৰী ওজা

কঁহুৱা ফুলিলে নৈৰে পাৰতে
হালিছে জালিছে বতাহতে ,
শেৱালী ফুলিলে কুৱলী পুৱাতে
শুভ্ৰ দলিচাৰে চোতাল ভৰিলে।

আকাশত হাঁহিছে শুকুলা ডাৱৰে
মুকুতা পিন্ধিছে বন দুৱৰীয়ে ,
আমোল মোল শেৱালী সন্ধিয়াত
জোনে বিলাইছে জোনাক।
মুখে মুখে হাঁহি লৈ , শৰত
নামিলেহি এই জন ধৰাত ।

শাৰদী তুমি নিয়ৰৰ কোলাত বহি
আহিলা যেনেকৈ যাবাগৈ তেনেকৈ
দি যাবা মাথোঁ মিঠা অনুভূতি,
লৈ যাবা ধৰাৰ হাঁহিতি ।
বিদায় শাৰদী আহিবা আকৌ,
বাট চাই ৰম শাৰদী তোমালৈ।।

# অসমস্থিত নেপালী সম্প্ৰদায়ৰ লোক সকলৰ দুৰ্গা পূজাৰ উদ্‌যাপন

চন্দ্ৰ শেখৰ পৰাজুলী

নেপালী সম্প্ৰদায়ৰ মূলতঃ অতীততে প্ৰধান বাসভূমি নেপাল ৰাষ্ট্ৰই আছিল। কিন্তু সময়ৰ অগ্ৰগতি ফলত কাল ক্ৰমান্বয়ে নেপালী সম্প্ৰদায়ৰ লোকসকলে বিশ্বৰ ভিন্ন ভিন্ন ঠাইত নিজৰ সুবিধা অনুসৰি বিচৰণ কৰি সেই ঠাই সমূহকে নিজৰ কৰি তাতেই জীৱন ধাৰণা কৰিবলৈ ধৰে। সেই অনুসৰি ভাৰতৰ ভূমিৰ অসম ৰাজ্যৰ নেপালী সকলৰ আগমনৰ কথা একেবাৰে সঠিককৈ তথ্য অনুসৰি উল্লেখ কৰাটো সম্ভৱপৰ নহয়। নেপালী সম্প্ৰদায়ৰ লোকসকল মূলতঃ হিন্দু ধৰ্মাৱলম্বী আৰু ভাৰত তথা অসম ৰাজ্যৰ লোকসকলো বেছিভাগে হিন্দু ধৰ্মাৱলম্বী লোকসকলে আছে। গতিকে ধাৰ্মিক সূত্ৰৰ অনুসৰিও নেপালী সম্প্ৰদায়ৰ লোকসকল ভাৰত তথা অসম ভূমিৰ ওতপ্ৰোত ভাৱে সাঙোৰ খাই আছে। সেয়েহে অসমৰ চুকে কোনে উদ্‌যাপন কৰি অহা দুৰ্গা পূজা হ'ল নেপালী জাতিৰ জাতীয় উৎসৱ। শাস্ত্ৰমতে আহিন মাহৰ শুক্ল পক্ষত বা চ'ত মাহৰ শুক্ল পক্ষত দুৰ্গাপূজা পালন কৰা হয়। চ'ত অৰ্থাৎ বসন্ত-কালৰ দুৰ্গাপূজাক বাসন্তী দুৰ্গাপূজা আৰু আহিন অৰ্থাৎ শৰৎ-কালৰ দুৰ্গাপূজাক শাৰদীয় দুৰ্গাপূজা নামে জনাজাত। অসম তথা ভাৰতৰ কিছু কিছু ৰাজ্যত দুৰ্গা পূজা সাধাৰণতে আহিনৰ শুক্ল পক্ষৰ ষষ্ঠতম দিন তথা ষষ্ঠীৰ পৰা আৰম্ভ হৈ দশমী পৰ্যন্ত থাকে এই দুৰ্গোৎসৱ। এই পাঁচদিন যথাক্ৰমে দুৰ্গা ষষ্ঠী, মহাসপ্তমী, মহাষ্টমী, মহানৱমী আৰু বিজয়া দশমী নামে জনাজাত। কিন্তু নেপাল ৰাষ্ট্ৰৰ পৰম্পৰা অনুসৰি অসমত বসবাস কৰা নেপালী সকলেও উদযাপন কৰা দুৰ্গা পূজাৰ আগমন ১৬ শ্ৰাদ্ধ অৰ্থাৎ পূৰ্ণিমাৰ পৰা আৰম্ভ হৈ একেবাৰে গৈ গৈ লক্ষ্মী পূৰ্ণিমাৰ পূজাৰ দিনা সামৰণি ঘটে। ১৬ শ্ৰাদ্ধক ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত পিতৃপক্ষ বা মহালয়া নামেৰেও পৰিচিত। নেপালীসকলে পালন কৰি অহা এই পিতৃপক্ষৰ ১৬ দিন ধৰি একেবাৰে শ্ৰাদ্ধৰ আকাৰত এসাজ অন্ন গ্ৰহণ কৰি নিজ নিজ মৃত পূৰ্ব পুৰুষসকলক ধূপ, বন্তি জ্বলাই শ্ৰদ্ধা নিবেদন বা স্মৰণ কৰা হয়। তাৰ পৰৱৰ্তী পৰ্যায়ত সাময়িক ধৰণে নৱৰাত্ৰিত পালন কৰি দেৱী দুৰ্গাৰ চৰণৰ প্ৰতিদিনে পূজা অৰ্চনা কৰা হয়। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত অৰ্থাৎ বিজয়া দশমীৰ দিনা নেপালী সম্প্ৰদায়ৰ লোকসকলে ঘৰে ঘৰে যিকোনো শুদ্ধ পাত্ৰত অংকুৰিত হবলৈ দিয়া গোমধানৰ গজালি পাতবোৰ ( জমৰাক) দেৱী দুৰ্গাক উৎসৰ্গিত কৰি একেবাৰে দশমীৰ দিনৰ পৰা আৰম্ভ কৰি লক্ষ্মী পূৰ্ণিমাৰ দিনালৈকে নিজ আত্মীয়, সম্বন্ধীয়সকলে তথা নিজ নিজ অভিভাৱকসকলে পৰিয়ালৰ সকলোবোৰ সদস্যসকলে বয়োজ্যেষ্ঠ পৰা জমৰাৰ জৰিয়তে চাউলৰ ৰঙা ফুট লৈ আশীৰ্বাদ গ্ৰহণ কৰি যায়।

নেপালী সম্প্ৰদায়ে উদ্‌যাপন কৰা দুৰ্গা পূজাক দশাইন নামেৰেও জনা যায়। এই উৎসৱত দুৰ্গাৰ শক্তি পূজা কৰা হয়। ইয়াৰ উপৰিও দুৰ্গা পূজা হ'ল নেপালী সম্প্ৰদায়ৰ বাবে আত্মীয়, সম্বন্ধীয় তথা পাৰিবাৰিক মিলন, সংযোগৰ এক পবিত্ৰ সময়। যেনেকৈ আমি অসমত বসবাস কৰি অসমৰ জাতীয় উৎসৱ বিহু বহু আনন্দ, উল্লাখৰ মাজৰে পালন কৰি যাওঁ ঠিক সেইদৰে অসমত আহি জীৱন নিৰ্বাহ কৰি থকা আমি নেপালী সম্প্ৰদায়ৰ লোকসকলে নিজৰ জাতীয় উৎসৱ দুৰ্গা পূজা সকলো অসমীয়া জাতি-জনজাতিৰ লগত একলগ হৈ অতি আনন্দ উৎসাহৰ মাজেদি প্ৰতিবছৰে পালন কৰি আহিছোঁ।

# মহিষাসুৰমৰ্দিনীৰ পৰা অন্নপূৰ্ণালৈ দেৱীৰ বহুৰূপী পৰিচয়

সত্যব্ৰত বৰা

দুৰ্গা পূজা আনন্দ, ৰং আৰু অন্ধকাৰ শক্তিৰ ওপৰত সত্যৰ জয়ৰ উৎসৱ। এই উৎসৱত নৱৰাত্ৰিৰ পিছত বিজয়াদশমী পালন কৰা হয়, য'ত মহিষাসুৰৰ ওপৰত দুৰ্গাৰ জয়ৰ স্মৃতি উদ্‌যাপন কৰা হয়। দুৰ্গাৰ প্ৰাচীনতম প্ৰতিমূৰ্তি, য'ত তেওঁ মহিষাসুৰমৰ্দিনী ৰূপত দেখা যায়, সেই প্ৰতিমূৰ্তিসমূহ খ্ৰীষ্টপূৰ্ব ১০০ শতিকাৰ ওচৰা-ওচৰিৰ। মাৰ্কণ্ডেয় পুৰাণৰ দেৱী মাহাত্ম্যত দুৰ্গাৰ বিষয়ে সবাতোকৈ গুৰুত্বপূৰ্ণ প্ৰাচীন বৰ্ণনা পোৱা যায়। এই পুৰাণত কোৱা হৈছে যে দেৱতাসকলৰ সংযুক্ত শক্তিৰ পৰা দেৱীৰ জন্ম হৈছিল মহিষাসুৰ নামৰ দানৱক বধ কৰিবলৈ। এই কাৰণে বহু পণ্ডিতৰ মতে দুৰ্গা বৈদিক দেৱী নহয়। কিন্তু দেৱীৰ উপাসনা ভাৰতৰ মাটিত গঢ় লৈ উঠা এটা জীৱন্ত আৰু ক্ৰমবিকাশশীল পৰম্পৰা। এই পৰম্পৰাৰ শিপা বৈদিক আৰু অ-বৈদিক দুয়োটা উৎসৱ সৈতে জড়িত।

প্ৰাচীন বৈদিক গ্ৰন্থসমূহত দুৰ্গাৰ নাম স্পষ্টভাৱে উল্লেখ নাথাকিলেও বাক্ নামৰ এগৰাকী দেৱীৰ কথা পোৱা যায়। ঋগ্ব দৰ স্তোত্ৰত বাকে এনে এটা শক্তি ৰূপে আত্মপ্ৰকাশ কৰে যিয়ে সমগ্ৰ সৃষ্টিক একাত্ৰিত কৰি ৰাখে। তেওঁ ৰুদ্ৰৰ ধনুৰ শক্তি, সূৰ্যক প্ৰকাশ কৰা শক্তি আৰু প্ৰকৃতিৰ শক্তিৰূপে বৰ্ণিত হৈছে। বাকে নিজকে বিশ্বৰ আত্মাৰ সৈতে একত্ব ঘোষণা কৰে আৰু সৃষ্টিৰ শাসন ব্যৱস্থাত গুৰুত্বপূৰ্ণ স্থান দাবী কৰে। তেওঁ হৈছে আদিম শক্তি, প্ৰকৃত বল আৰু সৃষ্টিৰ পৰিকল্পনাত পথ প্ৰদৰ্শক নৈসৰ্গিক মূলনীতি। তেওঁ সৃষ্টি আৰু ধ্বংসকাৰী দেৱতাৰ নৈসৰ্গিক শক্তিৰ স্ত্ৰীলিঙ্গ প্ৰতিৰূপ। ঋগ্বদৰ বাক্ৰ উক্তিসমূহে পাছলৈ শাক্ত সম্প্ৰদায়ৰ ভিত্তি গঢ়ি তুলিছিল। এইদৰে বৈদিক পৰম্পৰাত দেৱীৰ উপাসনাৰ শিপা বিচাৰি পোৱা যায়, যদিও দুৰ্গাৰ নাম স্পষ্টভাৱে উল্লেখ নহয়।

দেৱীৰ উপাসনাৰ সৈতে কৃষিৰ বিকাশৰো গভীৰ সম্পৰ্ক আছে, বিশেষকৈ মহিলাসকলৰ কৃষিৰ সৈতে জড়িত ভূমিকাৰ সৈতে। ভাৰতৰ গ্ৰাম্য পৰম্পৰাত মহিলাসকলে নিজৰ ঘৰৰ পৰা শহুৰৰ ঘৰলৈ বীজ লৈ যোৱাৰ প্ৰথা এতিয়াও প্ৰচলিত। এই পৰম্পৰা কৃষিৰ সৈতে দেৱীৰ সম্পৰ্কৰ এটা জীৱন্ত স্মৃতি। দুৰ্গা পূজাৰ কলশ স্থাপনা এই কৃষি প্ৰক্ৰিয়াৰ প্ৰতীকী প্ৰকাশ। কলশৰ চাৰিপাশত যৱৰ বীজ ৰোপণ কৰা হয়, নৱৰাত্ৰিৰ ন দিন ধৰি পানী দিয়া হয় আৰু ইয়াৰ বৃদ্ধি মানে হ'ল সমৃদ্ধি আৰু প্ৰাচুৰ্যৰ প্ৰতীক। দেৱী কেৱল মহিষাসুৰমৰ্দিনী নহয়, তেওঁ অন্নপূৰ্ণা আৰু শাকম্ভৰীও, যিয়ে কৃষিৰ সৈতে তেওঁৰ সম্পৰ্কক স্পষ্ট কৰে।



প্ৰাচীন কালত কৃষিৰ দিনত বনৰীয়া ম'হ শস্যৰ বাবে ডাঙৰ ভাবুকি আছিল। মহিষাসুৰমৰ্দিনীৰূপে দেৱীয়ে এই ভাবুকি নিৰ্মূল কৰিছিল। কিন্তু সময়ৰ সৈতে ম'হৰ পোহনীয়াকৰণৰ ফলত এই শত্ৰুতাৰ অৱসান ঘটে। দেৱী মাহাত্ম্য, শিৱ পুৰাণ আৰু বামন পুৰাণত মহিষাসুৰক স্পষ্টভাৱে শত্ৰু হিচাপে চিত্ৰিত কৰা হৈছে। কিন্তু পাছৰ পুৰাণসমূহত এই সম্পৰ্কৰ ক্ৰমবিকাশ দেখা যায়। কালিকা পুৰাণত মহিষক শিৱৰ সৈতে একত্ব ঘোষণা কৰা হৈছে। শতপথ ব্ৰাহ্মণত কৃষিৰ বিকাশৰ কথা বৰ্ণনা কৰা হৈছে, য'ত পশুৰ পৰা মাটিলৈ যজ্ঞৰ সাৰ স্থানান্তৰৰ কথা কোৱা হৈছে। মাটি খন্দাৰ পিছত সেই সাৰ ধান আৰু যৱৰ ৰূপত পোৱা গৈছিল। এইদৰে দেৱীৰ উপাসনা কৃষিৰ সৈতে গভীৰভাৱে জড়িত।

দেৱীৰ উপাসনা অ-বৈদিক আৰু আদিবাসী পৰম্পৰাৰ সৈতেও সম্পৰ্কিত। শবৰোৎসৱৰ দৰে পৰম্পৰা এই সম্পৰ্কৰ উদাহৰণ। বিজয়াদশমীৰ দিনা ভক্তসকলক শবৰসকলৰ আচৰণৰ অনুকৰণ কৰিবলৈ উৎসাহিত কৰা হয়। কালিকা পুৰাণত দশম দিনত শবৰোৎসৱ পালনৰ কথা কোৱা হৈছে, য'ত মাটিৰে হোলী খেলা, উত্তেজক গীত গোৱা আৰু হাস্য-পৰিহাসৰ মাজেৰে আনন্দময় উদ্‌যাপন কৰা হয়। আদিবাসী উপাদান দেৱীৰ নাম যেনে চামুণ্ডা, চৰ্চিকা, মাতঙ্গী, বিন্ধ্যবাসিনী আৰু দুৰ্গা সপ্তশতীৰ ন্যাস আৰু সিদ্ধকুঞ্জিকাস্তোত্ৰমত ব্যৱহৃত শব্দসমূহতো দেখা যায়।

হিন্দু ধৰ্মত বৈদিক আচাৰ (বেদাচাৰ) আৰু লোকাচাৰ (লোক পৰম্পৰা)ৰ সংমিশ্ৰণ দেখা যায়। দেৱীৰ উপাসনা এনে এটা প্ৰাচীন পৰম্পৰা, যি লোকাচাৰৰ পৰা উদ্ভৱ হৈ বৈদিক পৰম্পৰাৰ সৈতে সংমিশ্ৰিত হৈছে। ভগৱতী দুৰ্গা কেৱল দেৱতাসকলৰ শক্তিৰ সংযোগ নহয়, তেওঁ এই বিশ্বৰ আদিম শক্তিৰ প্ৰতীক, যি অনাদি কালৰ পৰা এই জগত পৰিচালনা কৰি আহিছে।

দুৰ্গা পূজাৰ এই বৈচিত্ৰ্যময় পৰম্পৰাই ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ গভীৰতা প্ৰতিফলিত কৰে। ই কেৱল ধৰ্মীয় উৎসৱ নহয়, ই জীৱনৰ সৈতে জড়িত সমন্বয়ৰ প্ৰকাশ। বৈদিক স্তোত্ৰৰ পৰা আৰম্ভ কৰি লোকাচাৰৰ আনন্দময় উদ্‌যাপনলৈ, দুৰ্গা পূজাই সকলোকে একত্ৰিত কৰে। এই উৎসৱত কৃষি, সমাজ, ধৰ্ম আৰু সংস্কৃতিৰ এক অপূৰ্ব সংমিশ্ৰণ দেখা যায়।

দুৰ্গাৰ উপাসনাৰ এই পৰম্পৰা আমাক এটা গুৰুত্বপূৰ্ণ বাৰ্তা দিয়ে। সেয়া হ'ল জীৱনৰ সকলো দিশৰ মাজত সামঞ্জস্য ৰক্ষা কৰা। তেওঁৰ মহিষাসুৰমৰ্দিনী ৰূপে আমাক শিকায় যে অসত্যৰ ওপৰত সত্যৰ জয় নিশ্চিত। তেওঁৰ অন্নপূৰ্ণা আৰু শাকম্ভৰী ৰূপে আমাক প্ৰকৃতিৰ সৈতে সংযোগ ৰক্ষা কৰাৰ গুৰুত্বৰ কথা মনত পেলায়। তেওঁৰ শবৰোৎসৱৰ মাজেৰে জীৱনৰ আনন্দ উদ্‌যাপনৰ শিক্ষা দিয়ে।

দুৰ্গা পূজাৰ বহুমুখী ৰূপ ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ এক অনন্য নিদৰ্শন। ই কেৱল এটা ধৰ্মীয় উৎসৱ নহয়, ই এক জীৱন দৰ্শন, যি আমাক একতা, সমৃদ্ধি আৰু আনন্দৰ পথ দেখুৱায়। এই পৰম্পৰা আজিও জীৱন্ত আৰু ইয়াৰ মাজেৰে আমি আমাৰ শিপাৰ সৈতে সংযোগ ৰক্ষা কৰি চলিছো।

## শেৱালিৰ সুবাস

পুৱতি নিশাৰ
মলয়া বতাহ জাকে
কঢ়িয়াই আনিছে
শেৱালিৰ সুবাস।
পুৱাৰ কাচিয়লি ৰ'দত
দুৱৰিত নিয়ৰৰ টোপালবোৰে
ৰ'দলৈ চায় মিচিকিয়াই হাঁহিছে।

নৈ পাৰৰ কহুৱাবোৰেও
শৰতৰ শীতল হীম চেঁচা বতাহৰ স'তে
হালি-জালি কৈ নাচিছে।

শাওণৰ বোকা-পানীৰে
আৱৰি থকা
পথাৰবোৰো উন্মনা হৈ পৰিছে
সেউজীয়াবোৰৰ স'তে।
নীল আকাশে শুকুলা মেঘৰ স'তে
শৰতৰ কথা পাতিছে।।

হে! ঋতুৰ ৰাণী শৰত
তুমি ধৰালৈ কঢ়িয়াই আনা
শেৱালি সুবাসৰ স'তে
সুখ আৰু শান্তিৰ বতৰা।

কৰবী গগৈ দুৱৰা

# হাজী আনফৰ আলী মহাবিদ্যালয়ত ছাত্র একতা সভাৰ নিৰ্বাচনত অসম ছাত্র পৰিষদৰ বৃহৎ সফলতা

**অসম বাৰ্ত, ডবকা, ৩০ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ ডবকা অঞ্চলৰ উচ্চ শিক্ষাৰ নক্ষত্ৰ স্বৰূপ ঐতিহ্যমণ্ডিত হাজী আনফৰ আলি মহাবিদ্যালয়ত যোৱা ২৭ ছেপ্টেম্বৰত হৈ যোৱা ছাত্র একতা সভাৰ নিৰ্বাচনত অসম ছাত্র পৰিষদৰ ৫জন প্ৰাৰ্থীয়ে জয় লাভ কৰে। এই জয় যাত্ৰাত অসম ছাত্র পৰিষদৰ সভাপতি স্বৰমুদুৰ ৰহমান চৌধুৰীয়ে জানিব দিয়ে যে এই জয় অকল অসম ছাত্র পৰিষদৰে নহয় এই জয় আনফৰীয়ানৰ জয় আৰু তেওঁ প্ৰতিজন প্ৰাৰ্থীক আন্তৰিক শুভেচ্ছা জনোৱাৰ লগতে অসম গণ পৰিষদৰ জিলা সমিতিৰ সভাপতি আলহাজ মহাম্মদ আলী, অসম গণ পৰিষদ বিন্নাকান্দি বিধান পৰিষদৰ উপ-সভাপতি আহমেদ হুছেইন, অসম কৃষক পৰিষদৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক আবুল হুছেইন, অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক জালাল উদ্দিনে যি সহায় সহযোগিতা আগবঢ়াইছে তেখেত সকল আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে হাজী আনফৰ আলী কলেজ গোটৰ ৰিয়াজ উদ্দিন, ছাবিৰ আহমেদ চৌধুৰী, নজমুল হুছেইন, নাজিম উদ্দিন, মাৰুফুল হুছেইন, শ্বামিম আহমেদ, ছাজিদ আহমেদ, ফিৰদৌছ আলম, আব্দুল্লাহ মনছুৰ, ওৱাৰিচ আহমেদ, মাবৰুৰ ৰহমান, আফৰুজ আলী বৰভুএগ, জাহাংগিৰ নাইন, ফাহিম আহমেদ, চোহাইব আহমেদ, ৰাহুল হক, আশ্ৰৰাফুল আলম, শ্বাহিন আকতাৰ, ৰুমিনা বেগম, ছিদ্দিকা বেগম, চুলতানা বেগম, ছানাজ বেগম, ৰুমিনা বেগম, শ্বাহিন আকতাৰ, মসুমা ফাৰুক, ৰাজমিনা বেগম লস্কৰ, ছুমাইয়া ইয়েছমিন চৌধুৰী, জেনিফা বেগম, উমামা অম্বিয়া সিদ্দিকা, জাৰিনা বুলবুল, ক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। এই বাৰ জিলা সমিতিৰ সভাপতি স্বৰমুদুৰ ৰহমান চৌধুৰীৰ নেতৃত্বত ২০২৫-২৬ বৰ্ষৰ ছাত্র একতা সভাৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতিৰ পদত ৰৌজহান ৰাজা চৌধুৰী, সাধাৰণ সম্পাদকৰ পদত ৰমিজ উদ্দিন লস্কৰ, সহকাৰী সাধাৰণ সম্পাদক আবুল খায়েৰ, সাংস্কৃতিক সম্পাদক ছোৰজ আকতাৰ, ক্ৰীড়া সম্পাদক ৰেহান উদ্দিনকে প্ৰমুখ্যে কৰি মুঠ পাচঁটা পদতে অসম ছাত্র পৰিষদ দলৰ প্ৰাৰ্থীৰ বৃহৎ জয়লাভ হয়। তৃণমূল কংগ্ৰেছ দলৰ ভাতৃ সংগঠন তৃণমূল কংগ্ৰেছৰ ছাত্র পৰিষদৰ ৫জন প্ৰাৰ্থী জয়ী হয়। এ, বি, ভি, পি ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ তিনিজন প্ৰাৰ্থী জয়ী হয়। এ, আই, ইউ, ডি, এফ দলৰ ভাতৃ সংগঠন ইউ, ডি, এচ, এফ দলৰ এজনো প্ৰাৰ্থী জয়ী হ'ব নোৱাৰিলে। মুঠ আসন আছিল ১৩ খন।

## আন্তৰ্জাতিক বয়োজ্যেষ্ঠ দিৱস উপলক্ষে ডিব্ৰুগড়ৰ দৰ্শিনী ফাউণ্ডেশ্যনৰ বিশেষ উদ্যোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ ছেপ্টেম্বৰ ঃ** ১ অক্টোবৰত উদ্‌যাপন কৰিবলগীয়া আন্তৰ্জাতিক বয়োজ্যেষ্ঠ দিৱস উপলক্ষে দৰ্শিনী ফাউণ্ডেশ্যনে ডিব্ৰুগড় আৰু ধেমাজিযত সপ্তাহজুৰি বিশেষ কাৰ্যসূচী হাতত লৈছে। এই উদ্যোগৰ লক্ষ্য হৈছে সমাজত বয়োজ্যেষ্ঠ সকলৰ অমূল্য অৱদানক সন্মান জনোৱাৰ লগতে তেওঁলোকে সন্মুখীন হোৱা বহুমুখী সমস্যাৰ বিষয়ে সজাগতা বৃদ্ধি কৰা। কাৰ্যসূচীত থাকিব- বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু ঔষধ বিতৰণ, বিভিন্ন ঠাইত বৃক্ষৰোপণ অভিযান আৰ্থিকভাৱে পিছপৰা বৃদ্ধসকললৈ কাপোৰ বিতৰণ নন্দিনী কাউন্সিলিং কেন্দ্ৰৰ উদ্যোগত পৰামৰ্শ সেৱা প্ৰদান আদি। ইয়াৰ উপৰিও, দৰ্শিনী ফাউণ্ডেশ্যনে বৃদ্ধ নাগৰিকসকলৰ বাবে চৰকাৰৰ বিভিন্ন আঁচনি আৰু পেঞ্চনৰ সুবিধা সম্বন্ধে সজাগতা সৃষ্টি কৰিব। কাৰ্যসূচী অনুযায়ী ১ অক্টোবৰৰ পৰা সপ্তাহজোৰা কাৰ্যসূচী পালন কৰা হ'ব। ধেমাজি আৰু ডিব্ৰুগড়ৰ যোগাযোগ ঃ ৮০১১১২৮৭১১, ই-মেইল ঃ darshinifoundation22@gmail.com দৰ্শিনী ফাউণ্ডেশ্যনে জনসাধাৰণক এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি সমাজৰ বয়োজ্যেষ্ঠ নাগৰিকসকলক সহায়-সহযোগ আগবঢ়াবলৈ আহ্বান জনাইছে।

# নৰৈৰ এজন প্ৰকৃতিপ্ৰেমী যুৱক লুইত বৰাৰ মহান পদক্ষেপ

**অসম বাৰ্তা, নগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** সংগীতৰ যাদুকৰ জুবিন গাৰ্গৰ স্মৃতি ৰক্ষাৰ্থে সমগ্ৰ অসমৰ বিভিন্ন ঠাইত বিশিষ্ট ব্যক্তি সকলৰ গৃহত উপস্থিত হৈ এটাকৈ নাহৰ গছৰ পুলি ৰোপণ কৰি সংগীতৰ ভগৱান জুবিন গাৰ্গৰ নামত অৰ্পণ কৰি আত্ম সন্তোষী লাভ কৰা পৰিলক্ষিত হৈছে। ইতিমধ্যে অসমৰ কেইবাখনো জিলা নাহৰ গছৰ পুলিবোৰ পৰিয়ালৰ মুৰব্বী গৰাকীৰ সহযোগত ৰোপণ কৰি জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে গছ অবিহনে কোনো জীৱকূল জীয়াই নাথাকে তাৰো এক সজাগতা বৃদ্ধি কৰে। এই মহান যুৱকজন বহু দিনৰ পৰা সমাজৰ বহু উন্নয়নমূলক কামৰ সৈতে জড়িত হোৱাৰ লগতে ক্ৰীড়া জগত, সাংস্কৃতিক জগতৰ লগতে সমাজৰ বহু কামৰ লগত জড়িত হৈ অসমৰ ৰাইজৰ মাজত এক সুকীয়া পৰিচয় ডাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁ বিভিন্ন বাতৰি কাকত আৰু আলোচনীত গল্প, কবিতা, প্ৰবন্ধ আদি প্ৰকাশৰ জৰিয়তে সাহিত্য জগতখনটো সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছিল। প্ৰকৃতিপ্ৰেমী লুইত বৰাই গছবোৰক ভালপোৱাৰ কাৰণেই তেখেতৰ শলমাৰী গাঁৱৰ ডাঙৰ বাৰীখনত বিভিন্ন প্ৰজাতিৰ অৰ্কিড সংৰক্ষণ কৰি গছ ভালপোৱাৰ উদাহৰণ দাঙি ধৰিছে। আৰ্কিডখন প্ৰত্যক্ষ কৰিবলৈ দূৰ দূৰণিৰ পৰা বহু লোকৰ সমাগম হয়। লুইত বৰাই দেশৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ যান্ত্ৰণা নিৰাময় কৰাৰ বাবে এক লক্ষ্য স্থিৰ কৰিছে কমেও ১০১ জোপা গছপুলি ৰোপণ অসমৰ কেইবাখনো জিলাত ৰোপণৰ লক্ষ্য স্থিৰ কৰিছে যদিও ইয়াৰ সংখ্যা বৃদ্ধিও হোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ জনাই লগতে প্ৰতিটো গছপুলি ৰোপণৰ সংগতি ৰাখি জুবিন গাৰ্গৰ একোখনকৈ আলোক চিত্ৰায়ো প্ৰদান কৰিছে। অন্যহাতে কিছুমান ৰাজহুৱা স্থানত জুবিন গাৰ্গৰ প্ৰতিচ্ছবি অংকন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি লুইত বৰাই জানিবলৈ দিছে। যোৱা ২৩ চেপ্তেম্বৰৰ পৰা তেওঁ ব্যৱহাৰ কৰা গাড়ীখনত জুবিনৰ ছবিৰ পৰিবেষ্টিত কৰি নগাঁও, মৰিগাঁও, যোৰহাট হোজাই জিলাৰ ৪০টা পৰিয়ালত এটিকৈ নাহৰ পুলিৰ লগত এখন জুবিনৰ ফটো বিতৰণ কৰি বিখ্যাত শিল্পী জনৰ বাবে ব্যতিক্ৰমী শ্ৰদ্ধাঞ্জলি জনোৱা বুলি জনাইছে। লুইত বৰাৰ এনে প্ৰশংনীয় পদক্ষেপে শোকত ম্ৰিয়মাণ হৈ থকা জুবিন প্ৰেমীৰ লগতে সকলোৱে ধন্যবাদ আৰু আশিষ প্ৰদান কৰিছে।

# খৈৰাবাৰী সৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উদ্‌যাপন সমিতিৰ ৯০তম্ শাৰদীয় দুৰ্গোৎসৱৰ উদ্‌যাপন

**অসম বাৰ্তা, খৈৰাবাৰী, ৩০ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলা খৈৰাবাৰী সৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উদযাপন সমিতিৰ ৯০ তম শাৰদীয় দুৰ্গোৎসৱ উদ্‌যাপন। অইন বেলিৰ দৰে এইবিলিও খৈৰাবাৰীত অনুষ্ঠিত হ'ব শাৰদীয় দুৰ্গোৎসৱৰ। খৈৰাবাৰী সৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকলে জানিবলৈ দিয়া অনুসৰি ২৯, ৩০, চেপ্তেম্বৰ ১, আৰু ২ অক্টোবৰ তাৰিখে চাৰিওটা দিনত বিশেষ বিশেষ কাৰ্যসূচীৰে অনুষ্ঠিত কৰিব অইবেলিৰ শাৰদীয় দুৰ্গোৎসৱ। অন্যহাতে অসমৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ অকাল মৃত্যুত মৰ্মাহত সমগ্ৰ বিশ্ব সেয়ে সাংস্কৃতিক অনুষ্ঠান সমূহ শাৰদীয় দুৰ্গোৎসৱ উদযাপন সমিতিৰ বিষয়ববীয়া সকলে বাতিল কৰাৰ সীধান্ত গ্ৰহণ কৰিছে। অৱশ্যে পূজা অৰ্চনাৰ লগতে নাম প্ৰসংগ সমূহ চলি থাকিব বুলি উদ্‌যাপন সমিতিৰ বিষয়ববীয়া প্ৰীতিশ ৰঞ্জন দেৱ, ভৱেশ চক্ৰৱৰ্তী, সুপ্ৰিয় চৰকাৰ, প্ৰতাপ ডেকা, অপূৰ্ব কুমাৰ শৰ্মা, ধীৰেন কলিতা, তিলক শৰ্মা, আৰু প্ৰনৱ শৰ্মাই জানিবলৈ দিয়ে। ৩০ চেপ্তেম্বৰ মঙ্গলবাৰ ওজাপালি পৰিবেশন, সন্ধিপূজা, আয়তীসকলৰ দ্বাৰা নাম পৰিবেশন, সন্ধিয়া জুলিমা নাথে নাগাৰা নাম পদৰ্শনেৰে কাৰ্যসূচী সামৰণি পৰিব। ১ অক্টোবৰ বুধবাৰ ৰাতিপুৱা দুৰ্গা দেৱীৰ মহানৱমী পূজা আৰম্ভ, ওজাপালি পৰিবেশন, ৰাজহুৱা শান্তি, নিৰ্মালী প্ৰদান, ভোগ গ্ৰহণ। আবেলি হাজো ৰামদিয়াৰ ত্ৰৈলোক্য ডেকাৰ নাগাৰা নাম পৰিবেশন। ২ অক্টোবৰ বৃস্পতিবাৰ ৰাতিপুৱা দশমী বিহিত পূজা আৰম্ভ, অপৰাজিতা পূজা আৰু বলয় বন্ধন। আবেলি ৪ বজাত শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ প্ৰতিমা শোভাযাত্ৰা আৰু খৈৰাবাৰী দুৰ্গা মন্দিৰৰ দুৰ্গা সৰোবৰত প্ৰতিমা বিসৰ্জন। এই শাৰদীয় দুৰ্গোৎসৱৰ সকলো ধৰণৰ কাৰ্যসুচীত ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে খৈৰাবাৰী সৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকলে।

## মালেগড়ত হিন্দু-মুছলমানৰ সমন্বয়ৰ চানেকিৰে অসমকণ্ঠ জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত

**অসম বাৰ্তা, সৃজনগ্ৰাম, ৩০ ছেপ্টেম্বৰ ঃ** অসম কণ্ঠ তথা অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ বঙাইগাঁও জিলাৰ মালেগড়ত হিন্দু-মুছলমানে সমন্বয়ৰ চানেকি দেখুৱাই দিনশোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। পুৱা শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাৰ্ঘ্য যঁচাৰ পিছত অসমীয়াৰ আৱেগ জুবিন গাৰ্গৰ প্ৰিয় নাহৰৰ পুলি অঞ্চলটোৰ বিভিন্ন শিক্ষানুষ্ঠান আদি ৰাজহুৱা স্থানত ৰোপণ কৰা হয়। ৰোপক হিচাৰে থাকে জ্যেষ্ঠ নাগৰিক ধীৰেন্দ্ৰ চন্দ্ৰ দাস, সভাপতি ড° আক্ৰাম আলী ভূট্টো, ড° আব্দুল ওৱাহাৰ, সম্পাদক কমলেশ্বৰ দাসে। তাৰ পিছতে গীতা পাঠ কৰে মহানন্দ দাসে। সহযোগ কৰে জীৱধন দাসে। ইয়াৰ পিছত আইসকলে নাম-প্ৰসংগ অনুষ্ঠিত কৰে। কোৰান পাঠ কৰে ছাহ আলমে। আবেলি প্ৰিয় শিল্পীগৰাকী জীৱনৰ ওপৰত আলোচমাচক্ৰ অনুষ্ঠিত কৰে। তাৰ পিছতে শিল্পী গৰাকীৰ আধাৰশিলা স্থাপন কৰে সভাপতি ড° ভূট্টোৱে। সহযোগ কৰে ধীৰেন্দ্ৰ চন্দ্ৰ দাস আৰু আল আমিনে। অনুষ্ঠানটিৰ আঁত ধৰে উপসভাপতি মিনতি দাসে। সন্ধিয়া সমূহীয়াভাৱে বন্তি প্ৰজ্বলন কৰে।

## বৃহৎ পৰিমাণৰ সন্দেহযুক্ত হেৰ'ইনসহ আটক এজন

# তাৰাবাৰী আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান

**অসম বাৰ্তা, চেঙা, ৩০ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাত অব্যাহত আছে আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান। এইবাৰ বৃহৎ পৰিমাণৰ সন্দেহযুক্ত হেৰ'ইনসহ তাৰাবাৰী আৰক্ষীৰ জালত পৰিছে এটা ড্ৰাগছ ব্যৱসায়ী। ধৃত ড্ৰাগছ ব্যৱসায়ীটো হৈছে বৰপেটা জিলাৰ তাৰাবাৰী থানাৰ অন্তৰ্গত হৰিপুৰ গাঁৱৰ চৰীফ মীয়াৰ পুত্ৰ চাহজামাল মীয়া (২৬) বুলি জানিব পৰা গৈছে। উল্লেখ্য যে গোপন খবৰৰ ভিত্তিত কালি নিশা তাৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত এটি আৰক্ষীৰ দলে হৰিপুৰ গাঁৱত ড্ৰাগছ বিৰুদ্ধে চলাইছিল অভিযান অভিযানকালত চাহজামাল মীয়াৰ পৰা সন্দেহযুক্ত হেৰ'ইন ভৰ্তি ২টা প্লাষ্টিকৰ কণ্টেইনাৰ আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত থকা কোনো ড্ৰাগছ বেপাৰী শাৰী যাব নোৱাৰে বুলি জনায় তাৰাবাৰী আৰক্ষী থানাৰ ভাৰ প্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ে। চাহজামাল মীয়াৰ পৰা এটা মোবাইল ফোনো আৰু এখন এফ জেদ বাইক জব্দ কৰে আৰক্ষীয়ে। জব্দ কৰা বাইক খনৰ নম্বৰটো হৈছে এ এছ ১৫ টি ১৯৮০ চাহজামাল মীয়াই এই বাইক খনেৰে সৰ্বৰাহ কৰে নিচা জাতীয় সামগ্ৰী ধৃত যুৱক জনৰ বিৰুদ্ধে তাৰাবাৰী আৰক্ষী থানাত ৫১/২৫ নম্বৰত এনডিপিএচ আইনৰ ২১(এ)/২৯ ধাৰাৰ অধীনত আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি আজি ধৃত যুৱক জনক বৰপেটা আদালতত হাজিৰ কৰায় বুলি জানিব পৰা গৈছে। দীৰ্ঘদিন ধৰি চাহজামাল মীয়াই ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় লোকে। ড্ৰাগছৰ বিৰুদ্ধে তাৰাবাৰী আৰক্ষীয়ে চলোৱা এই অভিযানৰ বাবে তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ক সচেতন মহলে ধন্যবাদ জ্ঞাপন কৰে।

## দেৰগাঁৱৰ ছগুৰি খেলপথাৰত প্ৰাইজমনি ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, দেৰগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** দেৰগাঁৱৰ ছগুৰি যুৱ সংঘৰ সৌজন্যত আৰু ছগুৰি গাঁও উন্নয়ন সমিতিৰ সহযোগত ছগুৰি খেলপথাৰত প্ৰায় ১০ চেপ্তেম্বৰৰ পৰা প্ৰায় ১৮ দিনীয়া কাৰ্যসূচীৰে প্ৰাইজমনি ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। দেওবাৰে অনুষ্ঠিত চূড়ান্ত খেলখন দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় বনাম লেঙু অফ ছেভেন হিলছ ফুটবল ক্লাৱৰ মাজত অনুষ্ঠিত হয়। এই খেলত অসমৰ ভিন্ন প্ৰান্তৰ কেইবাটাও ফুটবল প্ৰতিযোগী দলে অংশগ্ৰহণ কৰে। খেলখন আৰম্ভণিৰ পূৰ্বে ১ মিনিট সময় মৌন প্ৰাৰ্থনাৰে জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাই সকলোৱে। খেলত যথেষ্ট সংখ্যক ক্ৰীড়া প্ৰেমী ৰাইজ উপস্থিত থাকি খেল উপভোগ কৰে। চূড়ান্ত খেলখনত বিজয়ী দলক ট্ৰফীৰ লগতে মাননি প্ৰদান কৰা হয়। আজিৰ এই চূড়ান্ত খেলত লেঙু অফ ছেভেন হিলছ ০-১ গলত বিজয়ী হবলৈ সক্ষম হয়। এই খেলৰ অনুষ্ঠানত মুখ্য ব্যক্তি হিচাপে মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য পুৰুযোত্তম দলে, স্থানীয় ব্যক্তি প্ৰহ্লাদ দাস, বিজয় দাস, যুৱনেতা গৌতম দলে, ৪০ নং গাঁও পঞ্চায়তৰ সভানেত্ৰী, শীতল পথাৰ পঞ্চায়তৰ সভানেত্ৰীৰ লগতে অন্যান্য সমল ব্যক্তিসকল উপস্থিত থাকে। এই খেলত বিজয়ী প্ৰথম দলে ২০,০০১টকা পুৰস্কাৰ, দ্বিতীয় বিজয়ী দলে ১০, ০০১ টকা লাভ কৰিছে। আজিৰ এই খেলখনত বিভিন্ন প্ৰান্তৰ দৰ্শকসলে খেল উপভোগ কৰা পৰিলক্ষিত হয়।

### মাছ'ৰ মুখ্য উপদেষ্টা বুবুমনি গোস্বামীৰ মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ

# জুবিন গাৰ্গৰ হত্যাকাৰীয়ে উচ্চতম ন্যায়ালয়ত জামিন নোপোৱাৰ ব্যৱস্থা গ্ৰহণৰ আহ্বান মাছ'ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ মৰিগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ সৈতে জড়িত বুলি অভিযুক্ত আচামীয়ে যাতে উচ্চতম ন্যায়ালয়ত জামিন নাপায় তাৰবাবে চৰকাৰক সকলো ব্যৱস্থা ল'বলৈ মাছ'ৰ মুখ্য উপদেষ্টা বুবুমনি গোস্বামীয়ে আজি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন পত্ৰ প্ৰেৰণ কৰিছেঁ। মানৱ অধিকাৰ সংগ্ৰাম সমিতি চমুকৈ মাছ'ৰ হৈ মুখ্য উপদেষ্টা গোস্বামীয়ে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা পত্ৰখনত উল্লেখ কৰি কয় -অসমৰ অধিবক্তা সমাজে জুবিন গাৰ্গ মৃত্যু ৰহস্য গোচৰত কোনো আচামীৰ পক্ষে উকালতি নকৰাৰ সিদ্ধান্তৰ প্ৰকাশ কৰাৰ কথা জানিব পৰা গৈছে। কিন্তু এগৰাকী অধিবক্তা হিচাবে আপুনিও জ্ঞাত যে, নিম্ন আৰু উচ্চ আদালতত বিফল হোৱাৰ বিপৰীতে উচ্চতম ন্যায়ালয়ত জামিন আবেদন কৰাৰ বাবে যিকোনো আচামীৰ পথ খোলা থাকে। এইক্ষেত্ৰত অসম চৰকাৰে আগতীয়াকৈ আইনী যুঁজৰ ৰণকৌশল হাতত নল'লে আইনৰ সুৰুঙাৰে আচামীয়ে জামিন লাভ কৰাৰ সম্ভাৱনা আছে। সেয়ে, অসম চৰকাৰে ৰাজ্যৰ মহাধিবক্তা আৰু ভাৰত চৰকাৰৰ সংশ্লিষ্ট অধিবক্তাৰ সহযোগত ৰণকৌশল ৰচনা কৰিব লাগে, যাতে জুবিন মৃত্যু ৰহস্য গোচৰত সাঙোৰ খায় পৰা কোনো আচামী আইনৰ সুৰোঙাৰে জামিনত মুক্তি পাব নোৱাৰে। অৰ্থাৎ আমাৰ ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰে আগতীয়া পদক্ষেপ গ্ৰহণ কৰি জুবিন মৃত্যু গোচৰত জড়িত সকলো আচামীৰে জামিনত মুক্তিৰ পথ নিশ্চিতভাৱে ৰুদ্ধ কৰিব লাগে। ইয়াকে কৰিব নোৱাৰিলে জুবিন গাৰ্গৰ পৰিয়াল আৰু অসমবাসীক ন্যায় দিব বুলি কৰা চৰকাৰৰ ঘোষণা 'ঘৰিয়ালৰ চকু পানী' মাথোঁ আৰু এক প্ৰৱঞ্চনা বুলি ৰাইজে ভাবিবলৈ বাধ্য হ'ব। সেয়ে বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰি মুখ্যমন্ত্ৰীক যথোপযুক্ত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে মাছ'ৰ মুখ্য উপদেষ্টাগৰাকীয়ে।

### “মন যায়” এক ব্যতিক্ৰমী অনুষ্ঠান

## কালিখোলাত প্ৰাণৰ শিল্পী জুবিন অনুৰাগীৰ সৈতে মত বিনিময়

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৩০ ছেপ্টেম্বৰ ঃ** সমাজৰ অসহায়-আৰ্তজনৰ হৃদয়ত আশা, সাহসৰ সুৰ বিলাবলৈ আৰু প্ৰকৃতিক সুৰক্ষিত কৰিবলৈ আজি ওদালগুৰিৰ জিলাৰ কালিখোলা প্ৰাথমিক বিদ্যালয়ত “মন যায়” নামৰ এক ব্যতিক্ৰমী অনুষ্ঠান গঠন কৰা হয়। আনোৱাৰা বেগমৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সভাৰ আগমুহূৰ্তত প্ৰয়াত জুবিন গাৰ্গৰ আত্মাৰ সদ্‌গতি কামনাৰ অৰ্থে এক মিনিট মৌনপ্ৰাৰ্থনা কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি অৰূপ বড়োয়ে কয় নিৰ্ভীক, নিৰপেক্ষভাৱে সঁচা পথত থিয় দি মৰম, সংহতিৰ এনাজৰীৰে অসহায়-আৰ্তজনক এখনি সহায়ৰ হাত আগবঢ়োৱাৰ প্ৰতিজ্ঞালৈ আৰু অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰা আৰু তেওঁৰ কৰ্মৰাজিক জীয়াই ৰখাৰ লক্ষ্য উদ্দেশ্যে “মন যায়” নামৰ অনুষ্ঠানটি জন্ম দিয়া হৈছে বুলি কয়। সভাত সমাজকৰ্মী মুফাচিল খান, নৱজিৎ ডেকা আৰু যতীন মেধিয়ে জুবিন গাৰ্গৰ কৰ্মৰাজীৰ বিষয়ে ভাষণ দিয়াৰ লগতে গণশিল্পী জুবিন গাৰ্গক ন্যায় দিবলৈ চৰকাৰক দাবী জনায়। আজিৰ সভাতেই অৰূপ বড়োক সভাপতি, মামণি বেগমক সম্পাদিকা, ভবেন স্বৰ্গীয়াৰীক কোষাধ্যক্ষ, অনঞ্জুলা মুছাহাৰী, মুকিবুল খান, পঞ্চমী চৰকাৰক সদস্য আৰু আনোৱাৰা বেগম, ফটিক নন্দনক উপদেষ্টা হিচাপেলৈ “মন যায়”ৰ নতুন কমিটিখন গঠন কৰা হয়। সভাৰ শেষত নৱগঠিত অনুষ্ঠানটিৰ তৰফৰ পৰা বয়োজ্যেষ্ঠ ব্যক্তিসকলৰ মাজত প্ৰসাধন সামগ্ৰী বিতৰণ কৰা হয়।

### গণস্বাক্ষৰ অভিযান, বেনাৰ আঁৰি জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবী

# সত্ৰভূমি মাজুলীতো ঠায়ে-ঠায়ে জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠান




**অসম বাৰ্তা, উজনী মাজুলী, ৩০ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হৃদপিণ্ড স্বৰূপ, সকলোৱে নয়ণৰমণি জুবিন গাৰ্গে অনাকাংক্ষিত মৃত্যুক আকোঁৱালি লোৱাৰ আজি এঘাৰটা দিন সম্পূৰ্ণ হ'ল। শিল্পী গৰাকীৰ অবিহনে যোৱা ১১ দিন সমগ্ৰ অসমৰ লগতে মাজুলীবাসী ৰাইজৰ বাবেও এনেকুৱা এটা পল যোৱা নাই যিটো পল জুবিন গাৰ্গক সোঁৱৰণ কৰা নাই। শোকবিহ্বল মাজুলীবাসীয়েও মৃত্যুৰ দিন ধৰি শ্ৰদ্ধাঞ্জলিৰ অনুষ্ঠানেৰে প্ৰান্তে প্ৰান্তে শিল্পী গৰাকীক শ্ৰদ্ধা নিবেদন কৰাৰ সমান্তৰালভাৱে আজিৰে পৰা শিল্পী গৰাকীৰ ৰাজহুৱা আদ্য শ্ৰাদ্ধও মাজুলীৰ ঠায়ে ঠায়ে আয়োজন কৰা পৰিলক্ষিত হৈছে। সমান্তৰালভাৱে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মাজুলী জিলা সমিতি আৰু জুবিন ফেন ক্লাৱ মাজুলীৰ যৌথ উদ্যোগত দিনযোৱা কাৰ্যসূচীৰে আজি শিল্পী গৰাকীৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰে। মাজুলীৰ কমলাবাৰীৰ সাংবাদিক সন্থাৰ কাৰ্যালয়ৰ সমীপত অনুষ্ঠিত কৰা উক্ত আদ্যশ্ৰাদ্ধৰ অনুষ্ঠানত নাম-প্ৰসংগৰে জুবিন দাক স্মৰণ কৰাৰ লগতে জুবিন গাৰ্গৰ পুণ্যাত্মাৰ সদগতিৰ বাবে মাজুলীৰ প্ৰতিগৰাকী ব্যক্তিয়ে প্ৰাৰ্থনা জনায়। ইফালে মাজুলীৰ কেইবা স্থানটো শিল্পী গৰাকীৰ আদ্যশ্ৰাদ্ধৰ আয়োজন কৰিছে। কাইলৈ সোণাৰিআটী চাৰিআলি, কথমীয়াত শিল্পী গৰাকীৰ ৰাজহুৱা আদ্য শ্ৰাদ্ধৰ আয়োজন কৰিছে। আনহাতে ১ অক্টোবৰত ৰতনপুৰ মিৰি একাডেমীৰ খেলপথাৰত নতুন বজাৰ সন্মিলিত সাংস্কৃতিক মঞ্চই বিস্তৃত কাৰ্যসূচীৰে শিল্পী গৰাকীৰ ৰাজহুৱা আদ্য শ্ৰাদ্ধৰ আয়োজন কৰিছে। ইফালে মাজুলীৰ ঠায়ে-ঠায়ে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই জুবিন গাৰ্গক ন্যায় প্ৰদান কৰক শীৰ্ষক শ্লোগানেৰে বেনাৰ লগোৱা পৰিলক্ষিত হৈছে। মাজুলীৰ বিভিন্ন দল-সংগঠনে গণস্বাক্ষৰ অভিযানৰ যোগে শিল্পী গৰাকীৰ ৰহস্যজনক মৃত্যুত দোষীৰ উচিত তদন্ত আৰু উপযুক্ত শাস্তিৰ দাবী উত্থাপন কৰিছে।

### প্ৰায় ২০ লক্ষ টকা মূল্যৰ নিষিদ্ধ ড্ৰাগছ জব্দ আৰক্ষীৰ

# জাগুনত নিষিদ্ধ ড্ৰাগছসহ দুগৰাকী মহিলা সৰবৰাহকাৰীক আটক

**অসম বাৰ্তা বিশেষ, জাগুন, ৩০ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসমতে মানৱ জীৱন ধ্বংস কাৰী নিচাজাতীয় দ্ৰব্য নিষিদ্ধ ড্ৰাগছে এক প্ৰকাৰে চানি ধৰা দেখা গৈছে। যুৱ প্ৰজন্মক সম্পূৰ্ণ ৰূপে ধ্বংস কৰিব পৰা এই নিষিদ্ধ ড্ৰাগছৰ অবাধ প্ৰচলন ৰোধ কৰিবলৈ আৰক্ষী প্ৰশাসন যিমানেই তৎপৰ হৈ পৰা পৰিলক্ষিত হৈছে তাৰ বিপৰীতে দিনক দিনে এই নিষিদ্ধ ড্ৰাগছৰ কলা সাম্ৰাজ্যখন ক্ৰমাত বিস্তাৰিত হোৱাহে দেখা পোৱা গৈছে। প্ৰতি দিনাই নতুন নতুন ড্ৰাগছ সেৱন কাৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগেই ড্ৰাগছৰ কলা বেহা আৰু সৰবৰাহকাৰীৰ সংখ্যাও বৃদ্ধি পাই আহিছে। এক প্ৰকাৰ এই নিচাজাতীয় নিষিদ্ধ ড্ৰাগছৰ অবাধ প্ৰচলনে উঠি অহা নৱ প্ৰজন্মক নিশেষ কৰি পেলোৱাৰ উপক্ৰম ঘটিছে। নিষিদ্ধ এই ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষী প্ৰতি নিয়ত সষ্টম হৈ থকাৰ মাজতো নিতৌ ন ন কৌশল অৱলম্বন কৰি সৰবৰাহ কাৰী সকলে ড্ৰাগছৰ এই কলা সাম্ৰাজ্যখন চলাই যাবলৈ সক্ষম হৈছে। আৰক্ষীৰ এনে তৎপৰতাৰ ফলশ্ৰুতিত শাৰদীয় দুৰ্গোৎসৱৰ মাজতেই জাগুনত নিষিদ্ধ ড্ৰাগছ সহ দুগৰাকী মহিলা সৰবৰাহকাৰী আটক কৰা হৈছে। দেওবাৰে নিশা এক গোপন সূত্ৰৰ পম খেদি লেখাপানী আৰু জাগুন আৰক্ষীৰ যৌথ অভিযানত দুগৰাকী মহিলা সৰবৰাহকাৰীৰ সৈতে বহু টকা মূল্যৰ নিষিদ্ধ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা অনুসৰি মাৰ্ঘেৰিটা সম জিলা আৰক্ষী বিষয়া ফায়েজ আহমেদৰ নেতৃত্বত লেখাপানী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিতু চাংমাই আৰু জাগুন আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ভৱেশ ৰয়ৰ যৌথ অভিযানত মাৰ্ঘেৰিটা অঞ্চলৰ পৰা পিছ লৈ অৱশেষত জাগুনৰ টকৌপানী নামে ঠাইত মহিলা দুগৰাকীক নিষিদ্ধ ড্ৰাগছ সহ আটক কৰে। আটকাধিন মহিলা দুগৰাকী ক্ৰমে জাগুন ফুলবাৰীৰ মণিকা বৰগোহাঞি আৰু ৩ নং ৰামপুৰ গাঁৱৰ মঞ্জু বৰুৱা বুলি নিশ্চিত হৈছে। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছ খিনিৰ পৰিমাণ ১৬২ গ্ৰাম হোৱাৰ উপৰিও ইয়াৰ বজাৰ মূল্য প্ৰায় ২০ লক্ষ টকা হ'ব বুলি জানিব পৰা গৈছে। বাতৰি লিখা পৰলৈ আটকাধিন দুয়োগৰাকী সৰবৰাহকাৰীক অধিক তথ্যৰ বাবে আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

# চিনাতলীত ২৮ সংখ্যক শাৰদীয় দুৰ্গাপূজা

**অসম বাৰ্তা, খুমটাই, ৩০ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যতে আজি পৰা শাৰদীয় দুৰ্গাপূজাৰ মহাষ্টমী পূজা যথাবিহিত কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। খুমটাইৰ চিনাতলীৰ ঐতিহ্যমণ্ডিত চিনাতলী আঞ্চলিক দুৰ্গাপূজা সমিতিৰ উদ্যোগতো উলহ-মালহেৰে অনুষ্ঠিত দুৰ্গা পূজাত পূজাৰীৰ বৈদিক মন্ত্ৰোচ্চাৰণেৰে মহাষ্টমী পূজা অনুষ্ঠিত হৈছে। শশ ভক্তই পৰিয়ালৰ মঙ্গল কামনাৰে মহিষমৰ্দিনীৰ ওচৰত ধূপ, দীপ নৈবেদ্য অৰ্চন কৰিছে। ২৮ তম বৰ্ষত ভৰি থোৱা পূজা সমিতিখনে এই বৰ্ষটো এক বিশেষ থীমেৰে পূজা মণ্ডপ নিৰ্মাণ কৰিছে। অসমীয়াৰ স্বভীমান ৫০ ফুট উচ্চতাৰ জাপিৰ আৰ্হিত নিৰ্মাণ কৰা পূজা মণ্ডপে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পিছত বিষণ্ণ মনেৰে আধ্যাত্মিকতা অক্ষুণ্ণ ৰাখি এইবাৰ দুৰ্গাপূজা অনুষ্ঠিত কৰিছে বুলি জানিবলৈ দিছে। ষষ্ঠীৰ বেদীত মা দুৰ্গাক প্ৰতিষ্ঠা কৰাৰ পিছত ইতিমধ্যে আজি মহাসপ্তমী পূজা অনুষ্ঠিত হৈছে। পূৰ্বৰ তুলনাত চিনাতলীতো এইবাৰ পূজাৰ আনন্দ যথেষ্ট পৰিমাণে ম্লান পৰিছে বুলি পূজা সমিতিয়ে অৱগত কৰিছে। দুৰ্গাৰ চৰণত মণ্ডপৰ সন্মুখত হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত অক্ষয় বন্তি প্ৰজ্বলনেৰে শিল্পীগৰাকী লৈ শ্ৰদ্ধাঞ্জলি জনোৱা পৰিলক্ষিত হৈছে।

## ডুমডুমা বিধানসভা সমষ্টিৰ ৬১খন দুৰ্গা পূজা সমিতিক দহ হেজাৰকৈ টকাৰ চেক বিতৰণ মন্ত্ৰী ৰূপেশ গোৱালাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩০ ছেপ্টেম্বৰ ঃ** বিগত বছৰৰ দৰে এইবাৰো অসম চৰকাৰে অসমৰ পুৰণি দুৰ্গা পূজা সমিতিসমূহলৈ দহ হেজাৰকৈ টকাৰ অনুদান আগবঢ়াইছে। আজি ডুমডুমা বিধানসভা সমষ্টিৰ মুঠ ৬১খন পূজা সমিতিক এই অনুদানৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই। এই উপলক্ষে ডুমডুমাৰ মাৰোৱাৰী পঞ্চায়তী ভৱনত অনুষ্ঠিত এক অনুষ্ঠানত মন্ত্ৰী গোৱালাই সকলোলৈকে শাৰদীয় দুৰ্গোৎসৱৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সকলো পূজা সমিতিকে শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ পূজা অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। এই চেক বিতৰণ অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত আছিল।



## ৰূপহীহাটৰ লটানী চাপৰি ৬০ বছৰীয়া বৃদ্ধ সন্ধানহীন

**অসম বাৰ্তা ৰূপহীহাট, ৩০ ছেপ্টেম্বৰ ঃ** ৰূপহীহাটৰ লটানী চাপৰিত এজন মানসিক বিকাৰগ্ৰস্ত বৃদ্ধ লোক যোৱা ৫ দিন ধৰি সন্ধানহীন হৈ আছে। মানসিক বিকাৰগ্ৰস্থ আব্দুল জব্বাৰ (৬০)ৰ যোৱা পাঁচদিন পূৰ্বে ঘৰৰ পৰা ওলাই যোৱাৰ পিছৰে পৰাই সন্ধানহীন হৈ আছে। যাৰ বাবে নিজ পুত্ৰ বোৱাৰীয়ে নিজ শশুৰেকক বিচাৰি এক হাহাকাৰ পৰিৱেশৰ সৃষ্টি কৰিছে। শশুৰেক সন্ধানহীন হোৱাৰ বেদনাত হিয়া ঢাকুৰি কান্দিছে নিজ পুত্ৰ বোৱাৰীয়ে। পৰিয়ালৰ লোকে নিজৰ আত্মীয় স্বজনৰ ঘৰত বিচাৰ খোচাৰ কৰিও কোনো সন্ধান উলিয়াব পৰা নাই আব্দুল জব্বাৰৰ। ঘটনা সন্দৰ্ভত ইতিমধ্যে পৰিয়ালৰ লোকে কাৰৈমাৰী আৰক্ষী পহৰা চকীত এখন লিখিত জাননী দিছে। যদি কোনো সদাশয় ব্যক্তিয়ে আব্দুল জব্বাৰক দেখা পায় তেনেহলে ৬০০১১৩৩১৫২ অথবা ৮০৯৯৫৩৯৩১২এই নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে কাতৰ আহ্বান জনইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন